REFERENCE
(Not for Issue)
Reading Only Inside Library

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS
UNDER THE SOVEREIGN DEMOCRATIC
REPUBLICAN CONSTITUTION OF
INDIA

## BUDGET SESSION

VOLUME II

## No. 39

The 3rd June, 1970

सत्यमेव जयते

1988
PRINTED AT THE PAPLOO PRINTERS
JORHAT

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

### BUDGET SESSION

### VOLUME II

### NO. 39

The 3rd June 1970

**Proceedings of The Ninth Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Shillong, at 10 A.M. on Wednesday the 3rd June 1970.

PRESENT

Shri Mohi Kanta Das, M. A., B. L., Speaker, in the Chair, Eight Ministers, Six Ministers of State, Two Deputy Ministers and Sixty Eight Members.

## QUESTIONS AND ANSWERS

### STARRED QUESTIONS

( To which oral answers were given )

Stared Question No. 471 was not put and answered to as the hon. Questioner was absent.

### Re : Cane Mahal

শ্ৰীভদ্ৰ কান্ত গগৈয়ে সুধিছে :

*৪৭২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ডিব্ৰুগড় ডিভিজনৰ বন বিভাগৰ ৭ নং বেতৰ মহলটো ১৯৭০-৭১ চনৰ বাবে কাৰ লগত বন্দোৱস্তি দিয়া হল ?

(খ) কিমান টকাত দিয়া হল ?

(গ) কিমানজনে এই মহলত টেণ্ডাৰ দিছিল আৰু কিমান টকাত দিছিল ?

(ঘ) ১৯৬৯-৭০ চনত এই মহল কাক দিয়া হৈছিল আৰু কিমান মূল্যত ?

বন বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

৪৭২। (ক)—ডিব্ৰুগড়ৰ "আসাম কেইন চাপ্লায়াৰ"ৰ লগত বন্দোৱস্তি দিয়া হৈছে।

(খ)—২,০০১ টকাত।

(গ)—মাত্ৰ এখন টেণ্ডাৰ পোৱা হৈছিল।

(ঘ)—১৯৬৯-৭০ চনত নতুনকৈ বন্দোৱস্তি দিয়া হোৱা নাছিল। কিন্তু ১৯৬৫-৬৮ চনৰ মহলৰ ম্যাদ ২৮ ফেব্ৰুৱাৰী ১৯৭০ লৈকে বঢ়াই দি আগৰ মহলদাৰকে দিয়া হৈছিল।

Shri Bhadra Kanta Gogoi : আগৰ মহলদাৰ জনৰ নাম কি ?

Shri Mahendra Mohan Choudhury : ঠাকুচি দাস কনোৱাৰীলাল এণ্ড কোম্পানী ।

Shri Bhadra Kanta Gogoi : তেখেতে কিমান টকাৰ ডাক লৈছিল বা তেখেতক কিমান ডাকত বন্দৱস্তি দিয়া হ'ল । তেখেতে বোধহয় দ্বিতীয় Bidder আছিল ।

Shri Mahendra Mohan Choudhury : আগতে এই মহলটো এটা হৈ আছিল । পিছে এতিয়া দুটা মহল কৰা হৈছে এটা হৈছে ডিব্ৰুগড় আনটো ডিগবৈ । এখনৰ নম্বৰ ১ আনখনৰ নম্বৰ ৭ । আগৰ প্ৰশ্ন আছিল ১ নং খনৰ সম্পৰ্কে, এতিয়া হ'ল ৭ নং খনৰ সম্পৰ্কে । একে হৈ থাকোতে দাম বেচি আছিল তাৰপিছত সৰু হোৱাত কমি গৈছে ।

Mr. Speaker : গগৈ ডাঙৰীয়াৰ আৰু কিবা সুধিবলগীয়া আছেনে ?

Shri Bhadra Kanta Gogoi : ভাগ কৰাৰ পিচত দুইটা মহল একেজন মানুহকে দিয়া হৈছে নেকি ?

Shri Mahedndra Mohan Choudhury : সেইটো খবৰ বৰ্তমান মোৰ হাতত নাই । এটা Assam cane supply Company ক দিয়া হৈছে আনটো ঠাকুচি দাস কনোৱাৰীলাল এণ্ড কোং দিয়া হৈছে । দুইটা একে নেকি মই নাজানো

Shri Atul Chandra Goswami : দুইজন একে মানুহ হয়নে নহয় ?

Shri Mahendra Mohan Choudhury : সেইটো খবৰ মোৰ নাই ।

Shri Giasuddin Ahmed : মহল তাগ কৰাৰ পিচত আগৰ Tender in valid হোৱা বুলি চৰকাৰে নাভাবে নেকি ?

Shri Mahendra Mohan Choudhury : মহল ভাগ কৰাত বেলেগ Tender লোৱা হ'ল আৰু সেই অনুসৰি ৭ নং মহলৰ মাত্ৰ এখন

Tender পোৱাহলে আৰু সেইমতে Assam cane Company ক দিয়া হ'ল ।

Shri Mohidhar Pegu : মহলখন ভাগ কৰি দুখন কৰাত চৰকাৰৰ ৰাজহ বেচি হ'ল নে কমি গ'ল ?

Shri Mohendra Mohan Choudhury :কমিছে ।

Shri Dulal Chandra Barua : নীতিগত হিচাবে Settlement দিবলৈ যাওঁতে দুয়োখন মহলেই দুটা বেলেগ বেলেগ নামত একেজন মানুহকেই যে দিয়া হল, এইটো কথা চৰকাৰে জানেনে ?

Shri Mahendra Mohan Chaudhury : এখন হৈছে ঠাকুচি দাস কনোৱাৰীলাল এণ্ড কোং আৰু আনখন Assam cane Company একে মানুহ হয় নে নহয় সেই খবৰ মোৰ জনা নাই ।

Shri Mohidhar Pegu : দুখন হোৱাৰ কাৰণে—সৰ্ব্বমুঠ টকাৰ পৰিমান সৰহ হ'লনে কমিছে ?

Shri Mahendra Mohan Choudhury : দাম কমিছে । কমাৰ কাৰণ হৈছে যে আগতে এখন মহল আছিল পিচে ডিগবৈ আৰু ডিব্ৰুগড় দুই অংশত ভগোৱা হ'ল । তেতিয়া Tender ৰ দাম কমি গ'ল । মহল দুইখন একেলগে থকাতেই cane ৰ পৰিমান কমি গৈছে ।

Shri Bhadra Kanta Gogoi : ঠাকুচি দাসৰ নাম দিছে নে Company ৰ নামত দিছে ?

Shri Mahendra Mohan Choudhuay : Company হিচাবে দিছে ।

Shri Bhadra Kanta Gogoi : Company বা ফাৰ্ম্মৰ পৰা Authority লৈছিল নে ?

Shri Mahendra Mohan Choudhury : খবৰ নাই। Registared Company হলে partner ৰ অনুমতি লব নালাগে। Co-operative হলে লাগে।

## Re: Rhinos at Kaziranga Sanctury

শ্ৰীভদ্ৰ কান্ত গগৈয়ে সুধিছে :

*৪৭৩ মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) কাজিৰঙা অভয়াৰণ্যত কিমান গড় ১৯৬৮-৬৯ চনত চোৰাং চিকাৰীৰ হাতত নিহত হল ?

(খ) কিমানজন চোৰাং চিকাৰীক আজিলৈকে ধৰা পেলোৱা হৈছে আৰু কেনে ধৰণৰ শাস্তি বিহা হৈছে ?

(গ) অসমৰ মহা মূল্যবান এই গঁড়বিলাক ৰক্ষা কৰিবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

বন বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

৪৭৩ (ক)—৭ (সাত) টা।

(খ) ৮ ( আঠ ) জন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। সেই গোচৰবোৰ এতিয়াও বিচাৰাধীন হৈ আছে।

(গ)—গঁড় সংৰক্ষণৰ বাবে আৰু চোৰাং চিকাৰৰ পৰা ও অনাহকত গঁড় ধ্বংসপ্ৰাপ্ত হোৱাৰ পৰা ৰক্ষা কৰিবলৈ অসম গঁড়সংৰক্ষণ ( ১৯৫৪ ) আইনত নানা ব্যৱস্থা লোৱাৰ নিয়ম আছে। এই ব্যৱস্থাবোৰ বেচি কটকটীয়াকৈ পালন কৰিবৰ বাবে বন বিভাগৰ বিষয়া আৰু পুলিচক বেচি ক্ষমতা দিবলৈ উপৰোক্ত আইনখন সংসোধন কৰা হৈছে আৰু তলত উল্লেখ কৰা ব্যৱস্থাবোৰো লোৱা হৈছে—

(১) প্ৰহৰীৰ সংখ্যাবৃদ্ধি কৰা হৈছে।

(২) চোৰাং চিকাৰৰ প্ৰতিৰোধ কৰাত বন বিভাগৰ বিষয়াক সহায় কৰিবলৈ গৃহৰক্ষী বাহিনীৰ মানুহকো নিযুক্ত কৰা হৈছে।

(৩) জীপ চলাবপৰা আৰু প্ৰহৰীসকলে সহজে অহা-যোৱা কৰিবপৰা ৰাস্তা বন্ধোৱা হৈছে।

(৪) চোৰাং চিকাৰৰ প্ৰতিৰোধ কৰিবলৈ স্থানীয় লোকৰ বিশেষকৈ যুৱক শ্ৰেণীৰ সহযোগীতা লোৱা হৈছে।

(৫) প্ৰহৰীসকলৰ প্ৰসংসনীয় কামৰ বাবে বঁটা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

Dr. Bhupen Hazarika : এই অভয়াৰণ্যৰ দক্ষিণ সীমাত মৰা পিপালু নামে এখন নদী আছে তাত মঠাউৰি বান্ধি দিলে গড় আৰু তিনি-হাজাৰ খেতিয়কৰ যে উপকাৰ হব সেই কথাটো চৰকাৰে ভাবিছেনে ?

Shri Mahendra Mohan Choudhury : মঠাউৰি দিয়াৰ কাৰণে ৰাইজৰ ফালৰ পৰা এখন প্ৰতিবেদন পোৱা হৈছে আৰু সেই প্ৰতিবেদন মতে আমাৰ মূখ্য বন বিভাগৰ অধিক্ষকৰ মতামত বিচৰা হৈছে, যে মঠাউৰিৰ ফলত কাজিৰঙাৰ কিবা অন্যায় হব নে নহয়; যদি অন্যায় নহয় বুলি কয় তেন্তে মঠাউৰি বন্ধাৰ কথা চিন্তা কৰি থকা হৈছে।

Shri Atul Chandra Goswami : কাজিৰঙাৰ অভয়াৰণ্যাত গড় মৰাৰ সাহসীকতাৰ বাবে কুঠৰীৰ এখন মিটিংত চিকাৰীকেইজনক পুৰস্কৃত কৰা হৈছিল। সেই সভাত মন্ত্ৰী মহোদয় আৰু বনবিভাগৰ উচ্ছতম বিষয়াজনো উপস্থিত আছিল। সেইদিনাখন উচ্ছতম বিষয়াজনে মন্ত্ৰীমহোদয় আৰু আমাৰ সাক্ষাততে মঠাউৰী বান্ধিলে কাজিৰঙাৰ উপকাৰ হ'ব বুলি কৈছিল। সেই কথাটো সঁচা হয়নে ? যদি হয় তাৰ তদন্তৰ কিবা ব্যৱস্থা কৰিছেনে ?

Shri Mahendra Mohan Choudhury : চাৰ উপকাৰ হব বুলি কোৱা নাছিল, তেখেতে কৈছিল উপকাৰ হয় নে নহয় বিবেচনা কৰি চাম। যদি হয় বুলি কয় তেন্তে তদন্ত কৰা হব।

Shri Kamini Mohan Sarma : অধ্যক্ষ মহোদয়, অসমৰ আপুৰুগীয়া সম্পদ এই গড়বিলাক চোৰাংচোৱাকাৰী সকলে চোৰাং ভাবে হত্যা কৰাৰ কাৰণ কি ? আৰু হত্যা কৰাৰ পৰা তেওঁলোকৰ লাভ কি ? অসম চৰকাৰে ইয়াৰ ৰক্ষনা বেক্ষনৰ দায়িত্ব বহন কৰিব নোৱাৰাৰ কাৰণ কি ?

Shri Mahendra Mohan Choudhury : এই আপুৰুগীয়া জন্তুবিলাক ৰক্ষা কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আৰু চোৰাং চিকাৰীয়ে হত্যা কৰাৰ উদ্দেশ্য হৈছে গড়ৰ খৰ্গৰ দাম খুউব বেছি। তেওঁলোকে সেইবোৰ অতিৰিক্ত দামত বেছি লাভ কৰিবৰ কাৰণে তেওঁলোকে মাৰিছে।

Shri Mohidhar Pegu : গ) প্ৰশ্নৰ উত্তৰত কৈছে যে, চোৰাং চিকাৰীৰ হাতত গঁড় নিধন হৈছে। কিন্তু বানপানীতো গঁড়বোৰ উটি গৈ অ'ত ত'ত থাকিবলগা হৈছেগৈ। এইদৰেই গৈ ফেদলী চাপৰিতো ২টা গড় উঠিছেগৈ। এইকথা চৰকাৰে জানেনে ? আৰু যদি জানে তেন্তে গঁড়বোৰ থাকিবৰ বাবে ওখ চাপৰিৰ কিবা ব্যৱস্থা কৰিছেনে ?

Shri Mahendra Mohan Choudhury : চাৰ এইবিষয়ে চিন্তা নকৰা নহয়। বানপানী আহিলে ঘাঁহ বিছাৰি সিইত অলৈ তলৈ যাব পাৰে। Raised platform কৰি দিলে গঁড়ৰ স্বাভাৱিক অৱস্থাত বাধা পৰিব।

Shri Atul Chandra Goswami : ক) প্ৰশ্নৰ উত্তৰত ৭ টা গঁড় নিধন হোৱা বুলি কৈছে। এই নিধন হোৱা গঁড় কেইটাৰ খড়্গ উদ্ধাৰ কৰা হলনে ?

Shri Mahendra Mohan Choudhury : হোৱা নাই।

Shri Atul Chandra Goswami : চাৰ অলপতে খানা পাৰাত গনেশ মন্দিৰ নামে ঠাইত গড়ৰ এটা খড়্গা পোৱাৰ কথা চৰকাৰে জানেনে ?

Shri Mahendra Mohan Choudhury : হয়, জানো।

Shri Puspadhar Chaliha : গড় ৰক্ষনা বেক্ষনত কাম কৰা এজন লোকে চিকাৰীৰ হাতত আজি প্ৰায় এবছৰৰ আগত প্ৰাণ বিসৰ্জ্জন দিছিল। তেওঁৰ পৰিয়ালক পুৰস্কৃত কৰাৰ কথা চৰকাৰে বিবেচনা কৰিছেনে ?

Shri Mahendra Mohan Choudhury : চাৰ, সেই কথাটো বিবে-চনাধীন হৈ আছে।

Shri Dulal Chandra Barua : চাৰ, গঁড়বিলাকৰ ৰক্ষণাবেক্ষণৰ যথোচিত ব্যৱস্থা লৈছে বুলি মন্ত্ৰীমহোদয়ৰ পৰা জানিব পাৰিছো। কিন্তু যিজন প্ৰকৃততে Ring leader Mr. Patel তেওঁৰ বিৰুদ্ধে ইতিমধ্যে বহুতো গোচৰ দাখিল কৰা হৈছে। যোৱাবছৰ এটা কেচ যোৰহাটত হৈছিল তাৰ Inspector জনে ৫০ হেজাৰ টকা খাই এৰি দিছিল। গতিকে চৰকাৰৰ ৰক্ষনা-বেক্ষন বহুতো হোৱাৰ পাছতো এই মানুহবোৰক বিশেষভাবে শাস্তি দিয়াৰ ব্যৱস্থা নকৰাৰ কাৰণে ৰক্ষনা-বেক্ষন ব্যৱস্থা এতিয়া মূল্যহীন হ'ব। এই কথা চৰকাৰে জানেনে ? আৰু যদি জানে তাৰ কি ব্যৱস্থা চৰকাৰে কৰিছে ?

Shri Mahendra Mohan Choudhury : Mr. Patel ৰ বিৰুদ্ধে আদালতত যি গোচৰ তৰা হৈছে সেইবিলাক এতিয়া বিচৰাধীন হৈ আছে। মই বৰুৱা ডাঙৰীয়াৰ সৈতে একমত যে যদি এই মানুহবিলাকৰ বিৰুদ্ধে প্ৰতিশেধক ব্যৱস্থা কটুকটীয়া কৰিব নোৱাৰি তেন্তে ৰক্ষনা-বেক্ষনৰ ব্যৱস্থা কটুকটীয়া নহব।

## Re : Kahitama Mathanguri Forest Road

Shri Pranita Talukdar asked :

*474. Will the Minister-in-charge of Forests be pleased to state—

(a) When the forest road from Kahitama to Mathanguri in Manas Range will be constructed ?

(b) How much amount has been sanctioned for this purpose ?

Shri Mahendra Mohan Choudhury ( Minister, Forests ) replied :

474. (a)—There is no proposal to construct a Forest road from Kahitama to Mathanguri in Manas Range.

(b)—Does not arise.

Shri Pranita Talukder : চাৰ, Tourist point of view ৰ পৰা এই ৰাষ্টাটো দৰকাৰী বুলি চৰকাৰে ভাবেনে ? যদি ভাবে তেন্তে এই ৰাষ্টাটো লবলৈ তৎ কালীন ব্যৱস্থা লবনে নলয় ?

Shri Mahendra Mohan Choudhury : বন বিভাগে প্ৰয়োজন বুলি ভাবিছে নে নাই সেইটো কথা মই নেজানো। মাননীয় সদস্যই যিটো কথা কৈছে সেইটো মই Touris বিভাগৰ ফালৰ পৰা পৰীক্ষা কৰোৱাই চাম।

Shri Bhumidhar Choudhury : মানাহ অভয়াৰণ্যত National park সাজিবৰ কাৰণে কিবা ব্যৱস্থা লৈছেনে ?

Shri Mahendra Mohan Choudhury : মানাহ অভয়াৰণ্য National park লৈ ৰূপান্তৰিত কৰাৰ কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। কিন্তু সেইটো বিবেচনাধীন হৈ আছে।

Shri Ataur Rahman : In view of the fact that the required road is vital for the protection of the games in the sanctuary, will the Government give special consideration to the matter ?

Shri Mahendra Mohan Chaudhury - If it is found necessary by the Forest Department for the protection of the animals in the Manas Wild Life Sanctuary, I think the matter may be considered.

Shri Kandarpa Narayan Banikya : চাৰ মথানগুৰি ঠাই ডোখৰ মানাহ অভয়াৰন্যত পৰে নে ?

Shri Mahandra Mohan Choudhury : চাৰ মথানগুৰি ঠাই ডোখৰ মানাহ অভয়াৰন্যত পৰে।

## Re : Road from Nilam Bazar to Lakhipur

শ্রীমতিলাল কানু জিজ্ঞাসা করিতেছেন :

*৪৭৫। মাননীয় বন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহপূর্ব্বক জনাইবেন কি—

(ক) নিলাম বাজার হইতে পেচার পার হইয়া লক্ষীপুর পর্য্যন্ত বন বিভাগের রাস্তা পূর্ত্ত বিভাগ গ্রহণ করার কোন প্রস্তাব সরকারের আছে কি ?

(খ) যদি থাকে তবে কখন কার্য্যকরী করা হইবে ?

(গ) ইহা চরকার জানেন কি; উক্ত রাস্তায় সার্ভিস বাস না চলায় জনসাধারণের ও সীমান্ত পুলিশ চলাচলের ভীষণ অসুবিধা হইতেছে ?

(ঘ) যদি সত্য হয় তবে সরকার কি ব্যবস্থা গ্রহণ করিয়াছেন ?

বন বিভাগের মন্ত্রী শ্রীমহেন্দ্র মোহন চৌধুরী উত্তর দিতেছে :

৪৭৫। (ক) ও (খ)—আছে এবং ইতিমধ্যেই ইহা পূর্ত বিভাগকে হস্তান্তর করা হইয়াছে।

(গ) ও (ঘ) – হাঁ, সীমান্ত পুলশ চলাচলের অসুবিধা হইতেছে বলিয়া সরকার অবহিত আছেন। যাহাতে রাস্তাটি ভালরূপে মেরামত করিয়া চলাচলের উপযোগী করিয়া রাখা হয় তজ্জন্য ইহা পূর্ত বিভাগকে হস্তান্তর করা হইয়াছে।

## Re : Acquisition of land No. 315 Mahakali Grant

শ্রীভদ্র কান্ত গগৈয়ে সুধিছে :

*৪৭৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাব নে—

(ক) ডিব্রুগড় মহকুমাৰ ৩১৫ নং মহাকালী গ্রাণ্টৰ মাটি কোন চনত অধিগ্রহণ কৰা হৈছিল ?

(খ) অধিগ্রহণ কৰা মাটি কিমান পৰিয়ালৰ মাজত বিতৰণ কৰ হ'ল আৰু তাৰ পৰিমাণ ?

(গ) উক্ত বিতৰণ কৰা মাটিৰ বাবদ কি নিৰিখত খাজানা লোৱা হৈছে ?

(ঘ) এতিয়ালৈকে সকলোবিলাক পৰিয়ালৰ পৰা ক্ষতিপূৰণৰ টকা পোৱা হ'ল নে ?

ৰাজহমন্ত্রী শ্রীমহেন্দ্র মোহন চৌধুৰীয়ে উত্তৰ দিছে :

৪৭৬ (ক)—১৯৫৩ চনত।

(খ)—১০৪ টা পৰিয়ালৰ ভিতৰত ৯৯৪ বিঘা মাটি বিতৰণ কৰা হ'ল ।

(গ)—বিঘাপ্ৰতি ৮৭ পইচাকৈ বছেৰেকীয়া ৰাজহ আদায় কৰা হৈছে ।

(ঘ)—এতিয়ালৈকে সকলোবিলাক পৰিয়ালৰ পৰা আংশিকভাবে ক্ষতি-পুৰণৰ টকা পোৱা হৈছে ।

Shri Bhadra Kanta Gogoi : চাৰ, মাটিৰ পৰিমাণ কিমান আছিল আৰু পৰিয়াল কেইটা ?

Shri Mahendra Mohan Choudhury : মাটি ৯৯৪ বিঘা আৰু পৰিয়াল ১০৪ টা ।

Shri Bhadra Kanta Gogoi : এতিয়াও বাকী আছেনে কি?

Shri Mahendra Mohan Choudhury : ১ হেজাৰ বিঘাৰ ভিতৰত ৯৯৪ বিঘা দিয়া হৈছে আৰু ৬ বিঘা Public Sector ৰ ৰখা হৈছে ।

Shri Bhadra Kanta Gogoi : মাটিহীন মানুহবিলাকৰ কিমানে মাটি নাপালে । আৰু কিমান মাটি থকা মানুহ আছে ?

Shri Mahendra Mohan Choudhury : চাৰ, দুৰ্ভাগ্যৰ কথা ইমান-বিলাক মানুহক মাটি দিয়া হ'ল তাৰ বেছিভাগ মানুহ অৰ্থাৎ ১০৪ টা পৰিয়ালৰ ভিতৰত ৭ টাহে আছে বাকীখিনি অন্য ঠাইলৈ গুছি গল ।

## Re : Suspension of Mandal

শ্ৰীআজিজুৰ ৰহমান চৌধুৰীয়ে সুধিছে :

*৪৭৭ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে —

(ক) মজিবৰ ৰহমান নামৰ বৰপেটা চাৰ্কোলৰ এজন মণ্ডলক কামৰ পৰা অব্যাহতি বা চাচ্পেণ্ড কৰি ৰখা কথাটো সত্য নে আৰু যদি সত্য হয়, তাৰ কাৰণ কি ?

(খ) এইটো সঁচা নে, উক্ত মণ্ডলজনক যোৱা ৫ মাহ ধৰি কোনো কৈফিয়ৎ আদি খোজা হোৱা নাই আৰু প্ৰাপ্য বেতন দি আছে ?

(গ) যি দোষৰ বাবে চাচ্পেণ্ড কৰিছে উক্ত বিচাৰ নিষ্পত্তি কৰিবলৈ কিমান বছৰ লাগিব ?

(ঘ) এইটো সঁচা নহয় নে, এনেদৰে চাচ্পেণ্ড কৰি ৰাখি সোনকালে দোষবোৰ বিচাৰ নকৰাৰ ফলত ৰাইজৰ টকা অন্যায়কৈ খৰচ হয় ?

ৰাজহ বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছেঃ

৪৭৭ (ক)—হয়, তেখেতক অবৈধ ভাবে চিঠা-নামজৰী কৰাৰ দোষত চাচ্পেণ্ড কৰি ৰখা হৈছে।

(খ)—এইটো সঁচা নহয়।

(গ)—গত এপ্ৰিল মাহত তেখেতৰ বিপক্ষে বিভাগীয় বিচাৰ আৰম্ভ কৰা হৈছে। তেখেতৰ পৰা অদ্য পৰিমিত কোনো কৈফিয়ৎ পোৱা নাই। কৈফিয়ৎ পোৱাৰ পাছত উক্ত বিচাৰৰ এটা সিদ্ধান্ত লোৱা হব। গতিকে বিচাৰ নিষ্পত্তি কেতিয়া হব এই মুহূৰ্ত্তত কোৱা টান।

(ঘ)—প্ৰশ্ন নুঠে।

Shri Azizur Rahman Choudhury: চাৰ এইটো কথা সত্য যে, এই নামজাৰী নোট কৰোতে এজন মণ্ডলৰ Suspense হ'ল আৰু তেনেকৈয়ে দুজন ভাই ককাইৰ নামত আন এজন মণ্ডলে উক্ত পট্টাত নামজাৰী নোট কৰিছিল ?

Shri Mahendra Mohan Choudhury: চাৰ, এইটো কথা সত্য নহয়। আচল কথাটো হ'ল মণ্ডল জনে প্ৰকৃত মানুহজন জীয়াই থাকোতেই

মৰিল বুলি অন্যৰ নামত উত্তৰাধিকাৰী বুলি নামজাৰি কৰিলে।

**Shri Azizur Rahman Choudhury :** মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে, এই মণ্ডল জনক Suspense কৰি কৈফিয়ৎ তলব কৰিবলৈ কোন তাৰিখে S.D.O. ৰে কোন তাৰিখে D.C ৰ পৰা Recomendat on খুজিছিল ?

**Shri Mahendra Mohan Choudhury :** Suspend কৰা হৈছিল ৫।৯।৬৯ তাৰিখে আৰু chage-sheet দিয়া হৈছিল ১৮।৪।৭০ তাৰিখে।

**Shri Dharanidhar Choudhury :** অবৈধ ভাৱে নামজাৰি কাৰ কাৰ নামত কৰা হৈছিল ?

**Shri Mahendra Mohan Choudhury :** শ্ৰীজালালউদ্দিন আহমেদ ৺চবিলউদ্দিন আহমদৰ পুত্ৰ।

**Shri Kehoram Hazarika :** মণ্ডল জনৰ লগত কিবা সমন্ধ আছিলনেকি ?

**Shri Mahendra Mohan Choudhury :** তেনেকুৱা কোনো সমন্ধ নাই।

**Shri Atul Chandra Goswami :** চাৰ, মোৰ হাতত এখন দলিল আছে নামজাৰী কৰাৰ এখন Certified Copy আছে। শ্ৰীজালাল উদ্দিন আহমেদ পিতা ৺চবিলউদ্দিন আহমেদ নামত ওৱাৰিস সূত্ৰে শ্ৰীদিলোৱাৰ হুছেইন, শ্ৰীলোকমান হুছেইন পিতা ৺চফিল হুছেইনৰ স্থলত শ্ৰীগুনমনি শৰ্ম্মা নামৰ এজন মণ্ডলে নামজাৰি কৰে—৩।৪।৬৭ তাৰিখে। তাৰ পাচত ২২।৯।৬৭ তাৰিখে মজিবৰ মণ্ডলৰ স্বাক্ষৰত S.D.C. N.N. Bhuyan ই নামজাৰী কৰিলে। এতিয়া মণ্ডল জনক Suspend কৰা হ'ল কিন্তু S.D.C. জনৰ কিবা ব্যৱস্থা ললেনে ?

**Shri Mahendra Mohan Choudhury :** সেইটোৰ তদন্ত আজিলৈকে

হৈ আছে। মণ্ডলজনৰ ওপৰত Proceedings draw কৰা হৈছে। S.D.C. ৰ বিৰুদ্ধে কিবা অভিযোগ পালে তাৰ ব্যৱস্থা লোৱা হব।

Shri Atul Chandra Goswami : যি জন মণ্ডলে মানুহজন জীয়াই থাকোতেই মমতাজ দেৱানীৰ উত্তৰাধিকাৰী সূত্রে শ্রীদিলোৱাৰ হুছেইন শ্রীলোকমান হুছেইনৰ নামত নামজাৰি কৰিলে সেই শ্রীগুনমনি শৰ্ম্মা নামৰ মণ্ডল জনক Suspend কৰা কিয় নহল ?

Shri Mahendra Mohan Choudhury : এইটো মোৰ জনা নাই। মই ব্যক্তিগত ভাবে তদন্ত কৰি Record ত পাইছো যে মজিবুৰ ৰহমান নামৰ মণ্ডল জনেহে ওৱাৰিস সূত্রে Jalaluddin Ahmed ৰ নামত নামজাৰি কৰিছিল।

Shri Atul Chandra Goswami : মই এই Certified copy টো দিব পাৰো।

Shri Mohendra Mohan Choudhury : Certified copy টো দিলে মই তদন্ত কৰি চাব পাৰিম।

Shri Atul Chandra Goswami : আপুনি এইটো কৰ পৰা পাইছে ?

Shri Mohendra Mohon Choudhury : মই Record ৰ পৰা পাইছো।

Shri Atul Chandra Goswami : মই Certificate ৰ copy টো দিব পাৰিম। য'ত সকলো কথা পৰিষ্কাৰ হৈ আছে।

Shri Mahendra Mohan Choudhury : এইটো মই তদন্ত কৰি চাম। কথাটো হ'ল একচনা মাটিৰ চিঠা বিলাক সঘনে বদলি হৈ থাকে। সেই কাৰণেই এই বিলাক সমন্ধে পৰীক্ষাত যথেষ্ট অসুবিধা হয়। গতিকে মই এই বিষয়তো তদন্ত কৰি চাম।

## Re : Inspector of Schools, Nowgong

Shri Kehoram Hazarika asked :

*478. Will the Minister, Education be pleased to state—

(a) It is a fact that the Inspector of Schools, Nowgong circle was transferred twice but the order were stayed afterwards ?

(b) If so, why ?

Shri Joy Bhadra Hagjer ( Minister of Education ) replied :

478. (a)—The Inspector was transferred once only and the order was stayed.

(b)—The transfer order was stayed on the following grounds—

(1) The Officer was transferred just a year after his posting which is against normal policy of transfer of Government servants.

(2) The Officer just picked up the work and was managing efficiently.

(3) There was public representation against his transfer.

Shri Kehoram Hazarika : অধ্যক্ষ মহোদয়, এই পৰিদৰ্শকজনে স্কুল পৰিদৰ্শন কৰাতকৈ কিছুমান অপ্ৰয়োজনীয় প্ৰশাসনীয় কামত নিজকে ব্যস্ত ৰাখে। এই ৩ বছৰৰ কালছোৱাত এই Inspector জনে

কিছুমান স্কুল Inspection নকৰে এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

Shri Joy Bhadra Hagjer : স্কুলবিল্লাকৰ পৰিদৰ্শন বৰ ভাল ভাবে হোৱা নাই এইটো মই স্বীকাৰ কৰো ।

Shri Promode Chandra Gogoi : অধ্যক্ষ ডাঙৰীয়া মন্ত্ৰী ডাঙৰীয়াই কৈছে যে নগাৱৰ স্কুল Inspector জনক ৰাজহুৱা দৰ্খাস্তৰ কাৰণে তেখেতৰ বদলোৱাৰ হুকুমটো স্থগিত ৰখা হ'ল । এইটো কথা সঁচানে যে, এই Inspector জনৰ বিৰুদ্ধে ৰাইজৰ তৰফৰ পৰা কিছুমান অভিযোগ মন্ত্ৰীমহোদয় আৰু চৰকাৰলৈ দিছে এই কথা সঁচানে ?

Shri Joy Bhadra Hagjer : তেতিয়া নাছিল ইদানীং আহি আছে ।

Shri Maneswar Boro : এই দীপা ডেকা নামৰ stenogrpher ছোৱালীজনীক Driving শিকাবলৈ শিলঘাটলৈ লৈ যোৱাৰ কথাটো সিদিনা হাজৰীকাদেৱে সদনত কৈছিল । এইজন schools Inspector ৰে নেকি ? এই Inspector জনৰ ওপৰত allegation শ্ৰীমতী দীপা ডেকাই দিয়া দৰখাস্তখন শিক্ষামন্ত্ৰীয়ে পাইছেনে ? যদি পাইছে তেনেহলে তেওঁৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে ।

Shri Joy Bhadra Hagjer : Allegation পাইছিলো কিন্তু তদন্ত কৰাই কোনো প্ৰমাণ পোৱা নাই ।

Shri Dulal Chandra Barua : কাৰ হতুৱাই তদন্ত কৰাইছিল, এই তদন্তৰ Report সদনত দাখিল কৰিবনে ?

Shri Joy Bhadra Hagjer : এইটো ঠিকমতে তদন্ত কৰা হোৱা নাই । আচলতে মোক মাননীয় সদস্য পিতসীং কোঁৱৰে কলে যে It is all false. This is the remark of Mr. P. Konwar.

Shri Atul Chandra Goswami : এজন শিক্ষাবিভাগৰ উচ্চ পদস্থ কৰ্ম্মচাৰীৰ ওপৰত অনা অভিযোগৰ সম্পৰ্কত বিৰোধী পক্ষৰ M.L.A এজনে তদন্ত কৰিব পাৰে নেকি ?

( এটি স্বৰ : তদন্ত নহয় তেখেতে কৈছিল )

Shri Pitsing Konwar : এই বিষয়ত সঁচা মিছা মই একো নাজানো। গতিকে তদন্ত কৰিলেই ভাল হব।

Shri Sadhan Ranjan Sarkar : এই ছোৱালীজনীয়ে এটা Leave Vacancy ত চাকৰী কৰিছিল। কিন্তু আগৰ মানুহজনে Join কৰাত এই ছোৱালীজনীক চাকৰিৰপৰা খেদায় দিয়া হল। সেইটোকে কেচ দিছে।

Shri Joy Bhadra Hagjer : মই নিজে ভাবিছিলো সেইটো 'ফলচ' 'কেচ'।

Shri Dulal Chandra Barua : অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে মন্ত্ৰী মহোদয়ে কৈছিল যে তেখেতক শ্ৰীপিতসিং কোঁৱৰে কৈছিল বোলে All false কিন্তু এতিয়া পিতসিং কোঁৱৰে কৈছে যে তেখেতে সঁচা মিছা একো নাজানে তদন্ত কৰিলেই ভাল হয়। কিন্তু এইটো সঁচানে মিছা এই কথা আমি মানি লব নোৱাৰো। যদি এই কথা মিছা হয় তেনেহলে যিসকলে এই Allegation আনিছে তেখেতসকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লব লাগে—নহলে যদি সঁচা হয় তেনেহলে শিক্ষাবিভাগৰ এইধৰণৰ এজন উচ্চ পদস্থ বিষয়াই এইধৰণৰ কামকৰাত গুৰুত্বৰ শাস্তি দিব লাগে। এই কথাটো এটা High power committee ৰে তদন্ত কৰাব লাগে।

Shri Joy Bhadra Hagjer : I fully agree with the sentiment expressed by hon. member, Shri Barua. But who is to enquire ?

Shri Dulal Chandra Barua : Secretary, Education. He will be the fit man.

Shri Joy Bhadra Hagjer : All right, I agree.

M. Shamsul Huda : এই ঘটনাৰ লগত চেণ্ট্ৰল ইনটেলিজেন্সৰ এখন জাল চিঠি জড়িত আছে। সেই সম্পৰ্কে মই এটা Assembly ত প্ৰশ্ন দিছিলো। তাৰ উত্তৰত দিল্লীৰ পৰা সেই নামৰ মানুহ ইনটেলিজেন্স বিভাগত নাইবুলি কলে। গতিকে এই তদন্তৰ লগতে এই চিঠিখনৰো তদন্ত কৰিবনে ?

Shri Joy Bhadra Hagjer : মই চিঠিৰ কথা একো নাজানো।

## Re : Question Papers

M. Shamsul Huda asked :

*479. Will the Minister, education be pleased to state—

(a) Whether the Government have directed the Board of Secondary Education, Assam, to set question papers of the School Leaving Examination on all subjects in the State language and the respective regional languages ?

(b) If not, why ?

(c) Whether the High Schools and the Higher Secondary Schools also have been directed in the same manner ?

(d) If so, when the directives of the Government are expected to be implemented ?

Shri Joy Bhadra Hagjer ( Minister, Education ) replied :

479. (a) No.

(b)—Setting of question in School Leaving Examination in all the Regional Languages involves problems in conducting the examinations. Hence, English has been adopted in setting of question papers as a matter of expediency.

(c)—No.

(d)—Does not arise.

M, Shamsul Huda : মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে আমাৰ ৰাজ্যিক ভাষা অসমীয়া হোৱাত আমাৰ ইংৰাজী ভাষা লাহেং-লাহে বিদায় দিবলৈ ধৰিছে। আৰু সেই দৰে ইংৰাজী ভাষাৰ ওপৰত শিক্ষানুস্থান বিলাকত মনোযোগ কমি আহিছে। গতিকে চাত্ৰ ছাত্ৰীৰ সুবিধাৰ কাৰণে প্ৰশ্ন কাকত বিলাক যি ভাষাত উত্তৰ লিখা হয়—সেই ভাষাতে হব লাগে।

Shri Joy Bhadra Hagjer : আমাৰ অসমত ভাষা হৈছে ইংৰাজী, অসমীয়া, বঙ্গালী, হিন্দী, মনিপুৰি, খাচিয়া, আৰু নেপালী, মই নিজেই কৈছো যে যি ভাষাতে উত্তৰ লিখিব লগীয়া হয় সেই ভাষাতে প্ৰশ্ন কৰিব লাগে। এই কথা Board of Seconday Education লগত আলোচনা কৰোতে তেখেত সকলে কলে যে সেই দৰে কৰিবলৈ হলে পইছা বেচি খৰচ হব।

Shri Dulal Chandra Barua : চৰকাৰে যেতিয়া সকলো প্ৰয্যায়তে কাচাৰৰ কাৰণে বঙ্গালী কৰি অসমীয়া ভাষা হব লাগে। তেনেস্থলত খৰচৰ কথা নেভাবি প্ৰয়োজন অনুসৰি অসমীয়া বঙ্গালী আদি Regional Language ত প্ৰশ্ন কৰা ব্যৱস্থা কৰিবনে ?

Shri Joy B'adra Hagjer : মই নিজেই তাৰ পক্ষপাতি।

Shri Nakul Chandra Das : Secondary Education Board এ কেই বছৰ মানৰ আগতেই প্ৰস্তাব গ্ৰহণ কৰিছিল যে Matriculation লৈকে প্ৰশ্ন কাকত বিলাক Regional Lenguage ত হব লাগে। এতিয়া মন্ত্ৰী মহোদয়ে কৈছে যে পইচা বেচিকৈ খৰচ হোৱাৰ কাৰনেহে ইংৰাজীত প্ৰশ্ন কৰা হৈছে। কিন্তু তাৰ কাৰণে লাখ লাখ কন কন লৰা ছোৱালীয়ে ফেল কৰিব লগীয়া হৈছে। এই বিলাক কথা চৰকাৰে বিবেচনা নকৰেনে ?

Shri Joy Bhadra Hagjar : চৰকাৰে তাকেই ভাবে, কিন্তু Board ৰ ওপৰতহে এতিয়া কামটো চলি আছে।

Shri Atul Chandra Goswami : ছাৰ, ভৈয়ামৰ স্কুল বিলাকত অসমীয়াত হব লাগে ; কাৰণ ইংৰাজীৰ বাহিৰে বাকী সকলো বিলাক বিষয় অসমীয়া আৰু আন ঠাইত নিজৰ নিজৰ Regional Language ত পঢ়াইছে। তেওঁলোকৰ পৰীক্ষাৰ বাবে Secondary Education Board এ ফিজ লৈ থাকে। কিন্তু এতিয়া কোৱা হৈছে যে টকা-পইছাৰ কাৰণে আঞ্চলিক ভাষাত প্ৰশ্ন কটা হোৱা নাই। এইটো চৰকাৰে নিৰ্দ্দেশ দিবনে যে প্ৰশ্ন বিলাক যাতে আঞ্চলিক ভাষ'ত কটা হয়।

Shri Joy Bhadra Hagjer : Regional Language বুলিলে অসমীয়া বঙালী, মনিপুৰী আদি বিভিন্ন ভাষাত পঢ়াই থকা হৈছে।

Shri Atul Chandra Goswami : ভূগোল, বুৰঞ্জী, অঙ্ক আদি সকলো বিলাক বিষয় মাতৃ ভাষাত পঢ়োৱা হয়, কিন্তু প্ৰশ্ন কৰা হয় ইংৰাজীত। সেই কাৰণে যি যি ভাষাত পঢ়োৱা হয়, যেই সেই ভাষাত প্ৰশ্ন কাকত কৰিবৰ বাবে চৰকাৰে Board ক নিৰ্দ্দেশ দিবনে ?

Shri Jay Bhadra Hagjer : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত চৰকাৰৰ এক মত কিন্তু এতিয়া মই নিৰ্দ্দেশ দিব পাৰিম নে নাই সেইটো মই চাম।

Moulana Abdul Jalil Choudhury : Government এবং কোন নীতি বা সিদ্ধান্ত আছে নাকি যে আঞ্চলিক ভাষার উন্নতির হবে এই পভেচ্য। যদি সিদ্ধান্ত আছে তবে কোন Board এর জন্য অথবা আর্থিক অসুবিধার জন্য গভর্ণমেণ্টের নীতির পরিবর্ত্তনের Risul আছে কিনা ? যার ফলে সরকার বিচলিত বা ব্যর্থ ভাবে রাজ্য পরিচালনা করছেন ?

Shri Joy Bhadra Hagjer : আমি বলছিলাম আমরা একটা দেখে দেখব কারণ আমাদের ও সরকারের ইচ্ছা যে বিভিন্ন ভাষায় প্রশ্ন পত্র দেওয়া হয়। কারণ অনেক ছাত্র প্রশ্ন না বুঝার ফলে Fail করে।

Shri Dulal Chandra Barua : চাৰ, আমি আমাৰ তৰফৰপৰা কৈছোঁ যে চৰকাৰে Secondary Education Board ক নির্দ্দেশ দিব লাগে আৰু সেইমতে প্রশ্ন কাকত ছাপা কৰিবলৈ মন্ত্রী মহোদয়ে সন্দেহ প্রকাশ কৰিছে পাৰিমনে নোৱাৰিম ? কিন্তু আমাৰ এই বিষয়ে এখন Act আছে ; গতিকে সেই Act খনৰ provision লৈ চাই সেইমতে নির্দ্দেশ দিবনে ?

Shri Joy Bhadra Hagjer : মই উত্তৰ দিছোঁৱেই যে Act মতে আমি নির্দ্দেশ দিব পাৰিম নে নোৱাৰিম বিবেচনা কৰি চাম।

M. Shamsul Huda : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে নির্দ্দেশ দিয়া স্বত্বেও Board এ মনা নাই। সেইকাৰণে চৰকাৰৰ এই Instruction কার্য্যকৰী কৰিবলৈ আইন প্রণয়ন কৰিবনে ?

Shri Joy Bhadra Hagjer : চাৰ, আমি আইন তৈয়াৰ কৰিবলৈ ওলাইছোঁ। কিন্তু কেনেকুৱা আইন হব লাগিব সেইটো আমি ঠিক কৰা নাই। So that we have better control over the Secondary Board of Education and the Universities also.

## Re : Merit-cum-means Scholarships

M. Shamsul Huda asked :

*480. Will the Minister-in-charge of Education be pleased to state—

(a) Whether it is a fact that one Shri Abdul Quddus at present a student of the A.D.P. College, Nowgong who passed the H.S.L.C. Examination in the first division applied for a merit-cum-means scholarship ?

(b) The exact date of his application ?

(c) Whether he has been awarded the scholarship ?

(d) If not, why ?

Shri Joy Bhadra Hagjer (Minister, Education) replied :

480. (a)—Yes.

(b)—The application was received on 25th October 1968 in the office of the D.P.I.

(c)—No.

(d)—The application was incomplete and defective.

M. Shamsul Huda : অধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে কৈছে যে দৰ্খাস্তখন incomplet আৰু Defective হৈ আছিল ; এইটো কথা সঁচা। কিন্তু এই বিভাগে সংশোধন কৰি দিয়াৰ পাছতো ল'ৰাজনে Scholarship পোৱা নাই ; আৰু ল ৰাজনক দিয়াওহোৱা নাই, এইটো কথা সঁচানে ?

Shri Joy Bhadra Hagjer : আমাৰ information হৈছে যে correct কৰি দিয়া, সেইমতে correct কৰি দিয়া হ'ল ! কিন্তু correct কৰি দিয়াৰ পাছতো Defective আছিল ।

সঁচা কথা কবলৈ গলে তেওঁখতৰ লগত Discussion কৰিছিলোঁ আৰু আমি কৈছিলোঁ যে correct কৰি দিম ।

M. Shamsul Huda : অধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ৰ আলোচনাৰ পাছত দেখা গল যে অফিচৰ ভুল আৰু দোষত্ৰুটি বিলাক ঢাকিবৰ বাবে তেওঁলোকে বাৰম্বাৰ ভুল উলিয়াই থাকে আৰু Scholarship বন্ধ কৰে । কিন্তু অফিচৰ গাফলতীৰ কাৰণে এইদৰে বেমেজালি হৈছে এইকথা মন্ত্ৰীমহোদয়ে জানেনে ?

Shri Giasuddin Ahmed : The applications for scholarship are submitted through the Headmasters or the Principals and they scrutinise the applications and forward them to the higher authority with their recommendation, May I know whether that particular application was recommended by the Principal of the College ?

Shri Joy Bhadra Hagjer : প্ৰশ্ন হ'ল দুটা । Two questions are here. I said that the application was received but the fillingup of the application form was defective and I had a discussion with Mr. Huda: I told him that I would correct it if there was anything; something not unreasonable.

Shri Giasuddin Ahmed : Sir, my question has not been replied. My question was whether that application was recommended by the Principal.

Shri Joy Bhadra Hagjer : I donot know. It must have been recommended.

Shri Nakul Chandra Das : অধ্যক্ষ মহোদয়, এই Abdul Kuddish ৰ দৰে বহুতো Meritous আৰু চোকা ল'ৰা ক্ষেত্ৰত অলপ ভুল হৈছে বুলি কৈ কলেজীয়া জীৱন নষ্ট কৰাটো মন্ত্ৰীমহোদয়ে জানেনে ? আৰু তেনেকৈ অলপ ভুল হোৱাৰ কাৰণে এটা লৰাৰ বৃত্তি বন্ধ কৰাটো চৰকাৰৰে বিবেচনা কৰেণে ?

Shri Joy Bhadra Hagjer : এইটোৱেই হৈছে ডাঙৰ প্ৰশ্ন। কাৰণ National Scholarship বুলি কেন্দ্ৰীয় চৰকাৰে যিটো দিয়ে সেইটো Meritous Student কহে দিয়া হয় আৰু আমাৰ অসম চৰকাৰে যিটো Scholarship দিয়ে সেইটো income Bar ওপৰত নিভ'য় কৰি দিয়া হয়। কিন্তু কিছুমান ছাত্ৰই National Scholarship পোৱাৰ ওপৰিও State Scholarship বিচাৰে। এইটো কাৰণেই আমাৰ দিকদাৰ হৈ যায়। এই কাৰণেই আজি মই এখন চিঠি চহি কৰি দিছো-কেন্দ্ৰীয়-চৰকাৰলৈ যে non income barred Scholarship should not be given. এইটো Govt of India ই কৰি দিলে সকলো লেঠা শেষ হব।

M. Shamsul Huda : সেই ছাত্ৰজনৰ পাছত Scholarship দিয়া হলনে ? যদি দিছে, কেতিয়াৰপৰা দিয়া হৈছে ?

Shri Joy Bhadra Hagjer : এইটো মই পাছত খবৰ কৰি দিম।

### Re : Merit-cum-Means Scholarship

M. Shamsul Huda asked :

*481. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that one Shri Naim Uddin

Ahmed, a Post-Graduate Student of Gauhati University at present applied for a Merit-cum-Means Scholarship ?

(b) If so, the exact date of his application ?

(c) Whether he has been awarded the scholarship applied for ?

(d) If not, why ?

Shri Syed Ahmed Ali ( Minister of State, Education ) replied :

481. (a)—Yes.

(b)—Two applications were recivede in the office of the D.P.I. on 6th November 1968 and on 22nd November 1968.

(c)—No.

(d)—The applications were defective.

M. Shamsul Huda : দৰ্খাস্তখন কিহৰ কাৰণে reject কৰা হ'ল ?

Shri Syed Ahmed Ali : দৰ্খাস্তখনত necessary কিছুমান clause fill up কৰা হোৱা নাই। Evening shift বা Day shift বুলি কথা আছে। Evening shift ত ভৰ্ত্তি হলে Scholarship ৰ কাৰণে eligible নহয়। Rule মতে কলেজৰ Evening shift ত presumption কৰা হয় যে তেওঁলোক workers বা employee আৰু সেইকাৰণে তেওঁলোকে Scholarship নাপায়। এইটো এটা defective. আনহাতে guardian income দিয়া হোৱা নাই। এইবিলাক কিছুমান কথা।

M. Shamsul Huda : এইবিলাক কিছুমান কথা কিন্তু এই দৰ্খাস্তখনৰ ক্ষেত্ৰত কি আছে ? এই দৰ্খাস্তখন fillup কৰি পঠিওৱাৰ পিচতো কমেও ২৮ বাৰ অহাযোৱা কৰিছে আৰু প্ৰত্যেকবাৰতে মিছাকৈয়ে সংশোধন কৰি দিছে। Accounts অফিচাৰ J.C. Kar কও নিজে চাই দিছে তথাপি কিয় তেওঁক বঞ্চিত কৰা হ'ল ? অন্য উত্তৰ দিয়া কথাটো সঁচানে ?

Shri Syed Ahmed Ali : প্ৰথমে form খন fillup কৰা সময়ত degree ৰ Mark sheet খন attach কৰা নাছিল। Item 4 (a) ত occupation fillup কৰা নাছিল। দৰ্খাস্তখন পোৱা হৈছিল ২২ নবেম্বৰ তাৰিখে তেওঁ প্ৰথমে M.A 1st year ত পঢ়াবুলি allocation দিছিল কিন্তু L.L.B. 1st year ত পঢ়ে। গতিকে দুয়োটা একেলগে বিছাৰিলে নাপাব। M.A. 2nd year course আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত LL.B. 3rd year cours দ্বিতীয় বাৰ application পঠিওৱাতে প্ৰয়োজনীয় অনুপাতে form fillup কৰা নাছিল। সেইকাৰণে Scholarship দিয়া হোৱা নাই ?

Shri Sailen Medhi : যিবিলাক Scholarship form পঠিওৱা হয় সেইবিলাক concerning স্কুল বা কলেজৰ Head of the institution ৰ পৰা recommend হৈ আহে। এইক্ষেত্ৰত দেখিছো ভুলথকা স্বত্বেও recommend কৰি পঠিৱাই দিয়ে ফলত ছাত্ৰজন বিপদত পৰে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিব পাৰোনে যে প্ৰত্যেক rdacational Institution লৈ চৰকাৰে eircular দিয়ক যে form খন recommend কৰি পঠিওৱাৰ আগত সম্পূৰ্ণ শুদ্ধ হৈছে নে নাই, যদি হোৱা নাই তাতে শুদ্ধ কৰি পঠাব লাগে নহলে তাতে reject কৰিব লাগে।

Shri Syed Ahmed Ali : এনেকুৱা circular ৰ প্ৰয়োজন হোৱা নাই।

Shri Dulal Chandra Barua : এইটো কথা সত্য নেকি যে এই

বিভাগৰ কৰ্ম্মচাৰী কমহোৱা কাৰণে বহুতো application Scrutiny নকৰাকৈ reject কৰা হয় ? এই বিভাগত কৰ্ম্মচাৰী বঢ়াবৰ কাৰণে D.P.I. য়ে তাগিদা দি থকা স্বত্বেও চৰকাৰে ব্যবস্থা নোলোৱা কথাটো সত্য নেকি ?

**Shri Syed Ahmed Ali** : আমাৰ কৰ্ম্মচাৰী যি পৰিমাণে লাগে সেই পৰিমাণে কম। কিন্তু এই কথা সঁচা নহয় যে কৰ্ম্মচাৰীৰ অভাবত দৰ্খাষ্ট reject কৰা হৈছে।

**Shri Dulal Chandra Barua** : দৰ্খাষ্টবোৰ শেষমুহুৰ্ত্তলৈ দমদমহৈ পৰি থাকে আৰু প্ৰায়ে শেষত reject কৰি দিয়ে ?

**Shri Syed Ahmed Ali** : কথাটো সচা নহয়।

**Shri Dulal Chandra Barua** : মানুহ বঢ়োৱাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছে নে ?

**Shri Syed Ahmed Ali** : যত্ন কৰা হৈছে।

**Shri Kabir Chandra Ray Pradhani** : এই defect বিলাকৰ কাৰণে অকল ছাত্ৰজনেই দায়ী নে শিক্ষানুস্থানৰ মুৰব্বীজন দায়ী ? স্কুল বা কলেজ এখনত Principal আছে O/A আছে শুদ্ধ কৰি দিবলৈ ইয়াৰ কাৰণে চৰকাৰে কিবা instrruction দিয়াৰ ব্যৱস্থা কৰিবনে ?

**Shri Syed Ahmed Ali** : বিবেচনা কৰি চাম।

**M. Shamsul Huda** : এই কথাটো মন্ত্ৰীমহোদয়ৰ পৰা জানিব পাৰোনে যে নেইমউদ্দিন আহমেদ দুবাৰ দখাষ্ট fillup কৰিছিল। প্ৰথম-বাৰত অসম্পূৰ্ণ থকা কাৰণে অফিচে ঘুৰাই পঠালে। দ্বিতীয়বাৰ অফিচৰ পৰামৰ্শ মতে তেওঁ form fillup কৰিছে। গতিকে দ্বিতীয়বাৰ নাকচ কৰাৰ কাৰণ কি ?

Shri Syed Ahmed Ali : form খন মোৰ লগতে আছে । Item no 4 (a) second বাৰ fillup কৰা নাই । No column should be left unanswered other this the form is liable to the rejected, (8) Submission of 2 applications will entail lose of scholarships.

M. Shamsul Huda : চাকৰী নকৰিলে কেনেকৈ কৰা বুলি কব ।

Shri Syed Ahmed Ali : Evening Shift ত পঢ়াৰ occupation ৰ কথা জনাব লাগে ।

M. Shamsul Huda : দৰ্খাস্তখন কিবা ভুল থাকিলে শিক্ষানুষ্ঠানৰ লগত যোগাযোগ কৰিব লাগে সংশোধনৰ বাবে । সংশোধন নকৰাৰ বাবে ছাত্ৰজন দায়ীনে চৰকাৰ দায়ী ?

Shri Syed Ahmed Ali : দুয়োফালৰ দায়ীত্ব আছে ।

Shri Ataur Rahman : চৰকাৰে জনাবনে All are not kings in the land of Denmark, things are not pulling well.

Shri Syed Ahmed Ali : মই বৰুৱা ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰ দিছোয়েই ।

## Re : Scholarship

M. Shamsul Huda asked :

*482. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that one Shri Abdul Quddus has been reading in the 1st year Degree Class at the A.D.P. College, Nowgong ?

(b) Whether it is a fact that he passed the H.S.L.C.

Examination in Division I with a letter in the classical subject and passed the P.U. (A) in the Division II ?

(c) Whether it is a fact that he applied to the Government for a scholarship ?

(d) If so, when ?

(e) Whether he has been awarded any scholarship ?

(f) If not, why ?

Shri Syed Ahmed Ali (Minister of State, Education) replied :

482. (a)—Yes.

(b)—Yes.

(c)—Yes, he applied for scholarship during 1968-69 as a P.U. student and in 1969-70 as a 1st Year Degree Course student.

(d)—The application for Scholarship for 1969 70 was received in the office of the D.P.I. on 20th December 1969.

(e)—A Merit-cum-Means Scholarship was awarded in his 1st Year Degree Course in 1969-70.

(f)—Does not arise.

## Re : Free Education

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৪৮৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) এই বছৰ হাইস্কুল আৰু এম, ই. স্কুলবিলাকৰ ৪ৰ্থ মান শ্ৰেণীৰ ফিজ ৰেহাই দিওঁতে সমগ্ৰ অসমতে কিমান টকা দিবলগীয়া হ'ল ?

(খ) চৰকাৰে স্কুলবিলাকক সময়মতে খবৰ নিদিয়াত বহুতো স্কুলে এই টকাটো আনিব নোৱাৰা খবৰ চৰকাৰে পাইছে নে ?

শিক্ষা বিভাগৰ মন্ত্ৰী শ্ৰীজয়ভদ্ৰ হাগজেৰে উত্তৰ দিছে ঃ

৪৮৩। (ক)—প্ৰায় ২০'১২ লাখ টকা।

(খ)—তেনে খবৰ চৰকাৰে এতিয়ালৈকে পোৱা নাই

**Re : L. P. School taken over by Government.**

Mrs. Pranita Talukdar asked :

*484. Will the Minister, Education be pleased to state—

(a) The number of L. P. Schools in the Barpeta Subdivision ?

(b) The number of such Schools taken over by Government ?

c) What steps have been taken by the Government to take ovar a'l the other Venture L. P. Schools in the said Subdivision ?

Shri Syed Ahmed Ali (Minister of State for Education) replied ;

484. (a)—1,047.

(b)—51.

(c)—Deserving Venture Schools will be taken over gradually subject to availability of funds.

## Re : Scholarships

ডঃ ভুপেন হাজৰিকাই সুধিছে ঃ

*৪৮৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) যোৱা বাৰৰ বৃত্তি পৰীক্ষাত গুৱাহাটী চাৰ্কোলৰ এজন কম নম্বৰ পোৱা ছাত্ৰই বেছি নম্বৰ পোৱা ছাত্ৰীক দেও দি বৃত্তি পোৱাৰ কথাটো সঁচা নে আৰু ১৯৬৯ চনৰ এপ্ৰিল মাহত বিধান সভাত শ্ৰীলক্ষ্যধৰ চৌধুৰীদেৱে এই সংক্ৰান্তত সোধা কথাটো সঁচা নে?

(খ) ছাত্ৰীগৰাকীৰ নাম শ্ৰীমতী কস্তুৰী নিভা গগৈ হয় নে ?

(গ) লক্ষ্যধৰ চৌধুৰী দেৱৰ প্ৰশ্নৰ উত্তৰত ৰাজ্যিক শিক্ষামন্ত্ৰীয়ে সেই কথা সঁচা বুলি মানি বেচি নম্বৰ পোৱা ছাত্ৰী গৰাকীক (২য় স্থান অধিকৰা কৰা) ডেভেলপ্‌মেণ্ট স্কলাৰচিপৰ পৰা এটা বৃত্তি দিবলৈ স্থিৰ কৰিছে বুলি ৬.৪-১৯৬৯ ৰ 'দৈনিক অসমত' ওলোৱা বাতৰি সচা নে ?

(ঘ) যদি সঁচা, তেন্তে গুৱাহাটীৰ নিজৰাপাৰ স্কুলৰ শ্ৰীমতী কস্তুৰী নিভা গগৈক সেই প্ৰস্তাৱিত বৃত্তি দিয়া হলনে ?

(ঙ) যদি দিয়া নাই হোৱা ? কিয় হোৱা নাই ?

শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীচৈয়দ আহমদ আলিয়ে উত্তৰ দিছে ঃ

৪৮৫। (ক)—হয়, সঁচা।

(খ —নহয়।

(গ)—৬।৪।৬৯ তাৰিখৰ 'দৈনিক অসম'ত তেনে বাতৰি ওলোৱাৰ কথা

নাজানো। কিন্তু প্ৰত্যেক এছ, আই (S.I.) চাৰ্কোলত এজন ছাত্ৰ আৰু এগৰাকী ছাত্ৰীক বৃত্তি দিবলৈ লোৱা বৃত্তি ব'ৰ্ডৰ সিদ্ধান্ত-মতে গুৱাহাটী পূব চাৰ্কোলত প্ৰথম আৰু দ্বিতীয় দুয়োটা স্থান দুগৰাকী ছাত্ৰীয়েই পোৱাৰ হেতুকে দ্বিতীয় স্থান পোৱা ছাত্ৰী শ্ৰীমতী কল্পনা ডেকাক বৃত্তি দিব পৰা হোৱা নাছিল, কিন্তু বৃত্তি ব'ৰ্ডৰ চেয়াৰমেন্ স্কুলপৰিদৰ্শকৰ অনুমোদনক্ৰমে সেই ছাত্ৰীগৰাকীক এটা ডেভলেপমেন্ট্ (Development) বৃত্তি দিয়া হল।

(ঘ)—গুৱাহাটী নিজৰাপাৰ স্কুলৰ শ্ৰীমতী কস্তুৰী নিভা গগৈক কামৰূপ জিলাৰ স্কুল পৰিদৰ্শক মহোদয়ৰ ১২।৭।৬৯ তাৰিখৰ এ-৭/৪২/৬৬/ ১৯৩১২-৬১১ নং চিঠিৰ মৰ্ম্মে বৃত্তি দিয়া হৈছে।

(ঙ) - প্ৰশ্ন নুঠে।

## Re : Inspection of Uttar Salmara M.V. School

শ্ৰীশৰৎ চন্দ্ৰ ৰাভাই সুধিছে :

*৪৮৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে -

(ক) এইটো কথা সঁচা নে যে, বঙ্গাইগাওঁ চাৰ্কোলৰ সহকাৰী পৰিদৰ্শকে যোৱা ৫-১ ১৯৭০ ইং তাৰিখে উত্তৰ শালমৰা এম, ভি. স্কুল পৰিদৰ্শন কৰিছিল ?

(খ) যদি কৰিছিল, তেনেহলে তেওঁৰ পৰিদৰ্শনৰ নোটৰ উক্ত স্কুলৰ হেড্ পণ্ডিতৰ বিষয়ে গোৱালপাৰাৰ স্কুলসমূহৰ পৰিদৰ্শকলৈ কি কি দৃষ্টিগোচৰ কৰা হৈছিল, অনুগ্ৰহ কৰি জনাব নে ?

শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীচৈয়দ আহমদ আলিয়ে উত্তৰ দিছে :

৪৮৬। (ক)—হয়, সঁচা।

(খ)—পৰিদৰ্শনৰ টোকাৰ নকল এটা সদনৰ টেবুলত ৰখা হৈছে।

## Re : Officers in the Industries Department

Mrs. Pranita Talukdar asked :

*487. Will the Minister in-charge of Industries be pleased to state—

(a) How maney officers are there in Industries Department in Assam ?

(b) The pay scales of those Officers respectively ?

(c) Whether they have been able to give impetus for industrialisation in Assam ?

(d) Whether Government will appoint a commission to assess their works ?

(e) If so, when ?

Shri Biswadev Sarma (Minister Industries) replied :

487. (a)—There are 193 officers in the Industries Department as per Annexure 'A' enclosed herewith.

(b)—The pay scales are shown in the statement placed on the Table of the House.

(c)—Yes.

(d)—No.

(e)—Does not arise in view of (d) above.

## Re: Appointment of Operators in oil India Ltd.

শ্ৰীভদ্ৰ কান্ত গগৈয়ে সুধিছে :

*৪৮৮। মাননীয় শিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানত অলপতে সাতজন অপাৰেটৰ (operator) লোৱা সত্যনে ?

(খ যদি হয়, তেওঁলোকৰ নাম, ঠিকনা আৰু অৰ্হতা ?

শিল্প বিভাগৰ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্ম্মাই উত্তৰ দিছে :

৪৮৮। (ক)—হয়।

(খ)– নাম, ঠিকনা আৰু অৰ্হতাৰ বিষয়ে এখনি তালিকা সদনৰ টেবুলত ৰখা হৈছে ।

## Re: Allotment of quarters for low paid employees

শ্ৰীআজিজুৰ ৰহমান চৌধুৰীয়ে সুধিছে :

*৪৮৯। মাননীয় ভেটেৰিনাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কম বেতনৰ কৰ্ম্মচাৰীবোৰক যিমানদুৰ সম্ভৱ হয় ঘৰৰ ওচৰত চাকৰী দিয়াটো উচিত নহব জানো ?

(খ) এইটো সত্য নে, কামৰূপ জিলাৰ কেইজনমান ভেটেৰিনাৰী ফিলড এচিষ্টেণ্টক গোৱালপাৰা জিলালৈ Director য়ে বদলি কৰিছে ?

(গ) ভেটেৰিনাৰী ফিলড এচিষ্টেণ্ট কেইজনৰ বিৰুদ্ধে কোনো অভিযোগ নাই, এইটো সত্যনে ?

(ঘ) যদি অভিযোগ নাই, কিয় বদলি কৰিছে আৰু কি পদ্ধতিত কৰিছে ?

(ঙ) যদি অভিযোগ আছে, কি অভিযোগত এক জিলাৰ পৰা আন জিলালৈ বদলি কৰিছে ?

ভেটেৰিনাৰী বিভাগৰ মন্ত্ৰী শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামীয়ে উত্তৰ দিছে :

৪৮৯। (ক)- হয়, পাৰ্য্যমানে ঘৰৰ ওচৰতে ৰাখিবলৈ চেষ্টা কৰা হয়।

(খ)—হয়, গোৱালপাৰা জিলাৰ জনসাধাৰণৰ উপকাৰৰ কাৰণে কামৰূপ জিলাৰপৰা কেইজনমান ভেটেৰিনাৰী ফিলড এচিষ্টেণ্টক বদলি কৰা হৈছে।

(গ)—হয়।

(ঘ)—সৰ্ব্বসাধাৰণৰ উপকাৰৰ কাৰণে বদলী কৰা হৈছে। একে ঠাইতে তিনি বছৰৰ ওপৰকাল চাকৰী কৰি থকা লোকক আৱশ্যকমতে বদলি কৰা হয়।

(ঙ)—(খ) আৰু (ঘ) ত উত্তৰ দিয়া হৈছে।

## Re : Computor Machine

Dr. Surendra Nath Das asked :

*490. Will the Minister, Transport be pleased to state—

(a) Whether there is any agreement with the N. F. Railway authority for supplying works for the computor machine installed in their headquarter ?

(b) If so, the nature of agreement and works to be supplied to them ?

Shri Prabin Kumar Choudhury (Minister of State for Transport) replied :

490. (a)—No.

(b)—Does not arise,

**Re : Theft Case**

Shri Maneswar Boro asked :

*491, Will the Minister of Panchayat be pleased to state—

(a) Whether it is a fact that a senior Magistrate of Nalbari subdivision has enquired into theft case of Rs. 5,000 of Tamulpur Block and had taken statements from Shri Thaneswar Sarmah, Block Development Officer, two peons, senior Gram Sevak Shri Bhrigu Talukdar, Agriculture Extension Officer, Shri Golap Chandra Pathak and Cashier on 18th November, 1969 at Tamulpur Block ?

(b) If so, what is the report of the Magistrate on this case and the statements given by the said Officers ?

Shri Devendra Nath Hazarika (Minister of State, Panchayat) replied :

491. (a)—No Senior Magistrate of Nalbari Subdivision had enquired into the theft case of Rs. 5,000·00 of Tamulpur Block, but an E. A. C. of Nalbari Subdivision had enquired into the theft ease of Rs. 5,612·47 of Tamulpur Block in connection with the departmental proceedings against Shri Naziruddin Ahmed. the Cashier of Tamulpur Block, and had taken the statements on 18th November 1969 from the persons mentioned by the hon'ble member excepting Shri Golap Chandra Pathak, the Agricultural Extension Officer.

(b)—The report of the E. A. C., as the inquiring Officer had been submitted to the D. C., Kamrup District, together with the statements he took from the persons as mentioned in reply to (a)

Copies of these documents are placed on the Library Table.

Re: Allotment of Works to Contractors

Shri Dulal Chandra Barua asked:

*492. Will the Minister -in-charge of P.W.D. (R.& B.) be pleased to state—

(a) The names of the contractors who were given work orders for development of 37—National Highway and Dhodar Ali in Upper Assam Circle ?

(b) If so, what are the steps taken by the Government to protect the rights of the local abled contractors ?

Shri Altaf Hossain Mazumder (Minister of state, P W. D. (R and B.)] replied :

492. (a) -A statement is placed on the Library Table.

(b)—There is standing executive instructions already requiring all authorities connected with the settlement of contracts , etc., to promote specially the economic interests of weaker section of the people, and in particular of Scheduled Castes and the Scheduled Tribes by showing them all possible preference subject to the requirements of the public service and the needs of the administration. Further, in respect of comparatively small works requiring little technical skill, knowledge or equipments, instruction is there to consider the desirability of granting preference to such people of the locality of the work for whose obvious advantage the work is undertaken.

## Re: Representation to Minister of State, P.W.D.

Shri Promode Chandra Gogoi asked :

*493. Will the Minister, P.W.D. (R. & B) be pleased to state—

(a) Whether it is a fact that a representation signed by the M. L As of Nazira and Sibsagar Constituencies was submitted to the Mininster of State for P. W. D. to take over a portion of Bahgarh from Bar Ali to P. W. D. road near Dawki Ali by the Department directly ?

(b) If so, what actions have been taken by the Government to take over the "Bahgarh" by the P.W.D. directly ?

Shri Altaf Hossain Mazumder [Minister of State, P.W.D. (R. and B.)] replied :

493. (a)—Yes.

(b)—This is not a recommended Scheme during the Fourth Five Year Plan and as such there is no scope to accommodate the Scheme within the limit of funds.

### Re : Labourers for Road Repairs

শ্রী কবির চন্দ্র রয় প্রধানী জিজ্ঞাসা করিতেছেন ঃ

*৪৯৪। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহপূর্ব্বক জানাইবেন কি—

(ক) বিভাগীয় রাস্তা মেরামত করার জন্য স্থায়ী বা অস্থায়ী শ্রমিক আছে কি না ?

(খ) যদি আছে, তাহারা দৈনিক হাজিরা না মাসিক মাহিয়ানা পায় ?

(গ) দৈনিক হাজিরা বা মাসিক মাহিয়না কত পায় ? অদূরভবিষ্যতে বৃদ্ধিৰ সম্ভাবনা আছে কি ?

(ঘ) এই কথা সত্য যে, S.D.O. বা Road Moharrir দের অনুগ্রহের উপর তাহাদের প্রতি দিনের চাকুরী নির্ভর করে ?

(ঙ) এই কথা কি সত্য যে, সপ্তাহের ৭ দিন মাহিষানা পায় না ?

(চ) উপরোক্ত বিষয় নিয়া কি একটি তদন্ত কমিটি বা কমিশন গঠন করার ব্যৱস্থা করিবেন নাকি ?

Shri Altaf Hossain Mazumder [Minister of] State, P.W.D. (R. and B.)] replied :

494. (a)—Yes, M. R. labourers are employed by P. W. D. (R. and B.) on temporary basis for road repair works.

(b) & (c)—They receive daily wages at the rate of Rs. 3.25 for unskilled Labour and Rs. 4.00 for skilled labour. The Minimum Wages Advisory Board has recently recommended an increase of Re. 1 and Rs. 1.25 for unskilled and skilled laboures respectively and the matter is under consideration of the Government.

(d)—It is not correct.

(e)—The M. R. labourers receive wages for seven days of the week provided they perform 48 hours work.

(f)—Government do not consider it necessary to

investigate into the matter by an enquiry committee.

Re : Pucca Culvert over River Gangadhar

শ্রীকবির চন্দ্র রয় প্রধানী জিজ্ঞাসা কৰিতেছেন :

*৪৯৫। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহপূর্ব্বক জানাইবেন কি—

(ক) গোলক সমষ্টির মধ্যে গঙ্গাধর নদীৰ পাকা পুল N. H. ৰাস্তাৰ উপরে আজ পর্য্যন্ত হয় নাই কেন?

Shri Phani Bora : I think the mover of the motion can take 30 minutes. Anyway, I do not want to go into the details. But the creation of Bishnupur, Matinagar etc was really something which created some misunderstanding and bad relationship: I am not going into the details. But as I said, keeping of capital at Shillong helped, to some extent, in the process of disintrgration, in the process of creation of a bad relationship between the people of plains and the hills. Because after all some middle class people with Bourguois ideology become completely blind when they come to power. They think that 'we are in power, we can do this and that, we can distribute land as we desire'. Sir, this is the type of behavious of the bourguo is everywhere in the wolrd. Only difference is with the working class. When they come to power they behave in a different manner. When the Bourgouisc come to power they think that they can do whatever they like. Now, Sir, when this is the relation nobody should contrue that only because that separate

Sub-State or autonomus State has been created they should pack up. It is nothing of this sort; however we take that fact also into consideration. For example, I heard my hon'ble friend, the Deputy Speaker of the Lok Sabha, Prof. Swell, who is a great friend of mine, saying that 'we do not want to drive them from here, but they, out of their own volition will feel that they are in others peoples territory. After all, this place belongs to the hill brothers: of course, it is in Assam but that is a different thing.

Now Sir as you have already rung the bell, I shall be very brief.

Then, the third point which I want to emphasise is that we should not allow shifting of the capital in a piecemeal way, in an unorganised way. In the modern society to-day, everywhere in the world the big cities are planned and planned properly. Modern cities are the result of proper plan. Have we done it ? We have not done it. Shillong, which was a health resort has become a dirty town as any other place. Shillong is finished. I do not know how far this is going to be rebuilt as a health resort again. I hope our brothers in the Hills will do it.

I have said that a central place should be selected, should be decided. Our Chief Minister

the other day in reply to a question put by the Hon'ble Member Shri Dulal Chandra Barua said 'we are not thinking of shifting the capital but we have already shifted some offices'. I am deadly against this kind of thing. What are we going to do ? One office is shifted to Maligaon one office at Khanapara, another office at Rangiya, and another office somewhere at Rehabari and like that. There must be planned Capital. We are to shift the capital and we must select a place where a planned city will be built up. Where people can easily get the Ministers, where people can easily get the Secretaries, where people can easily get the Directorate, where our low-paid officers will have their quarters in one area, where the Secretaries will remain in one area. There will have to be a modern city and we are to select a place which will be suitable for eyerybody, which will be suitable for building up a capital as well as suitable for the people for easy access to the capital and from the economic point of view also we would gain. That is why I have put forward this resolution so that if we decide that the capital is to be shifted there should not be any ill feeling. It is only for the consideration of bringing the majority of the population nearer to the capital whereby much of our unnecessary expenditure will be curtailed. Wherby we can make arrange-

ment so that it becomes a modern city and where all the people all over the State can have things done easily. Here, I thought that if the separate Hill State was accepted and not opposed then the entire money for building up the capital could have been snatched away from the unwilling hands of the Central Government. Even today. Hariana has done it and I think if we can decide it we can press upon the Government of India that for building a modern and new capital the expense will have to be borne by the Government of India. And, so, let the financial and the political considerations not stand on the way for shifting of the capital. As we have already got the experience, political development has nothing to do with the shifting of capital. Therefore, I recommend this resolution to be adopted unanimously by the House so that within a very short time we can select a place and keep that place reserved and start building a new modern capital, I am very much opposed to the declaration that such and such place has been selected for a capital. There should not be any such declaration. Because, the speculators are there, the black money holders are there. Those who have got enough of black money will purchase the whole plot and then they will demand an exorbitant price they-will amass huge amount of money. Therefore, we

should select a place, reserve the whole land with special order so that nobody can enter there except the Government. No private parties will be allowed to enter there except the Government. This is very urgent, very essential for the Development of the State. And, with these words, Sir, I commend my resolution for the acceptance of the House.

*Shir Dulal Chandra Barua : Mr. Deputy Speaker, Sir, while supporting the resolution moved by Hon'ble friend, Shri Phani Bora I would like to submit a few things in support of my contention for shifting of the capital from Shillong to somewhere in the plains district. Sir, my friend, Shri Bora has rightly pointed out that we are not very much concerned about the political development in respect of shifting the capital but we are much concerned about the economy and efficiency of the administration. Sir, in the British time this place was selected by the Britishers by considering it a central place to control both the Surma Valley and the Brahmaputra Valley and at that time there was no democracy and they were not so much concerned about the democatic development of this State or of this region. They were concerned only to adopt a policy of divide and

*Speech not corrected

rule and therefore they wanted to keep themselves aloof from the people whom they were to rule. They came here to rule and they were not so much concerned about the economy and other benefits of this region. Sir, as we achieved independence there was partition of this country and a major portion of this area has been taken away by Pakistan which is now known as East Pakistan. Therefore, there is no point now in keeping this place as the capital of the State. Sir, I brought a resolution in the year 1967 and when this was put to vote we lost it. At that time the question of reorganisation was not there that did not take place. At that time our contention was that for administrative efficiency, the offices which are directly concerned with the majority of the population of the plains should be shifted in a phased manner and ultimately the entire capital should be shifted: But the other day our Chief Minister, in reply to my question, has defined the word, 'capital' and his definition was capital Shillong is the capital of Assam and that is why the Capital should be here in Shillong and the main point in his reply was about the Governor's House and some other factors were taken into consideration. My submission is that we should not take those factors into consideration. If the Government want the welfare of the State then they must

consider that the administrative machinery should be as close as possible to the general people for which administration is mean. If we allow bureaucracy to grow in this matter in the name of good administration I think proper justice will not be done to the people of the State.

Mr. Deputy Speaker : Order, order. The House stands adjourned till 2 P.M. today. Mr. Barua will speak.

Adjournment

The House then adjourned for lunch till 2 P. M.

(AFTER LUNCH)

Shri Dulal Chandra Barua : Mr. Deputy Speaker, Sir, I was dealing with the question as to the way in which the administration should associate itself with the common people. The administrative machinery should be placed in such a place that it should be closer to the people, and the peoples' participation in respect of the development schemes that have taken place are highly essential. But what we find by keeping the Capital in Shillong the major portion of the people are kept far away from the administration. The people do not know as to what is the intention of the administration and they do not know in what way the administrative machinery is functioning. Sir, I beg to submit that the feelings of the people living in the Plains are that it is an administration of bureaucracy. Sir, In no way it can serve the real purpose of the society and in no way it can serve the welfare of the people in general. Sir, you will find the difficulties of the common people; during the Assembly session,

we have got bitter experience when the people from different places and different constituencies they had to come here for getting their things done. Sir, if you examine you will find that all the hotels of Shillong are packed up. What is the reason ? Because red-tapism in the administration is increasing and increasing in such a way that nothing can go smoothly. Sir, these common people are to come here in Shillong by expending a huge expenditure for getting their things done, and many people come here during the session to get their things done through their representatives. Therefore it is to be carefully looked into. Sir, Government is advocating for the welfare State and so, they should act in such a way that the people can feel that the administration is meant for the welfare of the people. Apart from that, Sir, we have seen the evaluation and assessment that have been made from time to time by the government in respect of successful implementation of plans and programmes but we find that there is lack of peoples' participation in these things. That is why, many of our welfare schemes have become unsuccessful because the people are not briefed and they are not fully associated with plans and programmes and also because the administration is far away from them. Now, Sir, if the Capital is kept in Shillong, it will not serve the purpose of the common people.

The reorganisation has taken place. Last time when we brought this resolution for the shifting of the capital, the controversial matter of reorganisation was before us and the Chief Minister was justified in saying "we do not like

to create any bitter feeling by taking a decision about shifting of the capital" He said like this : ৰাজধানী স্থানান্তৰ ক্ষেত্ৰত আমি বিভেদ সৃষ্টি কৰিব নোখোজে; আমি বাস্তৱ দৃষ্টিৰ ভঙ্গীৰ ফালৰ পৰা কব খোজো; এনে মনোভাৱ আমি দেখুৱাব নোখোজো যে আমি পাহাৰী ভাই সকলৰ লগত মিলি-জুলি থাকিব নোৱাৰো। In that context he might have been correct, but the situation has completely changed now. Reorganisation has taken place and two districts have been carved out to form an nutonomous State. The Mizo Hills also has been given full autonomy to conduct their affa're. Therefore, there is no point is keeping the State capital here. Sir, I have always thought that instead of creating a State within a State, it is always better to create a seperate State with proper demarcation of the bounday. There is no ill-feeling in the minds of the common people of the hills and the plains; it is we, the politicians, who are creating it. Nevertheless, now that separation has taken place, we should avoid creating further bitterness. I, therefore, think that this is an opportune moment for shifting the capital from here. Apart from that, Sir, the cost of living index in Shillong is highest in Assam and Assam has the highest cost of living index in India. The Ministers, the Members and the highranking officers have got special facilities by way of housing accommodation, medical facilities, etc., and also club facilities for the high-ups.

They can enjoy themselves. But the capital is not meant for them only, it is for the benefit of all the people of the State, the low-paid Government servants and the cultivators in the rural areas. Here we find that while the Ministers, the Members and the I.A.S. and other high-ranking officers are enjoying special facilities, the low-paid third grade and fourth grade Government servants are living a very hard life. They have to pay exorbitant house-rent, have to go from shop to shop-for a morsel of food. I feel that this capital is meant only for the galaxy of I. A.S. and other top-ranking officers. I, therefore, submit, Sir, that for the betterment of the people in general, the capital should be shifted immediately from Shillong

Then, Sir, there is another aspect which should be taken into consideration. Every time the Government are coming up with a deficit budget. They are saying that strict economy should be observed in respect of expenditure. We find that in one year for up and the Ministers we are spending nearly Rs.54.2 lakhs as T.A. from Gauhati to Shillong and Rs. 68 lakhs for the I.A.S. and other officers, including the junior officials. This is a very costly affair. If we want to effect economy and if we do not want to make it a barbed-wire democracy- we have spent

so much for the fencing wall of the Secretariat and if we think that the capital should not be for the advan age of a few but for the people in general the capital should be immediately shifted from Shillong.

Then, Sir, there is another aspect. Now a days the capital should be linked with the rest of the country by all means of communication. It should have road link, rail link and air link. This is necessary from the strategic point of view also. Here we find the only link is a road link, Sir we find that capitals built recently have all kinds of communication link. For example Chandigarh, the contemplated capital of Haryana, etc. But in our State, we have only a tenuous link with the rest of India and only one road link between the capital and the rest of the State. From that point of view also it is necessary that Government should take immediate steps to shift the capital to a place where we can have adequate communication facilities. As my friend Mr, Bora stated, we should have taken advantage of the reorganisation issue to compel the Government of India to give us Funds for building a new capital. We have failed to do so, but these a should not be further delay. It is high time for the Government of Assam to think about the matter seriously. Complete shifting of capital will inevitably take some time. but we can take a decision now and implement it by stages. For selection of site, I submit,

there should be a committee of experts. From now onwards we have to plan in such a way that we can shift the capital in a phased manner. The present haphazard manner in which some offices are being shifted is no good. We are incurring heavy expenditure without corresponding benefit. I, therefore feel, Sir, that for the efficiency of administration, for economy and for the sake of that highly essential factor, the people's participation, Government should immediately decide to shift the capital and implement the scheme in a phaned manner. I, therefore, submit Sir, that the resolution which has been moved from this side of the House shonld be passed, so that we can convince the Government of India about the necessity for early shifting ot the capital.

With these few words, I support the resolution.

*M. Shamsul Huda : উপাধ্যক্ষ মহোদয়, ৰাজধানী শ্বিলংৰ পৰা স্থানান্তৰ কৰা প্ৰসঙ্গত মই এই বিষয়ে উত্থাপন কৰি কেইটামান কথা চমুকৈ কবলৈ ওলাইছো। আমাৰ দেশ স্বাধীন হোৱাৰ পিচৰে পৰা আমি গনতান্ত্ৰিক ভিত্তিত দেশ চলাবলৈ ললো কিন্তু কাৰ্য্য ক্ষেত্ৰত গনতান্ত্ৰিক নীতিৰ বিৰোধিতা কৰিহে আমি কাম কৰিছো। ৰাজ্যৰ প্ৰশাসনৰ ক্ষেত্ৰতো সেই একে কথা দেখা যায়। ইংৰাজৰ দিনত দেশৰ বিৰাট জনসাধাৰণ ৰাজধানীৰ পৰা আতৰত থকাই এই জনসাধাৰণৰ ওপৰত কঠোৰ শোষন নীতি চলাবলৈ সুবিধা পাইছিল বৃটিছ শাসক সকলে এতিয়া দেশ স্বাধীন হোৱাৰ পিচতো সেই নীতিকেই আমাৰ চৰকাৰে অনুসৰন কৰিছে ফলত অসমৰ ৰাজধানী প্ৰথাম চহৰখন অসমৰ জন সমুদ্ৰৰ মাজলৈ লৈ যাব পৰা নাই। আজি দেশৰ জনসাধাৰণৰ সৰহ ভাগেই দুখীয়া গতিকে এই জনসাধাৰণৰ লগত ৰাজধানী বা চৰকাৰৰ কথাৰ পৰা পোনপতিয়া ভাৱে সম্পৰ্ক স্থাপন কৰিব লাগে। কিন্তু আজি অসমৰ ৰাজধানী শ্বিলংত থকাই এই ৰাজধানীৰ লগত দুখীয়া জনসাধাৰণৰ প্ৰসাশনৰ ক্ষেত্ৰত

*Speech not corrected

কোনো সম্পৰ্ক নোহোৱা হৈছে আৰু জনসাধাৰণৰ কোনো দাবীকেই চৰকাৰৰ ওচৰত ডাঙি ধৰাটো টান হৈ পৰিছে। চৰকাৰে যিবিলাক নীতি কৰিছে সেইবিলাক প্ৰকৃত পক্ষে সাধাৰণ মানুহৰ কামত সমূলি অহা নাই। আজি দেশৰ দুখীয়া জনসাধাৰণে মন্ত্ৰী বা সদস্য সকলৰ লগত পোনপতিয়া ভাৱে কোনো যোগাযোগ ৰাখিব পৰা নাই। বহু সময়ত একোটা গুৰুত্বপূৰ্ণ সমস্যা লৈ শ্বিলংলৈ আহি ৰাইজে ১৫/২০ দিন মান থাকিও কোনো কাম আদায় কৰিব নোৱাৰে বৰং টকা পইছা অযথা খৰচ কৰি নানা ধৰণৰ কষ্ট ভুগিব লগিয়াত পৰে। আজি জনসাধাৰণৰ প্ৰকৃত সমস্যা সমাধানৰ কাৰণে চৰকাৰে চিন্তা কৰা নাই দেশৰ জনসাধাৰণৰ কল্যাণৰ কাৰণে শাসন চলোৱা নাই।

আজি জনসাধাৰণৰ গুৰুত্বপূৰ্ণ সমস্যা এটা নিজে ডাঙি ধৰিবলৈ কোনো উপায় নাই। তেওঁলোকৰ সমস্যা সমুহ পোনপতিয়া ভাৱে মন্ত্ৰী সকলক জনাব নোৱাৰে। জনসাধাৰণে পোনপতিয়া ভাৱে প্ৰশাসনত যোগাযোগ কৰিব নোৱাৰে। বহুতো সময়ত দেখিছো কিবা এটা কামৰ কাৰণে ছিলংলৈ আহি টকা পইছা খৰছ কৰি পুনৰ ঘুৰি যায় কিন্তু কাম নহয়। আৰু এই আটাইবোৰ অসুবিধাৰ সুযোগ লৈ চৰকাৰে দুৰ্নীতি চলাবলৈ সুবিধা পাইছে। কোনো চৰকাৰে জনসাধাৰণৰ পৰা আতৰি থাকি জনসাধাৰণৰ কল্যান মূলক কাম কৰিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, ছিলংত ৰাজধানী থকাৰ কাৰণে প্ৰায় ৩ কোটি টকা অতিৰিক্ত ভৰিব লগা হৈছে। ২০ বছৰত আমাৰ কমেও ৬০ কোটি টকা হ'ল হেতেন আৰু এই ৬০ কোটি টকাৰে আমাৰ নিচিনা দুখীয়া ৰাজ্য এখনৰ বহুত উন্নতি মূলক কাম কৰিব পাৰিলো হেতেন। এই ৩ কোটিৰ ভিতৰত বিধান সভাৰ সদস্য সকলৰ অতিৰিক্ত ভ্ৰমণ বানচ মন্ত্ৰীসকলৰ ভ্ৰমণ বানচ চৰকাৰী বিষয়া সকলৰ ভ্ৰমণ বানচ Hills allowance, winter allowance আদি আছে। গতিকে ইয়াৰ পৰা ৰাজধানীখন উঠি গলে এই আটাই খিনি খৰচ কমি যাব আৰু ইয়াত ৰাজধানী থাকিলে বছৰে বছৰে আমি ৩ কোটিকৈ বেছিকৈ টকা ভৰিব লাগিব। গতিকে অৰ্থনীতি ফালৰ পৰা আৰু জনসাধাৰণৰ ৰুচিৰ

ফালৰ পৰা ৰাজধানীখন তললৈ নমোৱা বাঞ্চনীয়। এতিয়া মেঘালয়ৰ সৃষ্টি হ'ল। তেওঁলোকক autonomy দিয়া হ'ল। আৰু দুয়ো খন ৰাজ্যৰে ৰাজধানী এই ছিলং। গতিকে এইখন এখন গুৰুত্বপূর্ণ ঠাই। এতিয়া ৰাজধানীৰ এই আলিবাট বোৰ অসম চৰকাৰেই কৰিব নে মেঘালয়েই কৰিব একো নিশ্চয়তা নোহোৱা হৈছে ফলত কাৰ্য্যক্ষেত্ৰত প্ৰশাসনত এটা খেলিমেলিৰ সৃষ্টি হৈছে। আনহাতে ইটোঘৰ মেঘালয়ক দিব লাগে সিটোঘৰ মেঘালয়ক দিব লাগে ইত্যাদিয়েও গোলমালৰ সৃষ্টি কৰিছে ফলত বহুতো ঘৰ আমি মেঘালয়ক দি আমি ভাৰাঘৰত থাকিব লগিয়া হৈছে। গতিকে অসমৰ ৰাজধানী ভৈয়ামলৈ গলে মেঘালয় চৰকাৰে এই ঘৰতে কাৰ্য্যক্ৰম চলাব পাৰিব। গতিকে মেঘালয়ে ইয়াত নতুন ঘৰ বান্ধি অযথা খৰচ কৰাতকৈ সেই খৰচেৰে আমি ভৈয়ামত ঘৰ সাজিব পাৰো। আজি যি দেখা গৈছে যধে মধে যিবোৰ অফিচ ইয়াৰ পৰা ভৈয়ামলৈ নমোৱা হৈছে সেই বিলাকত ঘৰ-বাৰী থকা মেলাৰ বন্ধ-বস্ত নোহোৱাৰ ফলত কৰ্ম্মচাৰী সকল অসুবিধাত পৰিছে আৰু লগে লগে অফিচৰ কামতো ব্যাঘাট জন্মিছে। গতিকে অফিচবোৰ যোৱাৰ লগে লগে কৰ্ম্মচাৰী সকলৰ থকামেলা বা নিজা অফিচৰ ঘৰবাৰীৰ প্ৰশ্নও আছে। মুঠ কথা আমি অতি সোনকালে ইয়াৰ পৰা ৰাজধানী নমাব লাগে তেতিয়াহলে জনসাধাৰণৰ স্বাৰ্থও পুৰণ হব আৰু অৰ্থও বাচিব। কিন্তু যধেমধে অফিচবোৰ তললৈ নমাই অযথা যি খৰচ কৰিলে তাৰ পৰা কি লাভ হৈছে বা এই খৰছ অসমৰ জনসাধাৰণে কি যুক্তিত মানি লব? এতিয়া আমি জানিবলৈ পাইছো যে Director অফিচ বিলাক গুৱাহাটীলৈ নমাই বাকীবোৰ ইয়াতে ৰাখিব। যদি এইটোৱেই হয় তেনে-হলে অসমৰ অৰ্থনৈতিক অৱস্থাৰ আৰু সঙ্কতজনক হব আৰু এটি আন্দোলনৰ সৃষ্টি হব। গতিকে আন্দোলনৰ আগতে ৰাজধানী স্থানান্তৰ কৰিব লাগে। ৰাজধানী ক'ত হব এই সম্পৰ্কে আমাৰ মাননীয় সদস্য শ্ৰীদুলালচন্দ্ৰ বৰুৱাই কোৱাৰ দৰে এখন কমিটি পাতি সিদ্ধান্ত কৰাত মই একমত। চৰকাৰে স্বীকাৰ নকৰিলেও ৰাজধানী স্থানান্তৰটো এটা political issue হৈ পৰিছে। ইয়াত কংগ্ৰেছৰ ভাৰসামত্য নিৰ্ভৰ কৰিছে।

মই কব বিচাৰিছো ৰাজধানী শ্বিলংত ৰখাৰ কোনো যুক্তি নাই। অবিলম্বে ৰাজধানী ভৈয়ামৰ কোনো ঠাইলৈ উঠাই নিব লাগে। কিন্তু সাবধানে কাম কৰিব লাগিব যাতে কেচু নোসোমায়। কিন্তু গুৱাহাটীয়ে হওক বা মঙ্গলদৈ হওক, নাইবা জখলাবন্ধাই হওক যিকোনো কেন্দ্ৰীয় ঠাই বিচাৰি ভৈয়ামলৈ ৰাজধানী উঠাই নিব লাগে। পৰিকল্পিত ভাৱে আচনি লৈ ৰাজধানীখন সুন্দৰ কৰিব লাগে। মই নমাই নিয়াৰ বিৰোধিতা নকৰো। ৰাজধানীৰ পৰা জনসাধাৰণৰ মনৰ আশা আকাংক্ষা পূৰণ হব লাগিব। এইটো প্ৰতিশ্ৰুতি মন্ত্ৰীসকলে আমাক দিব লাগে। এইটো কৰা নহলে গন আন্দোলনৰ সন্মুখীন হবলগীয়া হব। দেশৰ সমস্যা সমাধানৰ কাৰণে প্ৰকৃত পদ্ধতি গ্ৰহণ কৰিব লাগিব। তেতিয়া হলে পৰোক্ষভাৱে জনসাধাৰনো উপকৃত হব আৰু কৰ্ম্মসংস্থানো হব। গতিকে এনে কাৰ্য্যকৰী পদ্ধতি লবলৈ মই চৰকাৰক দাবী জনালো।

**Shri Soneswar Bora :** উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ মজিয়াত ৰাজধানী স্থানান্তৰ কৰাৰ প্ৰস্তাৱ কেইবাবাৰো আলোচনা কৰা হৈছে। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো বিবৃত্তি দিছিল সেইটো বৰ দুখ লগা। আমাৰ অসমীয়াত গীত এষাৰি আছে "এৰাওঁ এৰাওঁ বুলি এৰাব নোৱাৰো চেনাইৰ কুমলীয়া হাত"। ৰাজধানী স্থানান্তৰৰ ক্ষেত্ৰতো সেই কথাই হৈছে। স্বাধীনতাৰ পিচতে ৰাজধানী জনসাধাৰণৰ স্বাৰ্থলৈ চাই স্থানান্তৰ কৰিব লাগিছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিমতে অসম ইংৰাজৰ হাতলৈ আহিছিল আৰু তেতিয়াৰ পৰাই শ্বিলং অসমৰ ৰাজধানী হয়। ১৮৬০ চনত চেৰাপুঞ্জীৰ পৰা খাচীয়া পাহাৰক সদৰ ঠাই উঠাই আনি ইয়াত পতা হৈছিল। শ্ৰীহট্ট জিলাত অসমৰ লগত আছিল। ১৮৭৪ চনৰ বঙ্গ বিভাগ হয় আৰু ১৮৭৫ চনত শ্ৰীহট্ট বঙ্গৰ তলত আছিল। স্বাধীনতাৰ লগে লগে কাছাৰ জিলাৰ এটা অংশ শ্ৰীহট্ট জিলাৰ লগত মিলি গল। আকৌ নগা পাহাৰ আৰু নেফা অসমৰ পৰা আতৰি যোৱাৰ পিচত যিদিনা মেঘালয় অসমৰ মাজতে উপৰাজ্য হিচাবে প্ৰতিষ্ঠিত হোৱাৰ পিচত অসমৰ ৰাজধানী শ্বিলং থকাৰ কোনো যুক্তি

নাই। শদিয়াৰ পৰা ধুবুৰীলৈ ১৯৬১ চনৰ হিচাব মতে ব্ৰহ্মপুত্ৰ উপত্যকাত ৯২ লাখ লোকসংখ্যা। কাছাৰ জিলাত প্ৰায় ১৪ লাখ আৰু পৰ্ব্বতীয়া জিলাকেইখনত ১৩ লাখ। কামৰূপত প্ৰায় ২১ লাখ জনসংখ্যা।

গতিকে এই ভৈয়ামৰ জিলাসমূহৰ সুবিধাৰ্থে ভৈয়ামৰ কোনো কেন্দ্ৰীয় ঠাইত ৰাজধানী পাতিব লাগে। শিলঘাট নাইবা ওচৰে পাজৰে জখলাবন্ধা অসমৰ সোমাজ হয়। গতিকে এনে এখন মধ্য স্থানলৈ ৰাজধানী অতি সোনকালে উঠাই নিব লাগে। কিন্তু এটা কথাত আমি আচৰিত হৈছো যে মেঘালয় প্ৰতিস্থা কৰিবলৈ যাওঁতে কেন্দ্ৰীয় শাসন কৰ্ত্তা সকলৰ ওচৰত মুখ্য মন্ত্ৰীয়ে গোপনে এটা সন্মতি দি আহিছে যে ৰাজধানী স্থানান্তৰ নকৰে।

উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজধানী ছিলঙত ৰাখিবলৈ বহুতে হেপাঁহ কৰে। তাৰ বহুতো কাৰণ আছে। কিন্তু যিবিলাক কাৰণত জনসাধাৰণ হেজাৰ গুনে আঁতৰি থাকিব লগা হয় সেইবিলাক আমি জানি লব নোৱাৰো। এই সম্বন্ধে অসম বাতৰিত এটা প্ৰবন্ধ মই নিজে লিখিছো আজি পৃথিবীৰ সভ্য বুৰঞ্জীৰ লগত অসমক ৰিজাই চালে দেখা যায়, আহোম, টাই, চুটীয়া, মাঙ্গোলীয়া আদি সম্প্ৰদায়ৰ লোকসকলে সেই কালত নানা সুবিধা পাইছিল। কিন্তু আজি এই চৰকাৰৰ তলত তেওঁলোকে যি সুবিধা পাইছে সেয়া যথেষ্ঠ নহয়। সেই ফালৰ পৰা ৰাজধানী ব্ৰহ্মপুত্ৰৰ উপকুলত পাতি ব্ৰহ্মপুত্ৰৰ বুকুত যদি এখন দলং দিয়ে তেন্তে উত্তৰ দক্ষিন দুয়োপাৰ সংলগ্ন হব। আমি ৩ মে তাৰিখে এই সদনত বহি থকা অৱস্থাত যদি ৰাজধানী স্থানান্তৰৰ এটা সিদ্ধান্ত লব নোৱাৰো তেন্তে বুৰঞ্জীয়ে আমাক ক্ষমা নকৰে।

আমাৰ দলপতি ডাঙৰীয়াই ৰাজধানী স্থানান্তৰৰ বিষয়ে এটা যদি সুবিবেচনা কৰা সিদ্ধান্ত লয় তেন্তে অসমৰ কাৰণে এটা সুস্থিৰ চিন্তা কৰা হব।

এটা কথা হৈছে এইযে ৰাজধানী শ্বিলঙৰ পৰা তুলি নিয়াৰ এটা সিদ্ধান্ত লোৱা হওক, তাৰ পাছত ক'ত প্ৰতিস্থা কৰিব সেইটো দ্বিতীয় কথা হ'ব। এখন ৰাজধানী প্ৰতিস্থা কৰিবলৈ হলে শ্বিলঙত ভোগাৰ দৰে যাতে দুৰ্ভোগ ভোগ কৰা নহয় তাৰ বাবে এটা প্লেন কৰি ৰাজধানী পাতিব লাগে। ৰাজধানী পাতিবৰ হলে সকলো কথা চাব লাগিব অফিচবোৰ ক'ত হব, কৰ্ম্মচাৰী সকলক থাকিব ক'ত ইত্যাদি সকলোবিলাক চিন্তা কৰিব লাগিব। পূৰ্ব্বাঞ্চলৰ কথা লৈ দিল্লীৰ পাৰ্লিয়ামেণ্টত এটা প্ৰস্তাৱ পাছ হৈছে। সেইমতে আমি পূৰ্ব্বাঞ্চল ৰক্ষা কৰিব লাগে। ১৯৬২ চনৰ চীনা আক্ৰমণৰ পৰা চাব লাগিব চীনা কোন ফালৰ পৰা আহিছিল ?—চীনা ব'ম দিলাই দি আহিছিল। ভৱিষ্যতে ভাৰতবৰ্ষ ৰক্ষা কৰাৰ কথা ভাবি ৰাজধানী শ্বিলঙৰ পৰা নমাই কৌন খিনিত ৰাখিলে ৰক্ষা হব এই কথা চিন্তা কৰিব লাগিব। ডিব্ৰুগড়ৰ পৰা মিলিটাৰী বাহিনী বমদিলালৈ আনিব লগা হলে গুৱাহাটীৰ পৰা মোককচাঙলৈ অনা সম্ভৱ হয়নে নহয় ! ব্ৰহ্মপুত্ৰৰ ওপৰত দলং দি উত্তৰ অঞ্চল সংযোগ কৰি গুৱাহাটীৰ পাণ্ডুলৈ ব্ৰদগজ লাইন তৈয়াৰ কৰিব পাৰে। আৰু আন এটা কথা হৈছে গোৱাল-পাৰা জিলাক লৈ যিটো কথা আহিছে যোগীঘোপা ৰঙ্গীয়াত দলং দি উত্তৰ পাৰ আৰু দক্ষিনপাৰ সংযোগ কৰিব পাৰে।

আজি গুৱাহাটীত ৰাজধানী পতাৰ কথা লৈ যিটো প্ৰস্তাৱ উঠিছে সেইটো সমুলঞ্চে মই নাকচ কৰিছো। গুৱাহাটীলৈ ৰাজধানী নিয়াৰ পৰিবৰ্ত্তে যদি আজি দুই এটা অফিচ নিয়া হৈছে এই বিষয়ে কামৰূপৰ দুই এজন বন্ধুয়ে লগ ধৰি মোক কৈছে যে এইটো ভাল কথা হৈছে। গুৱাহাটী যে অসমৰ ৰাজনীতিৰ স্নায়ু কেন্দ্ৰ তাত মোৰ দ্বিমত নাই। আজি টাই মঙ্গোলিয়াৰ আন্দোলন হৈছে, পি, টি, চি, ৰ আন্দোলন হৈছে। এই আন্দোলন কেইটাৰ পৰা ৰাজধানী স্থানান্তৰ বিষয়ে চিন্তা কৰিব লাগিব। এইবিলাক কথা বিবেচনা কৰিলে দেখা যায় অসমৰ জনসাধাৰণে ৰাজধানী ভোগ কৰিবলৈ সুবিধা নাপায়।

শ্বিলঙত থকা ৰাজধানীৰ গাতে গয়না লৈ ৰাজধানী পাতিলৈ ললে এই বিদ্ৰোহ হবলৈকে বাধ্য ।

গুৱাহাটী লৈ দুই এটা অফিচ হোৱাটোত মই দোঘোৰ বিৰোধী কাৰণ অফিচ বোৰ যদি এঠাইত থাকে আৰু চেক্ৰেটৰীয়াট আৰু মন্ত্ৰী-সকল যদি আন ঠাইত থাকে তেন্তে দৰিদ্ৰ মানুহৰ বহুত অসুবিধা হব । ফাইল বিচাৰি অফিচে অফিচে ঘূৰি ফুৰোতে বহুত টেক্সীৰ ভাৰা লাগিব । গুৱাহাটীলৈ ৰাজধানী নিয়াতো হলে অসম ৰাজ্য বিভাজনৰ আন্দোলনে প্ৰকত ৰূপ ধাৰণ কৰিব । এই সম্বন্ধে বিৰোধিতা কৰিবলৈ মই নিজেই মূৰ ডাঙি উঠিম ।

নকৰা খিনিয়ে নকৰিব । অসমৰ ৰাজধানী পতাৰ ক্ষেত্ৰত আমি চাব লাগিব যাতে আজি এটা সময়ত ৰাজধানীৰ নিচিনা এটা বিষয়ত নিযুক্তিৰ মঞ্জুৰী কিমান আছে । মিজু জিলা, শিৱসাগৰ জিলা, নগাওঁ, দৰং এই চাৰিখন জিলাৰ একেবাৰে কেন্দ্ৰস্থল হৈছে জখলাবন্ধা উত্তৰ পাৰে দলং দিলে লক্ষীমপুৰ জিলাৰ দূৰত্ব কমি যাব । কাচাৰ জিলা মিকিৰ পাহাৰ জিলাৰ

**Shri Atul Chandra Gosawmi :** চাৰ ৰাজধানী স্থানান্তৰৰ নিচিনা এটা বিষয়ে আলোচনা হৈ থাকোতে মন্ত্ৰীসকলৰ বহুতে কথা পাতি কোঢাল কৰি আছে ।

**Shri Ratneswar Konwor :** বহুতো গুৰুত্বপূৰ্ণ বিষয় আমি আলোচনা কৰোতে আপোনালোকেও বিৰক্তি কৰিছে ।

**Shri Soneswar Bora :** উপাধ্যক্ষ মহোদয় বিধান সভাৰ এই গুৰুত্বপূৰ্ণ বিষয়টোত আমি সকলোৱে অংশ গ্ৰহণ কৰিব লাগে । আমাৰ নিজা নিজা মত ডাঙি ধৰাৰ অধিকাৰ আছে । ৰাজধানীকো কেন্দ্ৰ কৰি ভবিষ্যত অসমৰ ৰাজনৈতিক, সামাজিক সংস্কৃতিক আৰু কৃষিৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে মই যিদৰে ভাবিছো সেইদৰেই এই বিষয়টো

ডাঙি ধৰা হৈছে। এই প্ৰস্তাৱটো এই সদনতে গ্ৰহণ কৰি অসমৰ দেৰকোটি জনসাধাৰণক প্ৰসস্ত কৰাৰ কাৰণে সকলোৰে সমৰ্থন আহ্বান কৰি মই মোৰ বক্তব্য সামৰিলো।

Shri Giasuddin Ahmed : Mr. Deputy Speaker, Sir, the reasons for establishing the capital of Assam at Shillong were different at the time when the Britishers established the capital here. That may be due to the pleasant climatic condition and some other reasons. The reasons on which the Britishers established the capital here are not valid at the present moment. The situation has changed and we are in a completely different world today. During the British regime it was rather a bigger Assam. Manipur, Nagaland and the Mizo Hills which is in turmoil at present-this eastern part of India was to be necessirily under the administration of one Governor. Perhaps for this reason and for many other reasons, which I would not like to discuss in detail as my time woul permit me, the British Government establisded the capital here. But, Sir, after independence we have a democratic form of Government and ours is a sovereign democratic republic. So we have our own criterea to judge the suitability of a place as capital of a particular State. What should be the criterea for judging the suitability of a capital. Sir, democratic Government is by the people, it is for the people and it is of the people. So the seat of a democratic Government should be in the

midst of the people. These are the main considerations on which the suitability of a place as capital of the State should be decided. No doubt Shillong is the queen of hills ; this is a very beautiful place with pleasant climatic condition with beautiful pine wood, lake and beautiful flowers. It is the most suitable place for Omar Khayam or Romeo Juliet. It is the proper place for Omar Khayam to write "A jug of wine and aloaf of bread, and thou beside me singing in the wilderness, oh ! wilderness is paradise enough" This is a place for romance. In the midst of stern reality we should judge from the practical point of view. Sir, as I said the seat of a democratic Government should be in the midst of the people; the capital should be freely and easily accessible from all corners of the state.

Shri Lakshmi Prasad Goswami (Minister Agriculture) : I personally cannot conceive of a capital without romance.

Shri Giasuddin Ahmed : It should have communication from all sides; the capital should be situated in a comparatively secure place from the defence point of view also. Another thing is the cost of administration which should also be taken into consideration. Let us now discuss the points one by one. First, Shillong is not in the midst of the people. Before the re-organisation—before the State

of Meghalaya came into existence-there was some neccssity; of course, to keep the capital here because our hill brothers were also with us. Although we call it an autonomous State today, in the near future Meghalaya will be a separate fullfledged State.

Mr. Deputy Speaker : What about Mizo Hills ?

Shri Giasuddin Ahmed : I am coming to that point also, Sir. Although today there is no separate State for Mizo Hills and politically Mizo Hills is within Assam, the political solution of that disturbed area, I personally think, will be the formation of a separate State for them within the Union of India. I think that is only plausible solution. Let us now take into consideration the population.

Mr. Deputy Speaker : What about Cachar ?

Shri Giasuddin Ahmed : I am coming to that, Sir. If you give me some time I will be able to convince you. This Govrnment of Assam or the State of Assam is dealing with a population of 1,05,57.603 and at most all of them are living in the plains plus 279726 of Mikir & N. C. Hills plus 266063 of Mizo Hills, but mizo Hills is going to be separate sooner or later as I have already stated. So we are dealing with those population who are

living in the differnet districts of the plains, but our capital is situated at a distance of 63 miles from the people on whom this Government is running their administration. Nowhere in the world there is a single instance of a capital being at a distance of 63 miles from the people they administer.

For the sake of democracy and for the sake of the democratic rights of the people the capital should be shifted from Shillong to Gauhati. (Shri Biswadev Sarma : The hon. member has said that 'nowhere in the world the capital is situated at a distance of about 63 miles.' I could not understand what he wants to say) Mr. Deputy Speaker Sir, we can compare this Govt. of ours as a Govt. in exile like Mr. De 'Gualle's Govt. who was forced to go to London and set up his Govt. there during the Second World War.(Noise) The resolution is that it should be shifted to a centrally located place and on this there might be some controversy but I personally feel that it should be decided on merit of the case. It should be decided from the practical point of view from the geographical point of view, from the economic point of view and from the defence point of view and after taking all these points into consideration the place should be selected. I personally feel (Sir, that the capital should be shifted to Gauhati. (Applause) Sir, that is my personal opinion

but it is upto this August House to decide whether it should be shifted to Gauhati or not.

Now, I come to the next point. The point is that the capital should be freely and easily accssible to the people. Sir, what is the condition of Shillong. There is only one road to Gauhati and another road towards Silchar and other one is towards Sylhet in East Pakistan. I will come to this point afterwards. Now, these two roads are our life lines, God forbid if any country attacks us and cut off these two roads we will be nowhere. The capital is the nerve centre of administration and from the security point of view Shillong cannot remain as the Capital of Assam.

I come to the defence now. There is no air port and in case of an air attack by an enemy country what will happen Sir. Our major air port is situated in the plains. We are surrounded by so many hostile countries for example Pakistan is very near and if they fire a shot with a modern weapon say cannon it will hit Shillong. Sir, there is no Air port, no rail link. My friend Shri Barua has rightly ovserved that there is no reason to retain the capital here; we are really in heaven and far away from the people". Considering all these factors capftal should be shifted to the plains.

Now, I come to the point of feasibility, whether by considering the present financial condition of the Govt., the economic condition of the state it will be proper on the part of the Govt. to secure adequate finance for the shifting of the capital to a place in the plains.. From a recent estimate it was found that near about 20 crores will be requird for building up a capital. ( Noise ) May be a little more then that. ( interruption ). Then what should be the amount ? What will be the estimated eost for it ? Mr. Dupty Speaker Sir, whatever may be the amount if there is a will there is a way. Noth ng is impossible. I should tell the Govt. that impossible is a word found in the fools dictionary. ( Laughter ). We can arrange this amount by economising our expenditure and by taking grants from the Central Government. The Central Govt. has given 20 crores for capital for Hayayana. Why should we be deprived of such a grant from the Govt of India. At atleast half of the expenditure should be borne by the Govt. of India and we should try for that. Then again Sir, if a new capital is built up, a beautiful city like Chandrigarh or even more beauttful then that it will add to the natural beauty of Assam and I think that will be most attractive centre for the tourists from all over the world. Under the circumstances I support the resolution with an amendment, although I did not move any formal amendment but would like to tell the Govt. that let us be clear,

I let our plans be fixed right now and let us not dispute over the matter and create confusion, let us decide once for all that it should be shifted to Gauhati. Gauhati is already the second capital of Assam. Let us make it at most beautiful city in the world. Thank you Sir.

Shri Upendra Nath Sanatan : উপাধ্যক্ষ মহোদয়, মই ৰাজধানী স্থানান্তৰ কৰা সম্পৰ্কত দুষাৰ কথা চৰকাৰক অনুৰোধ কৰিব খুজিছো। যে ভবিষ্যতৰ কাৰণে এইটো কথা ভাবিবলৈ গলে আমি চৰকাৰক নিজে অনুৰোধ কৰিব লাগে। যিহেতুকে এটা ভৰালত দুটা ভাত থাকিব নোৱাৰে"। সেই কাৰণে এতিয়াই যদি মই চৰকাৰক কওঁ যে এইটো session ইয়াত বহিলেও ইয়াৰ পাছৰ session টো বহিব লাগিব; এইটো যদি জুৰ দি কওঁ তেতিয়াহলে চৰকাৰৰ ফলৱতী হব নে নহয় কব নোৱাৰো। কিন্তু আমি এইটো জানো যে আজি এটা এটাকৈ ইয়াৰ পৰা চৰকাৰৰ অফিচ গুৱাহাটীলৈ গৈ আছে। গতিকে গুৱাহাটীত capital হোৱাৰ সম্ভাৱনা মানুহৰ মনত থাকিবই। গতিকে আমি চৰকাৰক অনুৰোধ কৰিব লাগে যাতে লাহে ধীৰে অসমৰ ৰাজধানীখন ভৈয়ামলৈ লৈ যায় সেই বুলি আকৌ ডিব্ৰুগড়ত যেনেকৈ ১০ টা office অমুকত আৰু ১০টা office ভাড়াত সেইদৰে ৰাজধানী নিব লাগে সেইটো মই নকওঁ।

মই চৰকাৰক কওঁ যেনেকৈ Chandigarh ত ৰাজধানী নিৰ্ম্মান কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কোটি কোটি টকাৰ খৰচ বহন কৰিছিল ঠিক তেনেকৈ আমিয়ো কেন্দ্ৰীয় চৰকাৰক যোৰ দি ধৰিব লাগে যাতে ৰাজধানীৰ নিৰ্ম্মানৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে আমাক যথেষ্ট পৰিমাণে পুজি দিয়ে। গতিকে যতে ততে officeবোৰ উঠাই নিনি university নিচিনাকৈ office Bu lding বোৰ একেঠাইতে নিৰ্ম্মান কৰিব লাগে। আজি কেন্দ্ৰীয় চৰকাৰে যেতিয়া Chandigarh নিৰ্ম্মানৰ কাৰণে টকা দিব পাৰে আমাৰ কাৰণে কিয় দিব

নোৱাৰিব ! কাৰণ অসম Chandigarh ত কৈ কোনো গুনে পিছ-পৰা নহয় আজি আমাৰ Digboi ৰ পৰা বাৰাউনী লৈ তেল গৈছে আৰু আমাৰ অসমৰ চাহ বাগিছাৰ চাহপাত আজি বিলাতত গৈছে, অসমৰ তেল আৰু কয়লাই ভাৰতক চহকী কৰিছে । গতিকে ৰাজধানী স্থানান্তৰ কৰাত মোৰ দিমত আছে সেইটো নহয়। কিন্তু দৌৰা দৌৰি কৰাৰ কোনো প্ৰয়োজন নাই। ভালদৰে plane কৰি কোন ঠাইত পাতিলে অসমৰ ইমুৰৰ পৰা সিমূৰলৈ সকলোৰে সুবিধা হব এখন সুচাম ঠাই বাহিৰ কৰি পাতিব লাগে । এই বিষয়ে দকৈ চিন্তা কৰিব লাগে দৰকাৰ হলে কিছুমান টকা খৰচ কৰি হলেও এটা কমিটি গঠন কৰিব লাগে যি কমিটিয়ে এই বিষয়ে ভালদৰে অনুসন্ধান কৰি কোন ঠাইত পাতিব লাগে সেই বিষয়ে নিৰ্দ্দেশ দিব।

এতিয়া আমাৰ এনে কিছুমান ঠাই আছে য'ত ৰাজধানী পাতিবলৈ ভাল কিন্তু তাত আকৌ communication ৰ সুবিধা নাই, হয়টো বিৰাট জঙ্গল চাফা কৰিব লাগিব আকৌ কোনো কোনো ঠাইত দলং নিৰ্ম্মান কৰিব লাগিব ।

তাৰ পাচত আমাৰ দেশখনৰ চাৰিওফালে শত্ৰু ৰাজ্যৰে পৰি-ৰেষ্টিত হৈ আছে এনে অৱস্থাত এনে এখন ঠাইত ৰাজধানী খন দিৰ্ম্মান কৰিব লাগে য'ৰ পৰা থিয় হৈ ৰাজ্যখনৰ সকলো ফাললৈ দৃষ্টি দিব পাৰি আৰু control কৰিব পাৰি ।

(এটি স্বৰ : থিয় হৈ control কৰাৰ কথা কি কৈছে বুজা নাই !)

ওখ জাগা চাই তাত পাতিব লাগে। থিয় হৈ থকা মানে কিবা এটা বস্তু চাব লগিয়া হলে ওখ জাগাত থিয় হৈ চায় আজি চৰকাৰেও থিয় হৈ চাব ।

**Dr. Bhupen Hazrika:** Idle tower ৰ পৰা Degaulle য়ে চাই থকাৰ নিচিনাকৈ নেকি ?

Shri Upendra Nath Sanatan ঃ কিন্তু এটা কথাৰ ওপৰত বেচিকৈ নজৰ দিব লাগে সেইটো হল যে অহা ডিচেম্বৰৰ ভিতৰত ৰাজধানী নিব লাগে সেইটো কোৱা বৰ দিগদাৰ। সেইকাৰণে মই অনুৰোধ কৰিছো এটা কমিটি গঠন কৰি লৈ ভালদৰে plane কৰি কেন্দ্ৰীয় চৰকাৰ পৰা টকা আনিব লাগে আৰু এই টকাটো House ত পাচ কৰিব লাগে।

Shri Surendra Nath Das : অসমৰ ৰাজধানী স্থানান্তৰৰ প্ৰশ্নটো লৈ সদনত যি আলোচনা হৈছে আৰু মাননীয় সদস্য সকলে এই বিষয়ত বিভিন্ন মতেৰে যি আলোচনা কৰিছে আজি সকলোৰে অন্তৰত সোমাইছে যে ৰাজধানী স্থানান্তৰীত হব লাগে কিন্তু কোন ঠাইত হব লাগে, এই বিষয়ে এইটো কথা ঠিক যে আজি মাননীয় সদস্যৰ বহুতে অমত আলোচনা হৈছে। গতিকে দেখা যায় স্থান নিৰ্ব্বাচনত আমাৰ সদস্য সকল অমত আছে আৰু এই সংক্ৰান্তত কোনেও শেষ সীদ্ধান্তত উপনীত হব পৰা নাই। কাজেই আমাৰ অন্তৰত স্থিতিশীল অৱস্থা আহি পৰা নাই অথচ এনেকুৱা এটা বিৰাট প্ৰশ্ন! এইটো এটা Electrification কৰা বা Light দিয়াৰ কথা নহয়, ই সমগ্ৰ অসম বাসীৰ স্বাৰ্থৰ লগত ওতঃ প্ৰোত্ত ভাৱে জড়ীত ।

(এটি স্বৰ ঃ আমাৰ ফালৰ ঠাই বা স্থানৰ প্ৰশ্ন অহা নাই কেৱল ৰাজধানী স্থানান্তৰৰ প্ৰশ্ন হে আহিছে।)

Shri Mahendra Mohan Choudhury : মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বড়া ডাঙৰীয়াই কৈছে যে গুৱাহাটিত ৰাজধানী হলে গণ্ডগোল হব আন্দোলন হব আৰু সেই আন্দোলনত তেখেতে নেতৃত্ব কৰিব।

Shri Surendra Nath Das ঃ এই যে কৈছে বিৰাট আন্দোলন হব, এইটো হব নালাগে। যুগ যুগান্তৰ ধৰি বৃটিছ সাম্ৰাজ্যৰ দিনৰে পৰা আজি ২০ বছৰ আগৰে পৰাই এটা বিৰাট প্ৰশ্ন হৈছে এই বিষয়ে এটা সুচিন্তিত আঁচনি লৈ পৰিপাতিকৈ ক'ত ৰাজধানী হব সেই বিষয়ে

Expert সকলৰ এটা মতামত বা opinion লব লাগে । Expert সকলৰ যোগেদিহে ঠাই বিচাৰি উলিয়াব পৰা হব। গতিকে চৰকাৰক এই বিষয়ে দকৈ চিন্তা কৰিবলৈ অনুৰোধ জনাইছো আৰু ভাৰত চৰকাৰক জমীৰ কাৰণে যোৰ দি ধৰিব লাগে যাতে ৰাজধানী নিৰ্ম্মানৰ যি খৰচ পৰিব সেই খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰে। এতিয়া ঠাইৰ সীদ্ধান্ত নোহোৱা পৰ্যন্ত আমি হেতা ওপৰা কৰাটো ঠিক নহব কাৰণ এইদৰে আঁচনি ললে কেতিয়াও আমাৰ উদ্দেশ্য প্ৰতিফলিত নহব। এইটো কেন্দ্ৰীয় চৰকাৰেও উপলব্ধি কৰিব লাগিব !

আমাৰ বান নিয়ন্ত্ৰন অফিচ স্থানান্তৰ হ'ল আৰু যিবিলাক জনসম্পৰ্কীয় অফিচ যেনে : পঞ্চায়ত ৰাজ, বয়নশিল্প, বন বিভাগ. উদ্যোগ সমাজ কল্যান ইত্যাদি অফিচ জনসাধাৰণৰ সুবিধাৰ্থে ভৈয়ামলৈ নমাবলৈ চৰকাৰক অনুৰোধ কৰিলো। এই খিনিতে আমাৰ মাননীয় সদস্য সকলৰ যি আন্তৰিক খেলি মেলি তাক একত্ৰিত হলে আটায়ে লাভবান হব।

Shri Lakshadhar Choudhury : উপাধ্যক্ষ মহোদয়, আজি সদনত ৰাজধানী ভৈয়ামলৈ স্থানান্তৰৰ যিটো প্ৰস্তাৱ আহিছে তাক সৰ্ব্বান্ত কৰণেৰে সমৰ্থন জনাইছো। সমৰ্থন জনোৱাৰ কাৰণ সমূহ এটা এটাকৈ কৈ যাম।

মেঘালয় গঠন হোৱাৰ সময়ত re-organisation বিল সম্পৰ্কে আলোচনা হওতে মোৰ মনত আছে psycological moment ৰ কথা কৈছিল। মই চুড়ামনি দৈবজ্ঞ নহও গতিকে কব নোৱাৰো এই psycological moment কেতিয়া আহে। তেখেতেহে কৰ পাৰিব। আমাৰ দেশ খন লাচিতৰ দেশলৈ যোৱাৰ উপক্ৰম হৈছে।

আমি এতিয়া দেখিবলৈ পাইছো যে আমাৰ চৰকাৰে ইয়াত যেনেকৈ খামুচ মাৰি ধৰিছে আৰু আলহীৰ যিটো অবাধ গতি হৈছে গৃহস্থই বিদায় দিয়া তুৱৰ কথা গৃহস্থক হে গলত ধৰি বাহিৰ কৰি

দিব যেন পাইছো। এতিয়া আমি মেঘালয়ৰ আলহী কিন্তু আগতে মেঘালয় আমাৰ আলহী আছিল। গতিকে মেঘালয় পূৰ্ণ গঠন হোৱাৰ পিছত তেওঁলোকৰ মঙ্গল কামনা কৰি আমি সসন্মানে বিদায় লোৱা উচিত। অৱশ্যে plain লৈ গৈ কত পাতিব লাগে সেই সম্পৰ্কে নকওঁ। গুৱাহাটীত পাতক বা অন্য ঠাইত পাতক তাত মোৰ আপত্তি নাই কিন্তু কৃষি বিভাগ কামপুৰত হব লাগে, বনবিভাগ গুৱাহাটীত হব লাগে বুলি কলে তাত নিশ্চয় আপত্তি আছে।

Shri Mahendra Mohan Choudhury ঃ সেইটো হোৱা নাই চাৰ, ইয়াৰ পৰা Flood control ৰ অফিচটো যোৱাত এতিয়া বামুনিমৈদামত আছে আৰু ঘৰ নহোৱা পৰ্য্যন্ত সদ্যহতে ভাৰা ঘৰতে ৰখা হব। আৰু Staff ৰ থকা মেলাৰ বন্দবস্তৰো ব্যৱস্থা গ্ৰহন কৰা হৈছে।

Shri Lakshyadhar Choudhury : আমাৰ কিছুমানে কৈছে যে গুৱাহাটীত হব লাগে মই কিন্তু গুৱাহাটীত হব বুলি নকওঁ। য'তেই নাপাতক ৰাইজৰ সুবিধাৰ্থে পাতিব লাগে। আপোনালোকে ডিব্ৰুগড়ত পাতক মোৰ তাত শহুৰৰ ঘৰ আছে, গোলাঘাটত পাতক তাত মোৰ মোমাইৰ ঘৰ আছে, নগাওঁত পাতিলে তাতো মোৰ সম্বন্ধীয় দাদা আছে গুৱাহাটীতটো ঘৰেই সংস্কৃতিৰ ফালৰ পৰা পৰ্ব্বতীয়া জিলা কেইখনৰ পৰা ভৈয়ামৰ জিলা কেইখন আতৰি আছে বুলি ভাবে যদি ডিফুত পাতক। তাত মোৰ তাৱি জোৱাইৰ ঘৰ আছে। মুঠতে ৰাজধানী খন ভৈয়ামলৈ নমাওক। সেই কাৰণে মই কৈছো যে অ'ত এটা ত'ত এটা অফিচ নাপাতি একেলগে যাওঁক এতিয়া চাওঁক tax বিভাগৰ অফিচটো হঠাতে ইয়াৰ পৰা যাব লগীয়া হোৱাত গুৱাহাটীত ডাঙৰ কেইজনৰ অসুবিধা হোৱা নাই, যিসকল সাধাৰণ বিষয়া তেওঁলোকৰ হে মৰন। আমাৰ tax বিভাগৰ asst এজন বয়সস্থ মানুহ তেওঁ ঘৰ নাপায় মেচ এটাত আছে, ছাত্ৰ কেইজন মানৰ লগত। মোক সিদিনা লগ পায় কলে যে গুৱাহাটীত ঘৰ পোৱাটো বৰ অসুবিধা বৰ কষ্ট কৰি মেচত আছো। গতিকে এই কিছুমান

অসুবিধাৰ কথাওঁ চিন্তা কৰিব লাগিব। অফিচ কেইটা হঠাৎ তললৈ নমাই সাধাৰণ বিষয়া বিলাকৰ অসুবিধাত পেলোৱাৰ বাহিৰে একো হোৱা নাই। গতিকে ৰাজধানী খন বা অফিচ নমোৱাৰ লগে লগে কৰ্ম্মচাৰী সকলৰ থকা মেলাৰ সুবিধাটো চাব লাগিব। কথা হ'ল এই আওহতীয়া ঠাইৰ পৰা নমাওঁক—সিদিনা মোৰ সমষ্টিৰ দুজন মানুহ আৰু Tribal affairs মন্ত্ৰীক লগ কৰিবলৈ আহিল। অহাতেই দুদিন লাগিল। আহি মোক লগ কৰাত সুধিলে অভিজ্ঞতাৰ কথা—কলে "আকৌ ধৰবাই পাৰা নাইদক"। Common people কথাই নাই ৬৩ মাইল গুৱাহাটীৰ পৰা আহি এজন বিষয়াই তেওঁ ধৈৰ্য্য নাথাকে কিবা কাম কৰিবলৈ। গতিকে psychological moment পৰিহাৰ কৰি সোনকালে ৰাজধানী নমাওঁক পইছাও বাচিব শক্তিও বাচিব আৰামো হব। কিন্তু যধে মধে যতে ততে ও পাতিব নালাগে আমাৰ চৈয়দ চাহাৰে D. I. অফিচটো গুৱাহাটীত য'ত পাতিলে তাত এন্দুৰও সোমাব নোৱাৰে, যাবলৈ ৰাস্তা নাই, যান বাহনৰ সুবিধাৰ কথা বেলেগ। ৰাজধানী যতেই নাপাতক আপত্তি নাই কিন্তু অহা অধিবেশনটো ... ... ... ... ... ...

গতিকে আমাৰ ভুপেনে Rehearsal কৰাৰ নিচিনাকৈ আমিও winter session টো যি কোনো এঠাইত পাতি চাব পাৰো। তাতনো অফিচাৰ সকলৰ বা আমাৰ কেনে অভিজ্ঞতা হয় চাব পাৰো। গতিকে তেনেকুৱা এটা ব্যৱস্থা কৰক। বন্ধু সোনেশ্বৰ বৰা ডাঙৰীয়াই শিলঘাটৰ কথা কৈছে; তাত হলেও মোৰ কোনো আপত্তি নাই। এটা কথা চাব লাগিব। যাতে খৰচ কম হয়। অলপ standerd থকা ঘৰ সজালেই হব। ডাঙৰ ঘৰ নালাগে। আমাৰ উদ্যোগ মন্ত্ৰীৰ আকৌ যিহে ঘৰ, দুৱাৰ খিৰিকি বোৰ কোনে মাৰে বাৰু? আমাৰ এখন দুৱাৰ তাতে বুঢ়া-বুঢ়ীৰ মাজত দন্দ লাগে। ইয়াত প্ৰভাত নাৰায়ন চৌধুৰী ডাঙৰীয়াইও দুৱাৰ খোলে।

গতিকে অসমৰ প্ৰাচীন কীৰ্ত্তিৰে ভৰা প্ৰাগজ্যোতিষপুৰতে কম টকা খৰচ কৰি ৰিহাচল কৰি চাব পাৰো। ইয়াকে কৈ মই প্ৰস্তাৱটো সমৰ্থন কৰিলো।

**Shri Rothingdra Nath Sen :** অধক্ষ্য মহোদয় রাজধানী স্থানান্তর প্রসংঙ্গে বিশেষ কিছু বলার আছে বলে মনে করি না। আসাম রাজ্য সরকারের জনসাধারনের প্রতি কর্ত্তব্য ও সহযোগিতা কথা করতে হলে তাৰ এই বাষ্ট সামান্য বাধার বিনিময়েও সমাধা করবেন। গনতান্ত্রিক দেশে গণতন্ত্রের প্রাথমিক কর্ত্তব্যই হনো জনসাধারনের সংঙ্গে সংযোগ রক্ষা করা। তার মধ্যে কোন রাজনৈতিকে ষড়যন্ত্র বা অভিসন্ধি থাকা উচিৎনা। কিছু আমি দুখের সংগে বলিতে বাধ্য হচ্ছি যে বর্ত্তমান গাদীতে অধিষ্ঠিও রাজ্য সরকার নিজদের কর্ত্তব্য পালনে অক্ষম বা বিমুখ। তাৰ সুযোগ পেলেই জনসাধারনের সংগে দঠ করিতায় লিপ্ত হন। আর এই হঠ কবিনীতিয় এবং শাসনের ফলেই আজ মেঘালয়া নামে একটি শ্বায়ত্ব শাসিত রাজ্যের উদ্ভব হয়েছে। তাই আমি আশা করিনা যে শ্বিলং সহর দুটী ৰাজ্যের রাজধানী হনেই চিরদিন থাকবে বা থাকতে পারবে। তাই আমি মনে কৰি অযথা দেরী না করে। দুই রাজ্যর মধ্যে অযথা মনোমালিন্য সৃষ্টি না করে সময় থাকতেই নিজেদের রাজধানী আসামের প্রদেশের যে কোন একটি উপযুক্ত জায়গায় স্থানান্তরিত করা উচিৎ। অর্থ সাহায্যর জন্য আসাম সরকার কেন্দ্রীয় সরকারের কাছে চাপ দিয়ে অর্থ আদায় করতে হবে। সরকারের কর্ত্তব্য রাজধানী জনসাধারনের মনোমত জায়গায় নিয়ে জনসাধারনের সংগে আত্ম সহযোগীতা করা সামান্য টাকায় জন্য এই রাজ্য সরকারের অবহেলা উচিৎ না। তাই এই বিষয়ে মুখ্য মন্ত্রীমহাশয়কে অনুৰোধ করবে যেন তিনি বিশেষ ভাবে এই বিষয়ে চিন্তা করেন মন্ত্রী বর্গের সহিত। এবং কেন্দ্রীয় সরকারকে একলোগ চাপ দেন অর্থের জন্য। কারণ অন্য রাজ্যও নিমৃত রাজধানীর জন্য কেন্দ্রীয় অর্থ সাহার্য্য নিয়েছে, তবে কেন আসাম সরকার দ্বিধাগ্রস্থ ? কেনই বা তাঁরা কেনের কাছ থেকে আর্থিক সাহার্য্য পারে না। তাহাড়া সরকার বলেহেও রাজধানী স্থানান্তরে সরকারী কর্ম্মচারীদের অসুবিধা হবে। এক জয়েগা থেকে অন্য জায়গা কম-স্থাপন করতে তাদের অসুবিধা হবে নানা একথের। কিন্তু আমি ঝল সামান্য কয়েক হাজার লোকের অসুবিধা জন্যে কি

এই লক্ষ লক্ষ জনসাধারণ সরকারের সুযোগ-সুবিধা খেলে পকদ হবে? সরকারের এই নীতি শীঘ্রেই পরিত্যাগ করা উচিৎ। তাই আমি জনে করি রাজধানী শীঘ্রেই স্থানান্তরিত কৰা উচিৎ এবং সকল জিলার প্রতি দৃষ্টি রেখে এই কাষ্ট সম্পন করা হয়। তাই সরকার পক্ষ এবং বিৰোধী পক্ষ এই তুই পক্ষ মিলে এই সমস্যায় একটা সমাধান করা হয়। ধন্যবাদ।

*Dr. Bhumidhar Barman: মাননীয় উপাধ্যক্ষ মহোদয় ৰাজধানী স্থানান্তৰৰ নিচিনা এটা গুৰুত্ব পূৰ্ণ বিষয়ত আলোচনা কৰাটো যুক্তি সঙ্গত যুক্তি বিষয় হৈছে। আজি ইমান দিনে আমাৰ ৰাইজে, অসমৰ জনসাধাৰণে, ৰাজধানী স্থানান্তৰ কৰিব লাগে বুলি চৰকাৰৰ ওচৰত দাবী কৰি আহিছে। আৰু অসমৰ বিধান সভাত আগতেই কেইবাবাৰো এই বিষয়ে আলোচনা কৰি আহিছে। মই যেতিয়াৰ পৰা ইয়ালৈ প্ৰতিনিধি হৈ আহিছো তেতিয়াৰ পৰাই এই বিষয়ে আলোচনা হৈ আহিছে আৰু আজিও ইয়াত আলোচনা হৈছে। তেতিয়া অৱশ্যে পাহাৰীয়া ভাইসকল আমাৰ লগত আছিল। তেতিয়া আমাৰ বহুতে ৰাজধানী নিব নালাগে বুলি কৈছিল। কিন্তু এতিয়া তেওঁলোক আমাৰ পৰা ফাটি গৈছে। গতিকে ৰাজধানী আৰু ইয়াত ৰখাটো কোনো কাৰণ নাই।

ৰাজধানী ভৈয়ামলৈ নিয়াৰ বিষয়ে মাননীয় সদস্য শ্ৰীযুত লক্ষধৰ চৌধুৰী ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ গুৱাহাটীৰ উত্তৰ পাৰত পতাটো সুবিধাজনক হ'ব। যদি সেই ঠাইয়ো কিবা কাৰণে সুবিধাজনক নহয় বুলি ভাবে তেন্তে অসমৰ য'তে ত'তে এডোখৰ ভাল ঠাইত ৰাজধানী পাতিব লাগে। এতিয়া আমি দেখিছো আমি ২/১ বছৰৰ পৰা চৰকাৰী কিছুমান চৰকাৰী বিভাগ ইয়াৰ পৰা গৈছে। যদি চৰকাৰে ৰাজধানী ইয়াৰ পৰা ৰাজধানী গুৱাহাটীলৈ নিয়াৰ উদ্দেশ্য লৈয়ে অফিচবোৰ তালৈ নিছে তাত মোৰ আপত্তি নাই। অন্য-

*Speech not corrected

থাই অফিচ এঠাইত আৰু মন্ত্ৰীসকল আনঠাইত থাকিলে সৰ্ব্বসাধাৰণ ৰাইজৰ অসুবিধা হয়।

গতিকে মোৰ এটা ব্যক্তিগত অভিমত এইযে যদি ৰাজধানী ইয়াৰ পৰা নিয়াৰ মনোভাবেৰেই অফিচবোৰ ইয়াৰ পৰা নিছে তেন্তে সেইটো মই সমৰ্থন কৰিছো কিন্তু যদি সেয়ে নহয় তেন্তে আমাক ও জনসাধাৰনক অসুবিধাত পেলোৱাটো ঠিক হোৱা নাই।

ৰাজধানী স্থানান্তৰ সম্পৰ্কত কওঁ যে. ইয়াতো বহু টকাৰ প্ৰশ্ন আছে। চৰকাৰৰ এই ক্ষেত্ৰত দায়িত্ব আছে। মই ভাবো চৰকাৰে এইটোৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব। আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক আমাৰ জনসাধাৰনৰ দাবী জনাব লাগিব। আজি ৰাজধানী স্থানান্তৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ পৰা grant আদি সুবিধা আদায় কৰিব লাগিব।

আজি কেইদিন মান আগতে আমাৰ মাননীয় সদস্য শ্ৰীদেৱেশ্বৰ শৰ্ম্মা ডাঙৰীয়াই কৈছিল যে, আমি ছালি কৰি হলেও গুৱাহাটীলৈ আমাৰ ৰাজধানী নিব লাগিব। ঠিক তেনেকুৱা ধৰনৰ প্ৰশ্নই অতি সোনকালে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব লাগে আৰু যদি সম্ভৱপৰ হয় তেতিয়াহলে অতি সোনকালে আমাৰ ৰাজধানী গুৱাহাটীলৈ নিয়াৰ ব্যৱস্থা কৰিব লাগে।

**Shri Kamini Mohan Sarma :** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজধানী স্থানান্তৰ কৰা প্ৰস্তাৱটো মই সৰ্ব্বান্তকৰনেৰে সমৰ্থন কৰিলো আৰু লগতে মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন চাহাবে যি সংশোধনী আনিছে এই সংশোধনীতোও সমৰ্থন কৰিছো। মই এইটোক কিয় সমৰ্থন কৰিছো তাকো মই কব বিছাৰিছো। অধিক সংখ্যক জনসাধাৰন য'ত থাকে আৰু য'ত প্ৰসাশনীয় যন্ত্ৰৰ কথা বুজি পায় তেনেকুৱা অৱস্থাতে এখন দেশৰ ৰাজধানী হোৱাটো প্ৰয়োজন।

উপাধ্যক্ষ মহোদয়, যি কোনো এখন দেশৰ ৰাজধানী এটা মনোগ্ৰাহী আবহাৱাৰ মাজত হোৱা প্ৰয়োজন। কাৰণ ইয়াত চলাচল

যাতায়ত আদি বহুত কথা সোমাই আছে। আমি দেখিছো আজি আমাৰ ভাৰতবৰ্ষৰ ৰাজধানী দিল্লী নগৰত আছে। তেনেকৈয়ে তামিল-নাদুৰ ৰাজধানী মাদ্ৰাজত, আৰু বঙ্গদেশৰ ৰাজধানী কলিকতাত আছে। এই বিলাকলৈ লক্ষ্য কৰিলে আমাৰ ৰাজধানী কেতিয়াও চিলংত থাকিব নোৱাৰে। ইয়াৰোপৰি আমাৰ পাহাৰীয়া ভাই-ভনী সকলে তেখেত সকলে প্ৰসাশনীয় ব্যৱস্থা নিজৰ হাতলৈ নি এখন বেলেগ ৰাজ্য গঢ়ি তুলিছে। গতিকে আমি ভাবো যে, চিলং নগৰখনত মেঘালয়ৰ ৰাজধানী হব লাগে আৰু অসমৰ ৰাজধানী অতি সোনকালে গুৱাহাটী মহানগৰীৰ ওচৰলৈ স্থানান্তৰ কৰিব লাগে। এখন ৰাজধানী হব লাগিলে প্ৰসাশনীয় ব্যৱস্থাৰ পৰা বহুত অৱস্থা চাব লাগিব। এই ক্ষেত্ৰত গুৱাহাটী নগৰ খন পৃথিবীৰ ভিতৰতে মনোৰম বুলি কব পাৰি। কাৰণ ইয়াৰ ব্ৰহ্মপুত্ৰৰ বুকুত বেলি উঠি অহা আৰু ব্ৰহ্মপুত্ৰৰ বুকুত অস্ত যোৱা পৰিবেশ দেখিবলৈ পায়। কাৰণ গুৱাহাটীতেই আগৰ প্ৰাগ-জ্যোতিষপুৰ আছিল। আনকি গুৱাহাটীৰ আমবাৰীত এতিয়া খনন কাৰ্য্যও চলি আছে। মই এইটোকেই কব বিচাৰিছো যে, এই গুৱাহাটী মহানগৰীখন অকল কামৰূপ জিলাৰেই নহয়, এইখন গোটেই অসমৰে এখন আপুৰুগীয়া ঠাই। এই আপুৰুগীয়া ঠাইখনৰ আশে পাশে আমাৰ ৰাজধানীখন হব লাগে। তাতে আমাৰ Assembly ভৱন কৰক, Secretariat কৰক আৰু সকলো প্ৰসাশনীয় যন্ত্ৰ পাতি আমাৰ ৰাজধানীখন কৰক। আমাৰ মাননীয় সদস্য শ্ৰীলক্ষ্যধৰ চৌধুৰী ডাঙৰীয়াই কৈছে যে, আমাৰ উত্তৰ গুৱাহাটীৰ আমিন গাৱ আগিয়াঠুটি এলেকাত কেন্দ্ৰীয় চৰকাৰৰ ৰেল বিভাগৰ মাটি আছে। নাইবা গুৱাহাটীৰ ওচৰত নাৰাঙ্গি যত চেংসৰি বাগান আছে তাতো ৰাজধানীখন কৰিব পাৰে। গতিকে গুৱাহাটীলৈ অতি সোনকালে ৰাজধানীখন নিবলাগে। কাৰণ গুৱাহাটীলৈ ৰাজধানীখন নিলে আজি ধুবুৰীৰ পৰা ডিব্ৰুগড়লৈকে জলপথৰ সুবিধা লব পাৰিম। গতিকে ইয়াৰ লগত উন্নয়ৰণ সম্পৰ্ক আছে। কিন্তু এই কথাটো মই সমৰ্থন নকৰো যে মহম্মদ টোঘলকৰ দৰে দিল্লীৰ পৰা দাক্ষিনাত্যলৈ ৰাজধানী

তুলি লৈ গ'ল আৰু তাত ভাল নাপায় পুনৰ ঘুৰাই আনিলে। সেই কাৰণে এই ৰাজধানী স্থানান্তৰ কৰিবলৈ হলে বৈজ্ঞানিক চিন্তা ধাৰাৰে কৰিব লাগে। আজি এটা দুটাকৈ অফিচ নি ৰাজধানী স্থানান্তৰ কৰাত আমি পক্ষপাতি নহয়। কিন্তু ৰাজধানী স্থানান্তৰ কৰিবৰ কাৰণে ভাল ব্যৱস্থা লব লাগে।

( সময়ৰ সংকেত )

ইয়াৰ কাৰণে কেন্দ্ৰীয় সাহাৰ্য্য লবৰ কাৰণে বিহিত ব্যৱস্থা কৰিব লাগে। আজি কেন্দ্ৰীয় চৰকাৰে আমাৰ অসমক সদায়েই মাহী আইৰ মৰম দেখুৱাইছে। আজি চৰকাৰে লটাৰী কৰিছে কিন্তু লটাৰী কৰি ৰাজধানী স্থানান্তৰ কৰিব নোৱাৰে।

লগতে মই এইটো কব বিচাৰিছোঁ যে যি কোনো উপায়েই হওঁক ইয়াৰ পৰা আমি ৰাজধানী স্থানান্তৰ কৰিব লাগে। এইটোত কোনোৱে দ্বিধাবোধ কৰা উচিত নহয়। এই প্ৰস্তাৱ আহিলে যদি আমি তাত সমৰ্থন দিওঁ তেতিয়াহলে যে বেয়া হব সেইটো নহয়। যি দলেই আমাৰ চৰকাৰ পৰিচালনা কৰিছে আৰু বাকী যি কেইটা দল আছে সকলো সদস্যৰ দলেই একমত হৈ ৰাজধানী স্থানান্তৰ কৰাৰ কথা চিন্তা কৰিব লাগে আৰু ৰাজধানী স্থানান্তৰ কৰাৰ ক্ষেত্ৰত যাতে অসমৰ মধ্যস্থানত হয় আৰু জনসাধাৰনৰ উপযোগী কেন্দ্ৰ তেনে ঠাইত পাতিব লাগে। গতিকে মই এইটো কওঁ যে গুৱাহাটী অসমৰ মধ্য-ঠাই; আৰু গুৱাহাটীতেই প্ৰাগজ্যোতিষ নাম দি ৰাজধানী পাতিব লাগে।

*Shri Kabir Chandra Roy Prodhani : মাননীয় অধ্যক্ষ মহোদয়, ৰাজধানী স্থানান্তৰ সম্পৰ্কে যিটো প্ৰস্তাৱ আহিছে, সেইটো মই সমৰ্থন কৰিছোঁ। এই ৰাজধানী স্থানান্তৰ সমন্ধে বহুতো আবেদন-নিবেদন তথা কাগজ পত্ৰ আদি Deptt লৈ বছৰি আহি আছে। সেই বিলাকৰ দুই এটা File হৈছে, অথচ সেই বিলাকৰ পৰা একো কাম

*Speech not corrected

হোৱা নাই। আন হাতে ৰাজধানী ইয়াত থকাত ৰাইজৰ বহুতো অসুবিধা হৈছে আৰু ইয়ালৈ অহাযোৱা কৰোঁতে ৰাইজৰ টকা পইছা অপচয় হোৱাৰ ওপৰিও বহুতো Harrasment হৈছে। গতিকে ৰাজধানী যিমান সোনকালে স্থানান্তৰ হয়, সিমানেই ৰাজ্যৰ বাবে মঙ্গল হয় আৰু ৰাইজৰ উপকাৰ হব।

মই চিন্তা কৰিছো যে ৰাজধানী ইয়াত থকাত আমাৰ চৰকাৰৰ বহুতো ধন অপচয় হৈছে আৰু আমাৰ চৰকাৰী চাকৰিয়াল সকল, Minister সকল অহা যোৱা কৰোতে বহুতো চৰকাৰী ধন অপব্যয় হৈছে। সেই কাৰণে মই ভাবিছোঁ যদি কামৰ বাবে অহাযোৱা কৰোঁতে দৈনিক ২৫ হেজাৰ টকা খৰচ হয় তেন্তে বছৰত কিমান হয় ? মই হিচাব কৰি দেখিছোঁ যে ৰাজধানী ইয়াত থকাত বছৰি চৰকাৰৰ ৫০ লাখ টকা খৰচ হয়। গতিকে এইটো আমি চিন্তা কৰি অতি সোনকালে ৰাজধানী ইয়াৰ পৰা স্থানান্তৰ কৰিব লাগে। কিন্তু চৰকাৰে যদি কয় ৰাজধানী স্থানান্তৰৰ বাবে চৰকাৰৰ টকা নাই; তেন্তে এই-টোৱে আমাৰ ভৈয়ামৰ জনসাধাৰনক ভুৱা দিয়া হে হব।

যি নহওক মই চৰকাৰক আৰু কেইটামান যুক্তি দিওঁ যে মেঘালয় সৃষ্টি হোৱাৰ পাছত পৰ্ব্বত আৰু ভৈয়াম বাসীসকলৰ মাজত যি মিলাপ্ৰীতিৰ ভাব উৎপন্ন হৈছে বুলি কৈছে, সেইটো মেঘালয় হোৱাৰ আগতে কিয় কৰিব নোৱাৰিলে ? গতিকে এতিয়া পাহাৰী ভাই সকলৰ মন ভাল লগাবৰ কাৰণেই ২ কোটি ৫০ লাখ ভৈয়ামবাসীক ৬৩ মাইল আঁতৰত ৰাখি ৰাজধানী শ্বিলঙত ৰখাৰ কোনো যুক্তি নাই। গতিকে পৰ্ব্বত আৰু ভৈয়ামৰ মিলাপ্ৰীতিৰ নামত শ্বিলঙত ৰাজধানী ৰাখি ভৈয়ামৰ বাকী সকলক ভুৱা দিয়াৰ বাহিৰে আন একো নহয়।

ভাৰতৰ ভিতৰত অসম অতি পিচপৰা ৰাজ্য। এই পিচপৰা লোকসকলৰ মাজত এতিয়া ৰাজধানী ইয়াত থকাৰ বাবে আন্দোলন কৰাৰ কথা ভাবিছে। যদি ভৈয়ামৰ সকলোৱে আন্দোলন কৰে, তেনেহলে চৰকাৰৰ অৱস্থা কি হব ?

(সময়ৰ সংঙ্কেত)

সেই কাৰণে মই আজি অনুৰোধ কৰিছোঁ যে ৰাইজৰ মনত যাতে এনেকুৱা আন্দোলনৰ মনোভাব সৃষ্টি নহয়, তাৰ কাৰনে ৰাজধানী ইয়াৰ পৰা স্থানান্তৰ কৰিব লাগে। আৰু এটা কথা যে ৰাজধানীটো স্থানান্তৰ কৰোঁতে যাতে 'মহম্মদ বিন টোগলগৰ'' অৱস্থা নহয়, তালৈ লক্ষ্য ৰাখিব লাগে। গতিকে ৰাজধানী স্থানান্তৰ কৰি এনেকুৱা ঠাইত প্ৰতিষ্ঠা কৰিব লাগে – যাতে খাদ্যৰ যোগাযোগ আদি সকলো ফালৰ পৰা সুবিধাজনক হব লাগে। মই এইটো সমৰ্থন কৰি আৰু এটা কথা ভাবিছোঁ যে ৰাজধানী উঠাই নি যিটো অংশত আন্ধাৰ হৈ আছে আৰু যি বিলাক অঞ্চল একে বাৰে পিচ্ পৰি আছে তাত ৰাজধানী স্থাপন কৰিলে সেই পিচপৰা অঞ্চল বিলাক উন্নত হব। গতিকে অসমৰ পিচপৰা অঞ্চলটো উন্নত কৰিবলৈ চৰকাৰে চিন্তা কৰি অসমৰ ৰাজধানীটো ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত পাতিব লাগে। কাৰন উত্তৰ অংশটো আটাইতকৈ পিচ্পৰা বুলি জনাজাত। এই ক্ষেত্ৰত আমাৰ অসমৰ ৰাজধানী North Bank of Assam ত হোৱা উচিত। যিহেতু অসমৰ North Bank অংশটো একেবাৰে আন্ধাৰ হৈ আছে। সেই বুলি মই ধুবুৰী বা উত্তৰ লক্ষীমপুৰত ৰাজধানী পাতিব লাগে বুলি কোৱা নাই। গুৱাহাটীৰ লগত যোগাযোগ ৰাখিব পৰাকৈ মঙ্গলদৈ বা তেজপুৰৰ ওচৰত পাতিব লাগে। North Bank ত পাতিলে সকলোৰে সুবিধা হব। সেই কাৰণে আমি অতি সোনকালে ৰাজধানী স্থানান্তৰ কৰিব লাগে।

(সময়ৰ সঙ্কেত)

ৰাজধানী স্থানান্তৰ কৰিলে আৰু এটা আমাৰ উপকাৰ হব যে কেন্দ্ৰীয় চৰকাৰে এতিয়া পাহাৰী ভাইসকলক মেঘালয়া দিলেই আৰু তেওঁলোকৰ ৰাজধানীও শ্বিলঙতেই হব। তেনে ক্ষেত্ৰত আমাৰ ৰাজধানী শ্বিলঙত ৰখা মানে আমি মেঘালয়ৰ উপকাৰৰ কাৰণেহে শ্বিলঙত ৰাজধানী ৰাখিছে। আমাৰ ভৈয়াম বাসীৰ উপকাৰৰ কাৰণে নহয়। গতিকে ভৈয়ামৰ লোক সকলৰ তথা ভৈয়ামৰ মনোবাঞ্চা

পূৰণৰ অৰ্থে ৰাজধানী স্থানান্তৰ কৰাটো বাঞ্চনীয় । ৰাজধানী স্থানান্তৰ হলে পাহাৰী ভাই সকলকে মহৎ উপকাৰ কৰা হব । কাৰণ পাহাৰীয়া ভাইসকলে এতিয়া ভাবিছে যে অসমৰ ৰাজধানী শ্বিলঙৰ পৰা গুচি গলে তেওঁলোকে Full State দাবী কৰি আনিব। গতিকে আমাৰ ৰাজধানী স্থানান্তৰ কৰিলে একালে আমাৰ পাহাৰীয়া ভাইসকলৰ উপকাৰ হব আৰু আনকালে ভৈয়ামবাসীয়ো উপকৃত হব আৰু পৰ্ব্বত ভৈয়ামৰ সমন্ধও চিৰদিনলৈ বৈ থাকিব।

(সময়ৰ সংঙ্কেত)

এতিয়া বহুতো কালৰ পৰা ৰাজ্যখন বিপদৰ সন্মুখীন হব লগীয়া হৈছে আৰু ৰাজধানী শ্বিলঙত থকাৰ বাবে চৰকাৰৰ কামতো বহুত বেমেজালিৰ সৃষ্টি হৈছে। ফলত আমাৰ চৰকাৰৰ আৰু মন্ত্ৰীসকলৰ মনোভাৱ চঞ্চল হৈ পৰিছে । তেখেতসকলে কোনো ঠিৰাং সিদ্ধান্ত কৰিব পৰা নাই । অন্যকালে তেখেতসকলৰ দায়িত্বৰ বুজা আহি পৰিছে । গতিকে ৰাজধানী ইয়াৰ পৰা উঠাই নিলে চঞ্চলতাও আঁতৰিব; দায়িত্বও লঘু হব, অস্থিৰতাও দূৰ হব আৰু সকলোৰে শান্তিৰে থাকিব পাৰিব।

(সময়ৰ সঙ্কেত)

সেই কাৰণে মোৰ পৰামৰ্শ এয়ে যে অতি সোনকালে ৰাজধানী ইয়াৰ পৰা উঠাই নি অসমৰ উত্তৰ অংশত ভাল ঠাই চাই ৰাজধানী স্থাপন কৰিলে সকলোকে উপকাৰ কৰা হব । গতিকে এই খিনিকে কৈ মই চৰকাৰক উত্তৰ অংশত পাতিবলৈ অনুৰোধ কৰিলো।

Mr. Deputy Speaker : I hope the hon. Members will not put any barricade. I would now call Shri Kandarpa Narayan Banika to speak .

Shri Kandarpa Narayan Banika : Mr. Deputy Speaker, Sir, the question of the shifting the capital is a burning problem to-day.

Shri Giasuddin Ahmed : On a point of order. The point of order is this that whenever any hon. Member is asked to speak, he is to speak from his own seat.

Mr. Deputy Speaker : I have already approved of his action.

Shri Kandarpa Narayan Banikya : Sir, the question of shifting the capital is a burning problem to-day and to-day or tomorrow we must shift the capital from the hills to the plains. Now, Sir, I cannot pass my opinion as to where the capital should be shifted, whether it should shifted to Gauhati or Golaghat or Tezpur or to my home town Abhayapuri. It should depend on the opinion of the experts and to the opinion of the hill brothers and plains brothers. Therefore, before passing our opinion we must concentrate to this point and all the members of this House should rise to the occasion and should encourage our people that we all should approach the Central Government in one voice and tell them our capital should be shifted from Shillong within a very short time. Sir, it is known to all that the road which links Shillong with Gauhati is a hazardous one.

( Uproar )

Sir, some Members have passed remarks that our Ministers do not like to shift the capital to the plains.

( Voices from the Opposition : Who told you ? How do you know ?

Shri Dulal Chandra Barua : Sir, how the hon. Member could know that the Ministers want to stay here for their comforts ?

Shri Kandarpa Narayan Banikya : I approached all the Ministers personally and got their opinion. They also want to shift the capital and they do not like to remain in Shillong. Our Ministers do not like that about Rs. 3 crores should be spent on T. A. and D.A. every year. Sir, what is happening to-day ? Some of the offices have been shifted to Gauhati in a very scattered way. Whenever any petition comes to a Minister and there is no response, the petitioner comes to Shillong and approach the Minister and he would tell that the matter is lying with some offices at Gauhati. Therefore, Sir, we should try to shift the capital to the plains as early as possible. Here, Sir, the qnestion of money comes. Whenever we demand money from the Centre we never get any response. Sir, we require about Rs. 35 crores and so long as the Central Government sanctions the money we cannot shift our capital. Sir, most of the members know that Delhi is being its own capital. ( Uproar ) I have a point and the point is that Delhi is situated in a dangerous zone.

( Voices : Who says hal it is in a dangerous zone ? )

If the hon. Members read newspapers they will find it that it is situated on the Earth quake belt.

Now, Sir, if the people of Meghalay threaten us that we should go to the plains then I will be the last person to go down and if go I shall go as a hero. We must wait and see whether our Mizo brothers will remain with us and whether the Meghalaya becomes a full fledged State. If the Meghalav becomes a full fledeged State then Shillong will be like inter-State hot potato. But before we take the decision to shift the capital we must approach

the Central Government for money because unless the Central Government sanctions the money we cannot shift the capital. Even the hon. Members know it may be humourical-that after the birth of the Meghalaya 'megha' ( cloud ) has disappeared from Shillong. So, it is a warning from nature that we should leave Shillong. Sir, I should say in the words of Shri Hazarika that if all the youngmen of Assam are determined to shift the capital, there is no power on earth which can prevent us from doing so.

লুইতৰ পাৰৰে আমি ডেকা লৰা
মৰিবৰে ভয় নাই

*Dr. Bhupen Hazarika : মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ আৰু এতিয়া কবলৈ ভাল নলগা হৈছে। কাৰণ ইমান এটা ডাঙৰ গুৰুত্বপুৰ্ণ কথাও হাঁহি হাঁহি আলোচনা কৰাটোহে আচৰিত কথা।

আমাৰ স্বনামধন্য শ্ৰীকন্দৰ্প নাৰায়ন বনিকৰ ভাষাত তেখেতক সমৰ্থন কৰি কব খুজিছো যে মই কথাতে কি কৈছিলো মই নাজানো। এতিয়া কথা হল কংগ্ৰেছ চৰকাৰ যাৰ হাঁতত ক্ষমতা আছে এই চৰকাৰে আজি এইটো কথাত একমত হব নোৱাৰিলে যে ৰাজধানী ভৈয়ামলৈ নমাব লাগে। এতিয়া হাস্যৰস বাদ দি অনতিপলমে এই বিষয়টোৰ এটা সীদ্ধান্ত কৰিবলৈ সদনক অনুৰোধ জনালো যেন এই বিষয়ে এটা Resolution লয়।

১৯৬৭ চনতে এই বিষয়ে এটা প্ৰস্তাৱ অনা হৈছিল আৰু তেতিয়া বহুত হিচাব দেখুৱাই বহুত কথা কোৱা হৈছিল এতিয়াও সেই কথা চলি আছে নতুন কথা আৰু কোনেও কোৱা নাই। মুখ্য মন্ত্ৰী ডাঙৰীয়াই তেতিয়া কৈছিল যে ৰাজধানী ভৈয়ামলৈ নিলে পৰ্ব্বত ভৈয়াম সম্প্ৰীতিৰ এনাজৰী ডাল ছিচি যাব। কাৰণ তেতিয়া আমাৰ

*Speech not corrected

৯ জন পৰ্ব্বতীয়া ভাই এই সদনতে সদস্য আছিল গতিকে তেতিয়াৰ চিন্তাধাৰা আৰু এতিয়াৰ যুক্তি একে নহয়। এতিয়া Flood control, Public Health engineering office ভৈয়ামলৈ নমাই নিছে যদিও সেইবিলাক সুচিন্তিত ভাবে কৰা হোৱা নাই বা পতা হোৱা নাই। চৰকাৰে কেৱল ভাবিব লাগে যে যিমান সোনকালে পৰা যায় সিমান সোনকালে ৰাজধানী ভৈয়ামলৈ নিব লাগে কিন্তু কোনো নিৰ্দ্দিষ্ট ঠাইৰ কথা এতিয়াও অহা নাই. সেইটো পিচৰ কথা। আমাৰ মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বড়া ডাঙৰীয়াৰ কথা বেচিকৈ ভাবিব নালাগে। এইবোৰ কিন্তু গুৰুত্ব কথা কৈছে। এতিয়াৰ পৰিস্থিতি বেলেগ, যুক্তিও বেলেগ, কিন্তু এতিয়া আমাৰ Flood control গ'ল PWD যাব ইত্যাদি। গতিকে কথাটো গুৰুত্বপূৰ্ণ, বিশেষ কৈ গুৰুত্ব দিব লাগে কংগ্ৰেছ চৰকাৰে। তাৰ পিচত আপোনালোকে ৰাইজৰ কথা নেমানিব পাৰে, আমাৰ সোনেশ্বৰ বড়াই আন্দোলন কৰিব নালাগে, আপোনালোকক সকিয়াই থৈ দিও যে আমাৰ ইয়াত নক্সালবাৰী নাই কিন্তু নলবাৰী আছে বাস্কাৰে কোবাব। মই নকওঁ যে ৰাজধানী গুৱাহাটীত হব লাগে কিন্তু মই কওঁ যে অতিসোন-কালে ৰাজধানী তললৈ নমাব লাগে আৰু তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা ডাঙৰ ডাঙৰ artist মাতি আনক আৰু সুসজ্জিত এখন ৰাজধানীৰ পৰিকল্পনা কৰক। কেন্দ্ৰীয় চৰকাৰক দাবী কৰক ৩৫ কোটি টকা লাগে বুলি। আমি নাভাবো যে ৰাজধানীখন ইয়াৰ পৰা গলে পৰ্ব্বত ভৈয়ামৰ মাজৰ সম্প্ৰীতি যিডাল এনাজৰী সি নোহোৱা হব। আজি এলবেনিয়া পিকিং মেলবৰ্ণ জাৰ্ম্মান আদিৰ নিছিনা আধুনিক সুসজ্জিত ৰাজধানী এখনৰ বৰ্ত্তমান যুগত দৰ্কাৰ। মুঠৰ ওপৰত আমি আকোৰ গোজাৰি মাৰি ধৰি থাকিলে নহব আমি ৰাইজৰ মত সাপেক্ষে এখন ধুনীয়া ঠাইত ৰাজধানী খন পাতিব লাগে আৰু তাৰ কাৰণে যি টকাৰ দৰ্কাৰ আমি কেন্দ্ৰীয় চৰকাৰক দাবী কৰিব লাগিব। ৰাজধানী স্থানান্তৰৰ ক্ষেত্ৰত আমাৰ ব্যক্তিগত মতামত বাদ দিব লাগিব। ৰাজধানী খন গলেই যে আমাৰ আমোদ প্ৰমোদ

ইয়াত নহোৱা হব সেইটো নহয়। তাৰ পিচতো আমি ইয়াত আহি আমি এতিয়াৰ নিচিনাই আমোদ প্ৰমোদ কৰিব পাৰিম। গতিকে Plan আদি কৰি ভৈয়ামলৈ ৰাজধানী নিব লাগে। গতিকে ভয় কৰাৰ দৰৰ্কাৰ নাই। কিন্তু এটা কথা ঠিক যে ইয়াৰ অন্যথা কৰিলে আমাৰ ইয়াত নক্সালবাৰী নহলেও নলবাৰী আছে আৰু অন্য অস্ত্ৰ নহলেও "বাস্কা" আছে, গতিকে নলবৰীয়াই বাস্কাৰে কোবাব। সিদিনা মই Prof ৰ চুৰেলৰ লগত কথা পাতোতে কথা সংক্ৰান্তত কৈছে যে ইয়াত এতিয়া থকাৰ আমাৰ right নাই। গতিকে অপমান পোৱাৰ আগতে সসন্মানে আমি যোৱা উচিত। গতিকে প্ৰস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

*Shri Sadhan Ranjan Sarkar : উপাধ্যক্ষ মহোদয়। ৰাজধানী চিলংথেকে স্থানান্তরিত করার প্রস্তার নীতিজ্ঞ ভাবে প্রত্যেক সদস্যই বলেছেন এবং সেটা চিন্তার বিষয়। এই ৰাজ্যের মধ্যে আরও একটা রাজ্য হয়েছে। সেটা হলো মেঘালয়া। It is autonomous State with in a State, তাই সেই পরিপ্রেক্ষিত আমি বলি যে নওগাই সরদিক দিয়ে রাজধানী স্থানান্তরের উপযুক্ত স্থান। ভৌগলিক দিক দিয়ে এবং জনসাধারনের সুবিধার দিক দিয়ে দেখতে গলেও গৌহাটীক চেয়ে নওগা জিলার যে কোন স্থানই একমাত্র উপযুক্ত স্থান। এরং জন্য Expert Committee নিয়োগ করে সব দিক বিবেচনা করে একটা স্থির সিদ্ধান্ত অনা দরকার। নীতি গত ভাবে সরকারের এই কাজ শীঘ্রেই করা প্রয়োজন এবং তাতে Plains এবং জনসাধারনের আশা আকাঙ্খা ও জনসাধারনকে সহযোগিতা করা হয়। তাই সরকার ভৌগলিক কথা ভেবে এবং জনসাধারনের উন্নতির কথা ভেবে রাজধানী স্থানান্তর করা দরকার। এই কথা কাপ্টী বলে আমি বক্তব্য শেষ করছি এবং প্রস্তাবটীর বিরোধীতা করি।

*Speech not corrected

*Shri A. N. Akram Hussain : মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ আগতে মই ৰাজ্যপালৰ বক্তৃতাৰ ওপৰত যি মন্তব্য দিছিলো যে কনীৰ ভিতৰত কনী a egg within a egg থাকিব নোৱাৰে এইটো স্পষ্ট। গতিকে তুখন ৰাজ্যৰ ৰাজধানী একেখন ঠাইতে থাকিব নোৱাৰে। আমাৰ শাসনত অধিষ্ঠিত লোকসকলে শ্বিলঙক এখন Easy chair হিচাবে ব্যৱহাৰ কৰি আছে। আমাৰ লক্ষ্যধৰ চৌধুৰী ডাঙৰীযাইও কৈছে। গতিকে পলোৱাৰ সময় থাকোতেই ৰাজধানী ইয়াৰ পৰা নিব লাগে। কিন্তু কলৈ নিব লাগে চৰকাৰে নিজেই চিন্তা কৰিব। মই নক্সালপন্থীৰ কথা কোৱা নাই। অসম চৰকাৰে Committee কৰি দিয়ক। আৰু সেই Committe ৰ Slection মতে ৰাজধানীৰ Place ঠিক কৰিব লাগে। অসমৰ ৰাজধানীখন সুন্দৰ হব লাগে ইয়াত মোৰো মত আছে। জনসাধাৰণৰ কামত অহা হব লাগে। তেখেতসকললেও ৰাজধানী সুন্দৰকৈ কৰাত সন্মতি দিব বুলি মই আশা কৰো। আজি আকৌ দিল্লীৰ পৰা মেঘালয় ৰাজ্য দিলে। মেঘালয় ৰাজ্য নহলেও শ্বিলঙৰ পৰা ৰাজধানী ভৈয়ামলৈ নিব লাগে। গতিকে ৰাজধানী শ্বিলঙত ৰখাৰ কোনো যুক্তিযুক্ততা মই বিচাৰি নাপাওঁ। এই কথা চৰকাৰ পক্ষইওঁ ভাবি চোৱা উচিত। ৰাইজে ভৈয়ামৰ পৰা আহি শ্বিলঙত কাম কৰোতে হাবাথুৰী খায় তাৰ বাবে আমাৰ ২০ জনীয়া মন্ত্ৰীসভা আছে, তেওঁবিলাকে এসপ্তাহত ২/৩ দিন মানকৈ গুৱাহাটীত থকা Progame কৰিলে ভৈয়ামৰ ৰাইজৰ অভাব অভিযোগ বোৰ অবগত হব পাৰে। ৰাইজেও তেনে কেন্দ্ৰীয় স্থললৈ আহি সোনকালে কাম কৰিব পাৰে। লগে লগে ৰাজধানী নমাই নিয়াৰো ব্যৱস্থা গ্ৰহণ কৰক। নহলে ভৈয়ামৰ লোকসকলৰ চৰকাৰৰ ওপৰত শ্ৰদ্ধা কমি যাব আৰু তেতিয়া সুশাসনত ব্যাঘাট জন্মিব। এই খিনি কথা কৈ মই ৰাজধানী স্থানান্তৰিত কৰা প্ৰস্তাৱ সমৰ্থন কৰিছো আৰু আশা কৰিছো কংগ্ৰেছ পক্ষৰ সকলেও অকুণ্ঠভাৱে এই প্ৰস্তাৱ সমৰ্থন কৰিব।

*Speech not corrected

*Shri Mohidhar Pegu : উপাধ্যক্ষ মহোদয়, ৰাজধানী শ্বিলঙৰ পৰা স্থানান্তৰিত কৰা প্ৰস্তাৱ সমৰ্থন কৰিবলৈ গৈ মই কেইটামান কথা কব খুজিছো। যোৱা কেইটামান বছৰ ধৰি এই সদনত ৰাজধানী স্থানান্তৰ সংক্ৰান্তত বহুত কথাই আলোচনা হৈ গৈছে। কিন্তু কোনো সিদ্ধান্ত নোহোৱা কাৰণে আমাৰ প্ৰতিনিধি সকলৰ কোনো অস্তিত্বই নোহোৱা হৈছে। জনসাধাৰনৰ প্ৰতিনিধিয়ে জনসাধাৰণৰ কাৰণে চিন্তা কৰিব লাগে গনতান্ত্ৰিক ভাবে। মই ভাবো কংগ্ৰেছ পক্ষইও ৰাজধানী স্থাতান্তৰ কৰাত বিৰোধীতা নকৰে আগতে ৰাজধানী স্থানান্তৰৰ ক্ষেত্ৰত হেমাহি কৰানো কিছু কথা আছিল কিন্তু এতিয়া মেঘালয় ৰাজ্য হোৱাৰ পিচত আৰু হেমাহি কৰাৰ কোনো যুক্তি দেখা নাপাওঁ।

কিন্তু কথা হৈছে আমাৰ পাহাৰী ভাই সকলে এই চৰকাৰক কাবৌ-কোকালী কৰিছে নেকি যে ৰাজধানী ইয়াৰ পৰা উঠাই নিলে আমি যাবলৈ নাপাম। নাই কোৱা। যদি কোৱা নাই তেন্তে ৰাজধানী তুলি নিয়াত আমাৰ দ্বিমত থাকিব নোৱাৰে। মোৰ প্ৰশ্নটো হৈছে জনসাধাৰণৰ সংস্পৰ্ষৰ পৰা আমি আঁতৰি আছো নে নাই! এই কথাটো যদি জনসাধাৰণে উপলব্ধি কৰে আৰু দাবী কৰে তেন্তে আমি কব লাগিব আমি সদাই জনসাধাৰণৰ পৰা আঁতৰিয়ে আছো। এই চৰকাৰে এই ক্ষেত্ৰত "ইলুটি সিলুটি কান্দুলী মাহৰ দৰে লুটি বাগৰ সলাইছে। আটাইতকৈ ডাঙৰ কথা হৈছে আমাৰ পাহাৰী ৰাইজে এই ৰাজধানী ইয়াত ৰাখিবলৈও বিচৰা নাই আৰু গলেও তেওঁলোকৰ একো হানি নহয়।

ৰাজধানী স্থানান্তৰ কৰাত আমাৰ এটা দায়িত্ব আছে। ভগ্নিৰাষ্টৰ লগত সংহতি ৰাখিব খুজিছো বসতে নামটো থৈ আমাৰ ভৈয়ামৰ জনসাধাৰণৰ মনোভাৱ বুজাটো ভাল হ'ব। সেই কাৰণে মই শেষত কৈছো যে ৰাজধানী স্থানান্তৰ কৰাৰ নিচিনা এটা দায়িত্বশীল বিষয়ৰ সমাধান সোনকালে হোৱাই ভ'ল। কিয়নো ফটা কেথা তিতে মানে

*Speech not corrected

গালৈহে গধুৰ হয়। যদি এতিয়াই এই বিষয়ৰ সমাধান নহয় তেন্তে ভালকৈ সাঙ্গী হোৱাতহে ভয় আছে।

ৰাজধানী ইমান দিন ইয়াত থকাটো যিমান দুখ পাবলগীয়া কথা হৈছে ৰাজধানী স্থানান্তৰৰ বিষয়ে আজিলৈ চিন্তা নকৰাৰ কথাটোহে বেছি দুখ পাবলগীয়া কথা। ৰাজধানী স্থানান্তৰৰ নামত কেইটামান অফিচ ইয়াৰ পৰা তুলি নিয়াত অসুবিধা একেবাৰে নোহোৱাও নহয়। সেই বুলি সাগৰলৈ ভয় কৰি আমি পাত পাৰি দিম নেকি? ৰাজধানী স্থানান্তৰত ৰাইজৰ মতভেদ থাকিবই আৰু গনতান্ত্রিক দেশ এখনত এই বিষয়ে মতভেদ থকাটো একো আঁচৰিত কথা নহয়। হিটলাৰৰ আমোলত নাথাকিব পাৰে সমূহীয়া চিন্তাধাৰাৰ মাজত বিভিন্ন পৰামৰ্শ আমি লব লাগিব আৰু এই প্ৰস্তাৱটোৰ এটা অংশ সমাধানৰ কাৰণে দাবী জনাইছো আৰু এই প্ৰস্তাৱটো কায়িক ভাবে সমাধান কৰিবলৈও দাবী জনাই সামৰণি মাৰিলে।

**Shri Ajijur Rahman Choudhury :** অধক্ষ্য মহোদয়, আজি যিটো বিষয়ে আলোচনা হৈছে এই বিষয়টো বৰ দৰকাৰী বিষয়। এই বিষয়ে বহুত দিনৰ পৰা আলোচনা চলি আছে আৰু দুই চাৰিটা অফিচও ইয়াৰ পৰা আঁতৰাই নিছে।

ৰাজধানী তুলি নিয়াটো ভাল কথা। কিন্তু আমাৰ যদি চঙুকত টকা নাথাকে তেন্তে আমি কেনেকৈ ছোৱালী বিয়া দিম? টকা নাথাকিলে ধাৰ কৰিব লাগিব। ৰাজধানী স্থানান্তৰৰ কাৰণে আমাক যি টকা লাগিব তাৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী কৰিব লাগিব। ৰাজধানী আমি ইয়াত নাৰাখো। কিন্তু এইবিষয়টো উধাই মুধাই আলোচনা নকৰি বাখ্যা কৰি আলোচনা কৰিব লাগিব।

**Shri Kamini Mohan Sarmah :** চাৰ, তেখেতে ভয়ে ভয়ে কথা কৈছে।

**Shri Ajijur Rahman Choudhury :** আমি জোৰ কৰি কাকো ৰাখিব

নোৱাৰো। আজি ৰাজধানী ইয়াৰ পৰা নিব খুজিলে কোনে আমাক বাধা দি ৰাখিব পাৰে ? ৰাজধানী ইয়াৰ পৰা লৈ যাব পাৰে। কিন্তু এই কথাটো আমি বাধা স্বৰূপ হৈ পৰিছো। মিনিষ্টাৰ সকলে গাড়ী পাইছে, ঘৰ পাইছে আমিও পাইছো নহয়।

আমাৰ ৰাজধানী খন স্থানান্তৰ কৰিব হয় কিন্তু মাটি কত।

( গণ্ডগোল )

আমাৰ চৰকাৰে আজি সকলো ব্যৱস্থা সু-সঙ্গত ভাৱে কৰি ৰাজধানী স্থানান্তৰ কৰিব লাগে। আজি অকল ৰাজাধানী স্থানান্তৰ কৰিব লাগে বুলি কৈ থাকিলেই সমস্যাৰ সমাধান নহব। গতিকে মই এই কথাটোৰ বিৰোধিতা কৰিছো আজি আমাৰ দেশত বহুতো মানুহে বানবিধস্থ হৈ খাবলৈ পোৱা নাই। গতিকে আমাৰ চৰকাৰে ইয়াৰ বিহিত ব্যৱস্থা কৰিব লাগিব।

Shri Atul Chandra Goswami : প্ৰস্তাবটো তেখেতে বিৰোধিতা কৰিছেনে সমৰ্থন কৰিছে

Azizur Rahman Choudhary : মোৰ এটা কথা মনত পৰিছে যে, "ভাবিয়া কৰো, কৰিত ভাবিনা"

( গণ্ডগোল )

গতিকে আমাৰ চৰকাৰে সোনকালে আমাৰ ৰাজ্যৰ জনসাধাৰণৰ দাবী বিলাক কেন্দ্ৰীয় চৰকাৰক জনাবলৈ আঁচনি গ্ৰহন কৰিব লাগে।

Shri Hiralal Patwary : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ ৰাজধানী ভেৰামলৈ স্থানান্তৰ কৰা প্ৰস্তাবটো সমৰ্থন কৰি দুটামান কথা এই সদনক জনাবলৈ আহিছো।

Shri M. handra Mohan Choudhury : কৰ পৰা আহিছে ?

Shri Hialal Patwary : জনতাৰ অন্তৰৰ পৰা। গতিকে জনতাৰ অন্তৰৰ

কিছু কথা চৰকাৰক জনাব খুজিছো। আশা কৰো কথা বিলাক মনে মনে শুনিব। যেতিয়া আমাৰ দেশ স্বাধীন হৈছিল তেতিয়া অসমৰ জনসাধাৰণে নানা কথা চিন্তা কৰিছিল যে, আমি আমাৰ অসম দেশ খন ধুনীয়াকৈ সজাম। কিন্তু ১৯৪৭ চনৰ ১ আগষ্টত অসমৰ জনসাধাৰণে যি বিলাক কথা চিন্তা কৰিছিল সেই চিন্তা বিলাক আজি লুপ্ত হৈ গ'ল। আজি চৰকাৰৰ ভুল নীতিৰ কাৰণেই নগা পাহাৰ আঁতৰি গ'ল। মন্ত্ৰীসকলৰ বুজা বুজিৰ ভুলতেই এই নগা-পাহাৰ গ'ল। এইটো আজি চলিহা ডাঙৰীয়াই ইন্দিৰাজীয়ে কৰিছেনে কি কৰিছে আমি কব পৰা নাই।

(হাঁহি)

আজি যি সকলে হাঁহিছে সেই সকলেই এদিন কান্দিব লাগিব। আজি হহাঁৰ কথা নহয় বন্ধুসকল। ইয়াত যদি হাঁহিবলৈকে আহিছে আমি কব নোৱাৰো। কিন্তু যেতিয়া ভৈয়ামলৈ যাব তাত হাঁহিব পাৰেনে নোৱাৰে সেইটোহে কব নোৱাৰো।

আজি মেঘালয় হল। Article 40 ৰ ভিত্তিত এই ৰাজ্যখন Deec-ntralised Power দি গঠন কৰিলেহেতেন তেতিয়াহলে মেঘালয় বা নগাপাহাৰৰ কোনো প্ৰশ্নই নাহিলহেতেন। এতিয়া মেঘালয় ৰাজ্যখনে Article 42 ভিত্তিত শাসন পদ্ধতি কৰিছে। আজি অসম চৰকাৰে ভালকৈ আমাৰ ৰাজ্যখন আৰম্ভণীৰে পৰা পৰিচালনা কৰিলেহেতেন তেতিয়াহলে আমাৰ ৰাজ্যখন ভাগ ভাগ নহলহেতেন।

এতিয়া প্ৰশ্ন হৈছে যে, বেলেগ বেলেগ সদস্যই এই বিধান সভাতে বেলেগে বেলেগে কৈছে। এই বিধান সভা খনত যদি এনেকুৱা হাঁহি তামচা কৰা ঠাই হয় তেনেহলে মোৰ কবলগীয়া একো নাই। যেতিয়া এই বিধান সভাত অসমৰ সমস্যা বিলাক সমাধানৰ কাৰণে গুৰুত্বপূৰ্ণ আলোচনা কৰা হয় তেতিয়া সকলো সমস্যাকে ৰাজনৈতিক দৃষ্টিভঙ্গীৰে চিন্তা কৰিব লাগিব। কিন্তু অসম চৰকাৰে এইবোৰ ভালভাৱে চিন্তা কৰা নাই। আজি অসমৰ ৰাজধানী স্থানান্তৰ কৰিবৰ কাৰণে যি দাবী কৰি আহিছে তাত ষড়যন্ত্ৰ চলি আছে। মই এবাৰ

নহয়, দুবাৰ নহয়, তিনিবাৰ কম যে, অসমৰ ৰাজধানী বাহিৰলৈ নিয়াৰ ষড়যন্ত্ৰ চলি আছে। ইতিমধ্যে এই ষড়যন্ত্ৰ অসমত সোমায় গৈছে। আজি সময় থাকোতেই অসমৰ ৰাজধানীখন এখন ভাল ঠাইত পাতিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আজি যদি আমাৰ ৰাজধানী খন ভৈয়ামলৈ নিব নোৱাৰে অসমৰ সমস্যা মমাধান হব নোৱাৰে। আজি ৰাজধানী স্থানান্তৰ সম্পৰ্কত এই বিধান সভাতে প্ৰস্তাৱ সৰ্ব্ব-সন্মতিক্ৰমে পাচহৈ যোৱাৰ পাচতো এই প্ৰস্তাৱটো কাৰ্য্যকৰি কৰিবলৈ এই চৰকাৰৰ বুকুত সাহ নাই। এতিয়া চলিহা ডাঙৰীয়াই যি কৈছে যে, ৰাজধানী স্থানান্তৰ এতিয়া নহয়। মই কও Let it come from the non Hindi speaking people—let it come from the non Assames population.

শ্ৰীচলিহা ডাঙৰীয়াই কৈছে, তেখেতে আন্তৰ্জাতিক চিন্তা কৰিছে। আজি ১৫ বছৰে দেখিছো যে, অসম চৰকাৰে জন-সাধাৰণৰ কোনো পৰিকল্পিত আঁচনি কৰিব পৰা নাই। ১৯৬১ চনতে মুখ্যমন্ত্ৰী শ্ৰীচলিহা ডাঙৰীয়াই কৈছিল এই ৰাজধানী স্থানান্তৰৰ বিষয়ে এইটো আমি কাগজে পত্ৰেও পাইছো।

Mr. Speaker - Order, order. It is 5 p. m. The debate in inconclussive. It will be continued next day fixed for Resolution.

## Report of the Business Advisory Committee

Mr. Speaker : I called a meeting of the Business Advisory Committee on 3rd June, 1970 to reconsider the earlier decision of the Committee at the request of some of the members in the House on 2nd June, 1970. The Committee decided that

the Assembly may be prorogued on 12th June, 1970 instead of 17th June, 1970 as scheduled earlier. On 8th June, instead of Private Members' Business the House will take up Government Business and Government Bills will be introduced on Private Members' days.

Copies of the addendum will be circulated to all Members' in due course.

I hope this has the approval of the House.

( Voices Yes )

## Discussion under Rule 50- Death of 40 Person in Mikir Hiils from Cholera.

Shri Bhadra Kanta Gogoi : Sir, I beg to raise a discussion under Rule 50 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly on a matter of great public importance that is to a news published in Natun Assamiya on 10 th, May, 1970 under the caption" মিকিৰ পাহাৰ জিলাত কলেৰা মহামাৰিত ৪০ জনৰ প্ৰানহানি"

"......মিকিৰ পাহাৰ জিলাত কলেৰা মহামাৰীত ৪০ জনৰ মৃত্যু হৈছে "। ছাৰ এইটোৰ বিষয়ে এতিয়া কব আমাৰ মাননীয় সদস্য শ্ৰীমনেশ্বৰ বড়ো দেবে।

Shri Moneswar Boro : অধ্যক্ষ্য মহোদয়, এই বিষয়টো May মাহৰ ১০ তাৰিখে নতুন অসমীয়াত ওলাইছে। তাৰে এটা Paragraph মই

প্ৰথমতে পঢ়ি আপোনাক শুনাওঁ (Staff Reporter) গুৱাহাটী, ৯ মে—

মিকিৰ পাহাৰ জিলাৰ ১ নং খণ্ড উন্নয়ন এলেকাত আৰু মেঘালয় ৰাজ্যৰ সীমাত নতুন বছৰৰ প্ৰাৰম্ভনিতে কলেৰা মহামাৰীয়ে সংক্ৰামক ৰূপে বিয়পি পৰি এক ভয়াবহ ৰূপ ধাৰন কৰি এতিয়ালৈকে ৪০ জনৰ মৃত্যু ঘটাইছে বুলি এটা চৰকাৰী সুত্ৰৰ পৰা জনা গৈছে। আন এটা নিৰ্ভৰ যোগ্য মহলে আমাক জনাইছে যে উক্ত অঞ্চলত কলেৰা মহামাৰীত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা এশৰো অধিক"

ছাৰ, আমাৰ এই মিকিৰ পাহাৰ অঞ্চল জন জাতীয় লোকেৰে পৰিপূৰ্ণ। এই অঞ্চলত অৰ্থাৎ মিকিৰ পাহাৰ জিলাত সৰু ডাঙৰ প্ৰায় ৭০০ কৰ্ম্মচাৰীয়েহে আছে বুলি জনা যায়। আজি মিকিৰ পাহাৰ জিলাত কলেৰা মহামাৰীয়ে সংকট জনক অৱস্থা সৃষ্টি কৰাটো অকল চৰকাৰৰ ব্যৰ্থতাৰ কথাই নহয় ই চৰকাৰৰ কলঙ্ক স্বৰূপো। ইয়াত চৰকাৰৰ অফিচাৰ সকলৰ তথা মেডিকেল বিভাগৰ অৱহেলাৰ কাৰণে আৰু ঠিক সময়ত ব্যৱস্থা নোলোৱাৰ কাৰণে মিকিৰ পাহাৰত থকা জনজাতি লোকৰ প্ৰানহানি হবলগীয়া হৈছে। এতিয়ালৈকে এই খন বাতৰিৰ মতে চৰকাৰীভাবে ঘোষনা কৰা হৈছে যে ৪০ জনহে মৃত্যু হৈছে; কিন্তু আন এটা বাতৰিত প্ৰকাশ পাইছে যে তাত ৩০০শৰো অধিক লোকৰ মৃত্যু হৈছে। তথাপিও আমাৰ স্বাস্থ্য কেন্দ্ৰই এই বিষয়ে একো ব্যৱস্থা লোৱা নাই।

ছাৰ. সেই অঞ্চলত যি সকল চৰকাৰী ডাক্তৰ আছে, সেই ডাক্তৰ সকলে ৪০ জন মানুহ মৃত্যু হোৱা স্বত্বেও সেই জনজাতীয় লোক থকা বিপদ সংঙ্কট অঞ্চলটো ভ্ৰমন কৰি inquiry কৰিবলৈ যোৱা নাই বুলি আমি খবৰ পাইছোঁ আৰু তেওঁসোকৰ প্ৰান ৰক্ষাৰ কাৰণে একো ব্যৱস্থা কৰা নাই। বহুত দিনৰ পাছত চৰকাৰী ডাক্তৰে সেই ঠাই ভ্ৰমন কৰিছে বুলি জনা গৈছে কিন্তু সেই সময়তো ডাক্তৰ জনে যাবতীয় ঔষধ পাতি নিয়া নাই; কামত নলগা দুই এটা ঔষধ নিছিল মাত্ৰ, তাৰ বাহিৰে সেই জন জাতি লোকৰ প্ৰান ৰক্ষাৰ যাবতীয় যোগাৰ পাতি নিয়া নাই।

অন্যহাতে তাত থকা বেচৰকাৰী খণ্ডত এটা বজাৰ আছে, সেই বজাৰ খনত বহুতো গেলা পচা মালবস্তু কিনা-বেচা আদি সদায়েই হৈ আছে, সেইটো চৰকাৰী অফিচাৰ সকলে বন্ধ কৰাৰ প্ৰচেষ্টা কৰা নাই। গতিকে মই চৰকাৰক কব বিচাৰিছোঁ যে এইটো অনুসন্ধান কৰি, সকলো বিলাক বিচাৰ কৰি সকলো বিলাক ব্যৱস্থা অতি সোন-কালে কৰিব লাগে। এই ক্ষেত্ৰত ব্যৱস্থা নোলোৱাৰ বাবে কোন দোষী আৰু কোন নিৰ্দ্দোষী, তাৰ বিচাৰ কৰি যদি দোষী জনক পোৱা যায় আৰু দোষী বুলি প্ৰমানিত হয়, তেন্তে তেওঁক গুৰুত্বৰ শাস্তি দিব লাগে।

মই এনেকুৱা এটা ঘটনাৰ কথা কওঁ যে ১৯৬৮ চনত মোৰ সমষ্টিত ৰৌমাৰী গাওঁত ঘটনা হৈছিল তেতিয়া মই নলবাৰীৰ S.D.M.O. ক কৈছিলোঁ আৰু তাত ২৭ জন মানুহ এইদৰে মৰিছিল। নলবাৰীৰ S.D.M.O. ক মই ৰাতিপুৱা ৮ টা মান বজাত জনোৱা স্বত্বেও তেতিয়া ৰাতি ৭ টা বজাত সেই ঠাইলৈ গৈছিল; কিন্তু লগত কোনো ঔষধ পাতি নিয়া নাছিল, মাত্ৰ কেইটামান ভেক্সিন লৈ গৈছিল। তাৰ ফলত তেওঁৰ একো কামেই নহল; কিন্তু বহুত মানুহ মৃত্যু মুখত পৰিল। এইদৰে চৰকাৰৰ অফিচাৰ সকলে ব্যৱস্থা নোলোৱাৰ ফলত বহুতো মানুহ এই মিকিৰ পাহাৰ জিলাতো মৃত্যু হৈছে। আৰু এটা উল্লেখযোগ্য কথা যে আমি মিকিৰ পাহাৰত দেখিবলৈ পাইছোঁ তাত ২,২৫,০০০ বো অধিক মানুহ আছে; কিন্তু তাত মাত্ৰ এখন চৰকাৰী Hospital আৰু ৯ খন Dispenssary আছে, এইটোৱে এখন জিলাৰ কাৰণে যথেষ্ট নহয় আৰু তাত অন্যান্য বহুতো সুবিধাও নাই। গতিকে এই বিলাক কথা নিজে জনজাতীয় মন্ত্ৰী হৈ বিচাৰ নকৰাটো দুখৰ কথা আৰু তাত একো ব্যৱস্থাই নকৰাটো দূৰ্ভাগ্যৰ কথা। আগতে অসম চৰকাৰৰ এটা ৰাতৰিত প্ৰকাশ পাইছিল যে ১৯৪৩ চনতো এনেকুৱা মহামাৰীত অসংখ্য মানুহ মৰিছিল। তাৰ এটা হিচাব আছে যে তেতিয়া ১৫,৫৫৪ জন মানুহ মৰিছিল আৰু ১৯৬৮ চনৰ হিচাবত ২৫৬ জন মৃত্যু হৈছিল।

গতিকে দেখা যায় কলেৰা বেমাৰত মৃত্যু সংখ্যা কমি আহিছে। এই ক্ষেত্রত মই কব খোজো যে চৰকাৰৰ অৱহেলাৰ কাৰণে আজিও মিকিৰ পাহাৰত বহুতো লোকৰ প্ৰানহানি হব লগীয়া হল। যোৱা বছৰ কলেৰা সংক্রামক আলোচনাত পৰিস্কাৰকৈ মন্ত্রী ডাঙৰীয়াই এই সদনত কৈছিল যে "এই পিচপৰা অঞ্চল বিলাকত সকলো সুবিধাৰ পৰা বঞ্চিত হৈ থকা ছুখীয়া লোকৰ বেমাৰ উচ্ছেদ কৰাই চৰকাৰৰ প্ৰধান উদ্দেশ্য বুলি কৈছিল। কিন্তু আজি চৰকাৰৰ অৱহেলাৰ ফলত এই বিলাক উৎত্তৰ হোৱাটো বাঞ্চনীয়; কিন্তু মহামাৰী বা কলেৰা দূৰ হওক বা নহওক, তাক নিবাৰন কৰিবৰ কাৰণে যথেষ্ট চেষ্টা কৰিব লাগিব। এইবুলি ঢোল কোবোৱাৰ পাছতো আজি মিকিৰ পাহাৰত 40 জন লোক মৃত্যু হোৱাৰ কাৰন কি ? গতিকে মই আশা কৰো চৰকাৰে তেওঁ- লোকৰ জীৱন ৰক্ষাৰ বাবে সকলো ব্যৱস্থা কৰিব।

Shri Romesh Mohen Kouli : মাননীয় উপাধ্যক্ষ মহোদয়, মিকিৰ পাহাৰ জিলাৰ কলেৰা মহামাৰী সম্পৰ্কে আলোচনা কৰিবলৈ সুবিধা দিয়াৰ বাবে মই সন্তোষ পাইছোঁ। আৰু এই আলোচনাৰ সম্পৰ্কত মই দুষাৰ মান কথা কবলৈ বিচাৰিছোঁ। উপাধ্যক্ষ মহোদয়, মিকিৰ পাহাৰৰ এই ঘটনাৰ সম্পৰ্কত আমি শুনিছোঁ যে ২৯ April ৰ পৰাই তাত মহামাৰী হয়। কিন্তু আমাৰ শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ৰ হাতত Report আহি পৰে ৬ May তাৰিখে। খবৰ পোৱাৰ পাছত এজন ডাক্তৰে সেই ঠাই inspection কৰে, প্ৰথমতে তেওঁ inspection কৰে মিকিৰ পাহাৰ জিলাৰ ১নং Block ত সেই ঠাই পৰিদৰ্শন কৰাৰ পাছত বহুতো মানুহক আৰু চৰকাৰক Civil Surgeon ক খবৰ দিছে। যে তাত হেনো কলেৰাত মানুহ আক্ৰান্ত হোৱাই নাই। গতিকে এনেকুৱা এটা ভুল খবৰ দিয়াৰ অন্তৰালত কি থাকিব পাৰে, তাৰ বিচাৰ অতি সোনকালে হব লাগে আৰু লগে লগে action লব লাগে।

তাৰ পাছত যেতিয়া ৰাইজে Civil Surgeon ৰ ওচৰলৈ দৌৰাদৌৰি কৰাৰ পাছত Civil Surgeon এ নিজে সেই ঠাই

পৰিদৰ্শন কৰি ব্যৱস্থা লোৱা জনা বুলি গৈছে। গতিকে দেখা যায় যে বিভাগৰ অৱহেলাৰ কাৰণে চৰকাৰৰ ব্যৰ্থতাৰ পৰিচয় ওলাই পৰিছে আৰু ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা এতিয়ালৈকে ভালদৰে লোৱা নাই।

আগৰ দিনত কলেৰা হলে বাইজে সেই গাওঁ এৰি হাবি বন কাটি দূৰ-দূৰনিলৈ গুচি যায়, আজি এতিয়াও এই জনজাতি সকলৰ মাজত এই প্ৰথা চলি আছে অথচ Public Health Deptt য়ে এই অঞ্চলৰ Society বিলাকক enlightion কৰিবলৈ চেষ্টা কৰা নাই। জনজাতীয় অঞ্চল বুলিয়েই এই লোকসকলক অৱজ্ঞা কৰি আছে।

জনজাতি অঞ্চলৰ মন্ত্ৰী হৈও এই লোক সকলক অৱজ্ঞা কৰি থাকে আৰু বিভাগীয় officer সকলেও নানা ধৰণে কাম কাজত গাফিলতি কৰা দেখা যায়। এই বিলাকৰ তদন্ত আমি দাবী কৰিছো। আজি চৰকাৰে বসন্তৰ প্ৰতিষেধক ব্যৱস্থাৰ বিষয়ে সামাজিক ভাৱে চিন্তা কৰা নাই। জনস্বাস্থ্য বিভাগে এই বিলাক কামত একেবাৰে ব্যৰ্থ হৈছে বুলি প্ৰমান পোৱা গৈছে।

আজি Mikir পাহাৰত হোৱা মহামাৰীৰ বিষয়ে উল্লেখ কৰাৰ লগতে মই গোটেই অসমৰ মহামাৰী কথা উল্লেখ কৰিব বিচাৰিছো। আমাৰ বিধান সভাৰেই সদস্য Shri Sarat Ravaৰ দুগৰাকী ছোৱালী বসন্ত আৰু কলেৰা ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰিছে। এনে অৱস্থাত স্বাস্থ্য বিভাগে কি কৰিব বিচাৰিছে সেইটো জনাব বুলি আশা কৰি সামৰনি মাৰিলো।

Shri Chatra Sing Teran (Minister Heathlr) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীযুত গগৈ দেৱে যিটো বিষয়ে ইয়াত উত্থাপন কৰিছে সেই সম্বন্ধে মোৰ কবলগীয়া মুঠতে এই খিনিয়েই।

কলেৰা হৈ তাত মানুহ মৰাৰ কথা কাগজত প্ৰকাশ পাইছে। মই এই বিষয়ে খবৰ পাইছিলো grwari ৰ পৰা phone ৰ

যোগেদি phone ত কৈছিল কলেৰাৰ নিচিনা কিবা বেমাৰত আক্ৰান্ত হৈ তাত কিছুমান মানুহৰ মৃত্যু হৈছে। এই খবৰ পোৱাৰ লগে লগে স্থানীয় যি সকল D.H.S তাত আছে তেওঁ লোকলৈ সেই ৰাতিৰ ভিতৰতে Diphu লৈ phone কৰিলো আৰু সেই বিষয়ে Immediate ব্যৱস্থা লবৰ কাৰণে জনালো আৰু তাত প্ৰকৃততে কি হৈছে সেই বিষয়ে আমাক জনাব লাগে। C.S মই নাপালো।

( Noise )

তাত নতুনকৈ Join কৰিছে, তেখেতে 4 তাৰিখে Diphu এৰিছে আৰু ৬।৭ তাৰিখে নতুন মানুহ আহিছে। এই খবৰ পোৱাৰ পিচতে তাত সেই দিনাখন তৎকালীন ব্যৱস্থা লৈছে। খাছী জয়ন্তীয়া পাহাৰত Civil Surgen যি জন আছে তেও যদিও Meghalaya ত পৰিছে তেওক আকৌ Nowgong আৰু Diphu এই তিনিফালৰ পৰা Medical staff team আদি সেই অঞ্চললৈ পঠোৱা হৈছে। ঔষধ-পাতি আৰু অন্যান্য যাৱতীয় সকলো সামগ্ৰী তালৈ পঠোৱা হৈছে।

সেই অঞ্চলটো Block অঞ্চল বুলি জনা যায়। তাৰ জনসংখ্যা প্ৰায় ৯ হাজাৰ মান হব। আমাৰ Medical staff তালৈ গৈ মানুহৰ মাজত luculation দিয়াৰ ব্যৱস্থা কৰিছে। প্ৰায় ৩হেজাৰ মান লোকক Iuoculation দিয়াৰ ব্যৱস্থা কৰিছে।

সেই অঞ্চলৰে নিকতম State dispensary "বৈথালাঙ্গু" ডাক্তৰ জনে নিজে সেই ঠাইবোৰ visit কৰিছে আৰু তাৰ পৰা ২৫ তাৰিখে কিছুমাৰ Blood আৰু Stool Sample শ্বিলঙলৈ লৈ আহিছো তেখেতে অনা Blood আৰু stool Report বোৰ মই পঢ়ি দিছো "Those persons died, they suffered mainly from fever 100-103°F dysentry with as griping abdominal pain, loose stool with mucus and blood occasionally appears. In some cases, there are also headache. In majority of the cases there are vomiting which ia not like cholera. It contains food par

4. Nevaquire tabs.
5. Dextrose Saline injection I. U.
6. Bleaching powder and potash as disinfectant.

... the above medicines quickly responded on the sufferers.

Shri Kehoram Hazarika : অধ্যক্ষ মহোদয়, ডাক্তৰৰ ৰিপোৰ্টত জানুৱাৰীৰৰ পৰা কিমান মানুহ মৰিলে তাৰ এটা হিচাৱ দিছে। এই কেইমাহৰ ভিতৰত কি প্ৰতিষেধক ব্যৱস্থা লৈছে জনাব নে ?

Shri Chatrasing Teron : যিকেইজন মানুহ মৰিলে তাৰ ভিতৰত এজনৰ stool ৰ sample আনিছে। যি সকলৰ ইতিমধ্যে মৃত্যু হ'ল মই উল্লেখ কৰিছো ৪৯ জন তাৰে এজনৰ stool examine কলেৰাৰ positive Symptom ওলাইছে কিন্তু গোটেই বিলাক কি কি বেমাৰত মৰিল কব পৰা নাই।

Dr. Bhumidhar Barman : যিসকল মৰিল তেওঁলোকৰ Pathological Post martem কৰা হ'ল নে নাই ?

Shri Chatrasing Teron : সেইটো সম্ভৱ কৰা নাছিল। মৰামাত্ৰকে লোক সকলে মৰাশৰ সৎকাৰ কৰিছিল।

Shri Mohidhar Pegu : যিহেতুকে বেমাৰটো কি তাক নিৰ্ণয় কৰিব পৰা হোৱা নাই, এই মহামাৰী টো নিৰ্ণয় কৰিবলৈ post martem কিয় কৰা হোৱা নাই ?

Shri Chatrasing Teron : Medical Staff যোৱাৰ পাচত মানুহ মৰা নাই আৰু সেয়ে post mortem সম্ভৱপৰ হোৱা নাই।

Shri Hiralal Patwary : ...It is a question of human life Sir. We definitely like to know from the Hon. Minister

whether the Govt. is satisfied with the working which has been done by their officials. The Hon. Minister perhaps know how many persons died last year due to the infection in water. এইটো এটা serious কথা মন্ত্ৰী মহোদয়ে কথাটো seriously লব লাগে। দল উপদল নিৰ্ব্বিশেষে ইয়াক জানিব বিছাৰিছে মন্ত্ৰী মহোদয়ে সহানুভুতিৰে নজনালে ৰাইজে বৰ বেয়া পাব।

Shri Chatrasing Teron : যিসকল মানুহ মৰিল তেওঁলোক বয়সস্থ মানুহ। গতিকে natural death বুলি অনুমান কৰা হয়। এই লোকসকল ৬০/৬৫ বছৰীয়া।

Shri Hiralal Patwary : বাকী মানুহৰ হিচাব দিয়া নাই। এনেকুৰা হিচাবৰ বহুত মানুহ আছে।

Shri Chatrasing Teron : যিমান পাইছো সেইখিনিহে মাননীয় সদস্যক জনাব পাৰিম।

Shri Dulal Chandra Barua : ভবিষ্যতৰ কাৰণে এতিয়াৰ পৰা কি কি বিশেষ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে ?

Mr. Speaker : If all the members speak at a time how the Minister will reply.

Shri Soneswar Bora : মন্ত্ৰী মহোদয়ে কৈছে যে Medical Staff যোৱাৰ পাচত মানুহ মৰা নাই। ৬০/৭০ বছৰীয়া বুঢ়া মানুহে যে মৰিল ডাক্তৰ যোৱাৰ পিচত বুঢ়া মানুহ মৰা নাই নেকি ?

Shri Chatrasing Teron : মৰিছে যদিও খবৰ পোৱা নাই।

Shri Dulal Chandra Barua : চাৰ, মোৰ যিটো ধাৰনা হৈছে সেইমতে